নভেম্বৰ 2012 ■ ₹ 25/-

চান্দমামা

Mumbai Edition



For details, please visit www.parlefulltoss.com
Offer valid till stocks last. Stock also available without this offer.
MRP (Incl Of All Taxes):-
Rs. 5/- (Net Wt 21g), Rs. 10/- (Net Wt 45g), Rs. 20/- (Net Wt 95g).

© 2012 WWE All Rights Reserved.
© Topps Europe Limited 2008.

* Available with every Rs. 5/- pack of Parle Full Toss.
** Available with every Rs. 10/- & Rs. 20/- pack of Parle Full Toss.
*Conditions apply

www.chandamama.com/parle/

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

বেডমিন্টন তাৰকা

ছাই দীনেশ ৰেড্ডীৰ জন্ম হয় ১৯৯৯ চনৰ ৬ মেত। তেওঁ বৰ্তমান অ' এল পি এছ স্কুল, চেম্বুৰ, মুম্বাইৰ সপ্তম শ্ৰেণীত পঢ়ি আছে। অতি কম বয়সতে ছাই বেডমিন্টনত পাৰদৰ্শী হৈ পৰিছে। ছাইৰ পিতৃয়ে তেওঁক বেডমিন্টন খেলিবলৈ অনুপ্ৰাণিত কৰি আহিছে।

ছাইয়ে ইতিমধ্যে বেডমিন্টনত বহু সফলতা লাভ কৰিছে। তেওঁ ২৫ তম জুনিয়ৰ ৰাষ্ট্ৰীয় বেডমিন্টন প্ৰতিযোগিতাৰ ১৩ বছৰৰ অনুৰ্ধ ডাবলছৰ ৰাণাৰ আপ আৰু ৰূপৰ পদক বিজেতা। তেওঁ ২০১০ আৰু ১২ চনৰ সৰ্বভাৰতীয় বেডমিন্টন ৰেংকিংত ১৩ বছৰৰ অনুৰ্ধ শাখাত ৫ম স্থান লাভ কৰে। ছাইয়ে ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় বেডমিন্টন প্ৰতিযোগিতাত মহাৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ যোৱা চাৰি বছৰ ধৰি মুম্বাই স্কুল ক্ৰীড়া বেডমিন্টন প্ৰতিযোগিতাত ১০ বছৰ, ১২ বছৰ আৰু ১৪ বছৰৰ অনুৰ্ধ শাখাত সোণৰ পদক লাভ কৰে। তেওঁ মুম্বাই জিলা বেডমিন্টন প্ৰতিযোগিতাতো ১০ বছৰ আৰু ১৩ বছৰ অনুৰ্ধ শাখাত যোৱা চাৰিবছৰ ধৰি বিজয়ী হয়। লগতে তেওঁ হ'ল মনোৰা টুৰ্ণামেন্টৰ ১০ বাৰৰ বিজয়ী আৰু ৩ বাৰৰ ৰাণাৰ আপ।

আন যিকোনো শিশুৰ দৰেই ছাইয়ে কাৰ্টুন নেটৱৰ্ক চাই বৰ ভাল পায়। ছাইৰ সপোন হ'ল ২০১৬ চনৰ অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰা। দৃঢ় মনৰ ছাই নিশ্চিত যে তেওঁ লক্ষ্যত উপনীত হব পাৰিব। আমি আশা কৰিছো যে ছাইৰ সপোন বাস্তৱ হৈ উঠক।

November 2012 ₹ 25/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editor :
R. Vaasugi

Sub Editor :
Patricia Pandian

Senior Artists :
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar.

Layout Designers :
B. Thirumal,
N. Sivakumar.

Production In-charge :
Prashant Pawar

Circulation :
circulation@chandamama.com

Assistant Managers - Sales & Circulation :
Rajendra K. Jadhav,
Subhankar Rej.

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Customer Help :
Ph: 022 40786043

Head Office :
CHANDAMAMA INDIA LTD.,
P.O. Box No : 19407,
Mumbai - 400 093.
Phone : +91 22 28312872 / 28311849
Email :
chandamama@chandamama.com
Website :
www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD.,
Published and Printed on their behalf by Prashant Sharad Mulekar
Published At : B-3, Lunic Industries, "B" Cross Road, Opp.SBI, MIDC, Andheri (E), Mumbai - 400 093.
Printed At : Mothers Graphics (I) Pvt. Ltd., 91D, Govt. Ind. Estate, Charkop, Kandivali (W), Mumbai - 400 067.
Editor : Prashant Sharad Mulekar

A

এই সংখ্যাত আছে

চান্দমামা

Volume-3 November 2012 Issue-11

✲ পাঠকৰ পত্ৰ ...০৬
✲ মোৰ স্মৃতি ...০৭
✲ সৰ্পমুখী ...১১
✲ ধৰ্মাচৰণ ...১৭
✲ কৃতজ্ঞতা ...২০
✲ সুধাকৰৰ শিক্ষা ...২৩
✲ মিত্ৰ লাভ – ৪ ...২৪
✲ জীৱন্ত ভাস্কৰ্য ...২৭
✲ ভুল উলিওৱাৰ অভ্যাস ...২৯
✲ ধাৰেহে ৰক্ষা কৰিলে ...৩০
✲ দয়ালু ...৩২
✲ সাহসী ...৩৫
✲ জন্তুৰেও কথা ক'ব পাৰে ...৩৯
✲ এটা খৰচী মিছা কথা ...৪০
✲ তোমাক যিয়ে কলে ...৪২
✲ ব্যৱসায়িক বুদ্ধি ...৪৩
✲ ৰাম-কৃষ্ণ ...৪৪
✲ ঠগবাজী ...৪৮
✲ কাজিয়া লোকচানৰ কাৰণ ...৫২
✲ চুঙা চাই সোপা ...৫৪
✲ শিথিলালয় – ৩২ ...৫৫
✲ আচাৰ্যৰ পচন্দ ...৬২
✲ জমিদাৰৰ ঘৰত এসাঁজ ...৬৪
✲ বুদ্ধিত বৃহস্পতি ...৬৬
✲ জেলীৰ সোৱাদ ...৬৭
✲ সততাৰ শুদ্ধ সংজ্ঞা ...৭০
✲ মই কি হ'ব পাৰো? ...৭৩
✲ চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ – ৪৬ ...৭৪
✲ কৌতুক ...৭৫
✲ কথাৰ মালিহা ...৭৬
✲ ভাৰত দৰ্শন ...৭৮
✲ বীৰবল ...৮০
✲ গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

পোহৰৰ উৎসৱ....

জীৱনটো নানান অনিশ্চয়তাৰে ভৰা আৰু আমি বৰ্তমান সময়ত ভালদৰেই সেই অভিজ্ঞতা লাভ কৰি আছো যেন বোধ হয়। দুমাহৰ আগলৈকে, বিশ্বৰ বহু দেশে অৰ্থনৈতিক ভাৰসাম্যতা হেৰুৱাই পেলাবৰ উপক্ৰম হৈছিল। যদিও আজিৰ দিনত সেই পৰিস্থিতিৰ সম্পূৰ্ণৰূপে পৰিৱৰ্তন হোৱা নাই, তথাপিও তেনে পৰিবেশৰ মোকামিলা কৰি বহু দেশ পুণৰ সমৃদ্ধিৰ দিশত আগুৱাবলৈ সক্ষম হৈছে। ভাৰততো, বহুদিন ধৰি পংগু আঁচনিকে খামোচ মাৰি ধৰি থকাৰ পিছত, চৰকাৰ নিদ্ৰাৰ পৰা সাৰ পাই উঠিছে আৰু নানা ধৰণৰ পদক্ষেপ লবলৈ আৰম্ভ কৰিছে। এই পদক্ষেপবিলাকে দেশৰ অৰ্থনীতি টনকিয়াল কৰাত সহায় কৰিব আৰু অতি সোনকালেই আমি ইবিলাকৰ পৰা সুফল লাভ কৰিবলৈ সক্ষম হম। আনকি বৰুণ দেৱতায়ো চকু মেলি চাবলৈ আৰম্ভ কৰিছে আৰু ফলস্বৰূপে দেশত পৰ্যাপ্ত পৰিমাণে বৰ্ষাপাত হৈ আছে।

এইমাহত আমি পোহৰৰ উৎসৱ দেৱালী উদযাপন কৰিম। এইবাৰ এই উৎসৱক আমি অলপ বেলেগ ধৰণেৰে পালন কৰাৰ কথা চিন্তা কৰিব পাৰো। আমি নিজেই ৰঙীণ কাকতৰ লেম্প, সুন্দৰ মমবাতি, চাকি-বন্তি আদি তৈয়াৰ কৰি সেইবিলাকক ব্যৱহাৰ কৰি এই উৎসৱক স্মৰণীয় কৰিব পাৰো। ফটকা আদি ব্যৱহাৰ নকৰাটোৱেই পৰিবেশৰ লগতে আমাৰ নিজৰো বাবে উপকাৰী। আমি পাঠকক তেওঁলোকে নিজে তৈয়াৰ কৰা লেম্প বা মমবাতিৰ নানা ডিজাইনৰ ছবি আমালৈ প্ৰেৰণ কৰিবৰ বাবে অনুৰোধ কৰিছো। সেইবিলাক আমি চান্দমামাত প্ৰকাশ কৰিম।

চান্দমামাৰ তৰফৰ পৰা আমি সকলোটিলৈকে দেৱালীৰ শুভকামনা যাঁচিছো। আশা কৰিছো যে এইবাৰৰ দেৱালীয়ে সকলোটিলৈকে কঢ়িয়াই আনিব সুখ আৰু হাঁহিৰ আঁতচবাজী...

– সম্পাদক

পাঠকৰ পত্ৰ

মই যোৱাবাৰৰ চান্দমামা মাহৰ শেষতহে লাভ কৰিলো। সেই সংখ্যাত প্ৰকাশিত সকলো কাহিনীয়েই বৰ সুন্দৰ। কেৱল সেয়াই নহয়, মুদ্ৰণ আৰু 'লেআউট ডিজাইনো' বৰ সুন্দৰ হৈছে। মই সেইখন খুলি চায়েই বৰ আনন্দিত হৈ পৰিছিলো। সেইখনৰ সকলো কাহিনীয়েই নীতিশিক্ষা থকা আৰু অৰ্থবহ। আজিকালি, শিশুসকলেও চান্দমামা বৰ মনোযাগ দি পঢ়ে। আন সংখ্যাৰ দৰেই, এইবাৰৰ বেটুপাটটিও বৰ সুন্দৰ।

– পি ৰবিন্দৰ ৰাও, হায়দৰাবাদ

মই ১৫ আগষ্টৰ পিছতহে ভাড্ডাদি পাপায়াই ভাৰত মাতাৰ ওপৰত অংকন কৰা বেটুপাতৰে সুশোভিত চান্দমামাখন লাভ কৰিলো। এইটো বৰ প্ৰশংসনীয় নহয় যে মাহৰ তৃতীয় সপ্তহতে চান্দমামা বজাৰত পাবলৈ নোহোৱা হয়। যোৱামাহৰ আলোচনীখন ২০ টা কাহিনীৰে ভৰ্তি হৈ আছে। ভিতৰৰ চিত্ৰসমূহো অতি চকুতলগা হৈছে। মোৰ ৰচিত বেতালৰ কথা 'এজন নাস্তিক' প্ৰকাশ কৰাৰ বাবে অশেষ ধন্যৱাদ। মই প্ৰকাশ হোৱা মাহতে এটা অভিনন্দনসূচক সংখ্যা আৰু কাহিনীৰ বাবে মাননি লাভ কৰি সুখী।

– পি ভেংকটেশ্বৰ ৰাও, জনুপল্লী

মই অলপতে চান্দমামাৰ যোৱা মাহৰ সংখ্যাটোৰে সৈতে আগৰ কেইবাটাও সংখ্যা লাভ কৰিলো। এইটো দেখা পাই মোৰ ভাল লাগিছে যে চান্দমামাই পুৰণা ৰূপ ঘূৰাই পাইছে। প্ৰকাশিত নতুন–পুৰণা সকলো কাহিনীয়েই অতি ভাললগা। মই এই পৰম্পৰা অটুট ৰাখিবলৈ আপোনালোকক অনুৰোধ কৰিছো।

– লক্ষ্মীনাৰায়ণ, বাংগালুৰু

মই চান্দমামাৰ এগৰাকী নিয়মীয়া গ্ৰাহক। প্ৰতি মাহতেই মই চান্দমামাৰ নতুন সংখ্যা আহি পোৱালৈ আগ্ৰহেৰে বাট চাই থাকো। সেইখন আহি পোৱাৰ লগে লগেই পঢ়িবলৈ আৰম্ভ কৰি দিও। মই চান্দমামাৰ প্ৰতিটো কহিনীয়েই পঢ়ো। প্ৰতিটো কাহিনীয়েই বৰ সুন্দৰকৈ ৰচনা কৰা আৰু নীতিশিক্ষাযুক্ত। চান্দমামাৰ পৰা মই নানা ধৰণৰ শিক্ষা লাভ কৰো। এনে এখন সৰ্বাংগ সুন্দৰ আলোচনী আমাক পঢ়িবলৈ দি চান্দমামাৰ সম্পাদনাৰ লগত জড়িতসকলে সমাজলৈ এক বিশেষ অৱদান আগবঢ়াইছে।

– শান্তি পত্ৰী, ডেৰাডুন

মই চান্দমামা পঢ়ি বৰ ভাল পাও। মোৰ ওচৰত চান্দমামাৰ ১৯৭৩ চনৰ এটা সংখ্যা আছে। আনকি আজিও মই একেই আনন্দৰে চান্দমামাৰ সুন্দৰ কাহিনীবিলাকৰ সোৱাদ লও। মোৰ ফালৰ পৰা চান্দমামালৈ ধন্যৱাদ।

– মনজিত কুমাৰ, উত্তৰ প্ৰদেশ

মোৰ স্মৃতি – মাৰাঠী

মই যেতিয়া কিতাপ পঢ়িব পৰা হলো তেতিয়া মই প্ৰথমতেই চান্দমামা পঢ়িছিলো। কম সময়ৰ ভিতৰতে মই চান্দমামাৰ পৰম ভক্ত হৈ পৰিলো। ইয়াৰ বাবে সম্পূৰ্ণ কৃতিত্ব যাব চান্দমামালৈ। তাৰপিছত লাহে লাহে মই আন কিতাপো পঢ়িবলৈ আৰম্ভ কৰিলো আৰু সেইবিলাক কিছুমান মোৰ বয়সৰ বাবে উপযুক্ত নাছিল। সময় বাগৰি যোৱাৰ লগে লগে মই গম পালো যে কোনবিলাক কিতাপ পঢ়িব লাগে আৰু কোনবিলাক নালাগে। আজিলৈকে মই পঢ়া কিছুমান কিতাপ বৰ ভাল পালো, কিন্তু কিছুমান একেবাৰে বেয়া পালো। কিন্তু চান্দমামা সম্পৰ্কে মোৰ ধাৰণা একেই থাকিল। আজিও মই সমান আগ্ৰহেৰে চান্দমামাৰ জুতি লওঁ। মই চান্দমামা ভাল পোৱাৰ এটা কাৰণ হ'ল ইয়াৰ সুন্দৰ চিত্ৰবিলাক। আমি জানো যে ভূত বুলি একো নাই, কিন্তু চান্দমামাৰ পৃষ্ঠাত দেখা ভূত (বেতাল) এতিয়াও মোৰ ভালদৰেই চিনাকি। যদি ভূত থাকিলহেতেন, তেন্তে মই নিশ্চিত যে সেইটো দেখাত চান্দমামাৰ বেতালৰ দৰেই হ'লহেতেন। একে কথা কব পাৰি ৰাজকুমাৰ আৰু ৰাজকুমাৰীৰ চিত্ৰৰ সন্দৰ্ভত।

Name: Deepa Deshmukh
Occ: DOC head. Pratham InfoTech Foundation. Pune.

সকলো কালত সকলোৰে চিত্ৰৰ জগতখনক বৰ ভাল পায়। চান্দমামাই মোক এই জগতখনত প্ৰৱেশ কৰিবলৈ দুৱাৰ মুকলি কৰি দিলে। এক পৃষ্ঠা, দুই পৃষ্ঠা, তিনি বা চাৰি পৃষ্ঠাৰ কাহিনীবিলাকৰ কোনো তুলনা নাই। কাহিনী এটা পঢ়ি থাকোতে শেষত কি হব সেই কথা জানিবলৈ সদায় মন যায়। চান্দমামাৰ কাহিনীসমূহ কেৱল পঢ়িবলৈ ভাল লগাই নহয়, সেইবিলাকৰ পৰা আমি নীতিশিক্ষাও লাভ কৰো। কিছুদিনৰ আগতে মই এটা ল'ৰা লগ পাইছিলো, যি পৰিয়ালৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰা নাছিল। মই বুজিব পৰা নাছিলো যে তাক কেনেকৈ বুজাওঁ। এই ক্ষেত্ৰত চান্দমামাই মোৰ বৰ সহায় কৰিলে। মই চান্দমামাৰ বাবে অনুবাদ কৰা এটা কাহিনী পঢ়ি শুনোৱাত সি সকলো কথা বুজি পালে। সেই কাহিনীটো আছিল এটা ডেকা ল'ৰাৰ, যি ব্যৱসায়ৰ কামত দেউতাকক সহায় নকৰিছিল। সেই ডেকাই কেতিয়া নিজৰ দায়িত্ব বুজি উঠিব সেই লৈ তেওঁৰ দেউতাক চিন্তিত আছিল। এদিনাখন তেওঁলোক ঘৰলৈ আহি থাকোতে দেখিলে যে এজনী ছোৱালীয়ে হাতত এডাল লাঠি লৈ এডাল ৰচীৰ ওপৰত খোজ কাঢ়িবলৈ চেষ্টা কৰি আছে। ল'ৰাটো আচৰিত হ'ল। দেউতাকে তাক বুজাই দিলে যে ৰচীৰ ওপৰত খোজ কঢ়াটো হ'ল জীৱনৰ দৰে আৰু হাতত থকা লাঠিডাল হ'ল দায়বদ্ধতা। সেই লাঠিডাল হাতত থকাৰ বাবেহে তাই ভাৰসাম্য ৰাখিব পাৰিছে। ল'ৰাটোৱে বুজিলে যে দেউতাকে কি বুজাব বিচাৰিছে।

এইদৰেই চান্দমামা হ'ল আমাৰ জীৱনৰ বন্ধু, শিক্ষক ইত্যাদি। মই চান্দমামাৰ লগত জড়িত সকলোলৈকে অভিনন্দন জ্ঞাপন কৰিছো।

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 11 regional languages. Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex : ....

Address: ....

....

....

.... City: ....

State:.................................. Pin:..................

Telephone:..

Mobile:..

Email:..

Subscription Number (for renewals):..................................

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..................................

Cheque/DD No ....

favouring Chandamama India Ltd on..................................

.... bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 30/- per copy)	Rs. 360	Rs. 645	Rs. 915	Rs. 1150	Rs. 1350
You Save		Rs. 75	Rs. 165	Rs. 290	Rs. 450
REGIONAL (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 260	Rs. 375
JUNIOR (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 765	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 195	Rs. 300

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – গুজৰাটী

আন্ধাৰক জোনাকে পোহৰাই তোলাৰ দৰেই চান্দমামাই ডেকা, বুঢ়া, শিশু সকলোৰে মন পোহৰাই তোলে। ইয়াৰ সুন্দৰ কাহিনী আৰু অসাধাৰণ চিত্ৰবিলাকে আমাক সদায় আকৰ্ষণ কৰে। যেতিয়া আকাশত চন্দ্ৰমাৰ উদয় হয়, সকলোৰে মন আনন্দত ভৰি পৰে। একেদৰেই প্ৰতি মাহতেই চান্দমামাৰ নতুন সংখ্যা আহি আমাৰ হাতত পৰাৰ লগে লগে আমাৰ মন আনন্দিত হৈ উঠে।

Name: Dr. Sheela Nair
Trivandrum, Kerala

মোৰ দহ বছৰ বয়স হোৱাৰে পৰা চান্দমামা পঢ়ি আহিছো। এতিয়া মোৰ বয়স হ'ল ৭০ বছৰ। এই বয়সতো চান্দমামা পঢ়াৰ আগ্ৰহ মোৰ একেই আছে। মোৰ দেউতাই প্ৰথমবাৰৰ বাবে চান্দমামা কিনি আনোতে, মই বৰ সুখী হৈছিলো। সেই সময়ত চান্দমামাৰ দাম আছিল মাত্ৰ ২৫ পইছা। সেইখন আহি ঘৰ পোৱাৰ লগে লগে কোনো প্ৰথমতে পঢ়িব তাকে লৈ আইতা আৰু আমাৰ বাই-ভনী কেইজনীৰ মাজত এক প্ৰকাৰৰ কাজিয়াই আৰম্ভ হৈ পৰিছিল।

আমাৰ ঘৰলৈ চাৰিটা ভাষাৰ চান্দমামা আহিছিল। প্ৰথমতে, দেউতাই চান্দমামাৰ মাৰাঠী সংস্কৰণ আনিছিল, কিয়নো আমাৰ আইতা আছিল মহাৰাষ্ট্ৰীয়। তাৰপিছত তেওঁ গুজৰাটী আৰু হিন্দী সংস্কৰণো আনিবলৈ আৰম্ভ কৰিলে। মোৰ আইতাই গোটেইকেইটা ভাষাৰে চান্দমামা পঢ়িছিল। আইতাৰ মৃত্যুৰ পিছত আমি চান্দমামাৰ ইংৰাজী সংস্কৰণ কিনিবলৈ আৰম্ভ কৰিলো আৰু সেইটো আজি পৰ্যন্ত পঢ়ি আছো।

ইমান বছৰৰ পিছতো, চান্দমামা পঢ়াৰ হেপাহ মোৰ অলপো কম হোৱা নাই। পুৰণা সংখ্যা উলিয়াই লৈ পঢ়িলে এনে অনুভৱ হয় যেন মই প্ৰথমবাৰৰ বাবেহে চান্দমামা পঢ়িছো। মই বিক্ৰম-বেতাল, পঞ্চতন্ত্ৰ, আন দেশৰ লোককথা আদি পঢ়ি বৰ ভাল পাও। ৰামায়ণ, মহাভাৰত,ভাগৱত পুৰাণ আৰু বুদ্ধৰ নানাধৰণৰ কাহিনীও মোৰ অতি প্ৰিয়। মই এনে ধৰণৰ ধাৰাবাহিক নিয়মীয়াকৈ প্ৰকাশিত কৰিবৰ বাবে অনুৰোধ কৰিছো।

আমি বৃদ্ধ বয়সত পুণৰ শিশুৰ দৰে হৈ পৰো। চান্দমামাই আমাক পৰম আনন্দ প্ৰদান কৰে। মই চান্দমামা পঢ়া দেখিলে সকলোৱে হাঁহে। কিয়নো বহুতে ভাৱে যে চান্দমামা এখন শিশু আলোচনী। মই তেওঁলোকক উত্তৰ দিও যে তেওঁলোকে নিজে চান্দমামা পঢ়িলেহে সকলো বুজি পাব। চান্দমামাৰ কাহিনীবিলাক কোনো নিৰ্দিষ্ট বয়স, জাতি বা ধৰ্মৰ বাবে ৰচনা কৰা নহয়। সকলোৱেই এই কাহিনীবিলাক পঢ়ি আনন্দ লাভ কৰাৰ লগতে জ্ঞান লাভ কৰিব পাৰে। মই আশাকৰো যে চন্দ্ৰমাৰ দৰেই চান্দমামা অমৰ হওক। সকলো জাতি, বৰ্ণৰ লোকে একতাৰ ডোলেৰে বান্ধ খাই চান্দমামা পঢ়ক। সকলোৰে মাজত ভাতৃত্ববোধৰ সৃষ্টি হওক। চান্দমামাৰ সমূহ কৰ্মকতলৈ মোৰ তৰফৰ পৰা শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

মোৰ স্মৃতি – তেলেগু

শ্ৰদ্ধাৰ মহাশয়, মই প্ৰথমতেই মোৰ প্ৰিয় আলোচনী চান্দমামালৈ হিয়াভৰা ওলগ জনাইছো। মই ৮ বছৰ বয়সৰে পৰা চান্দমামা পঢ়ি আহিছো। কেতিয়াবা কিবা কথাত মই যদি চান্দমামাৰ কোনো সংখ্যা পঢ়িবলৈ নাপাও, তেন্তে মোৰ এনে লাগে যেন মই বৰ ডাঙৰ কিবা এটা হেৰুৱালো। মই চান্দমামাৰ সকলো কাহিনীয়েই পঢ়ি ভাল পাও। কিন্তু সেইবিলাকৰ ভিতৰত মোক 'বিচিত্ৰ কভালালু (বিচিত্ৰ যজাঁ ভাতৃ), আৰু বিক্ৰম-বেতালৰ কাহিনীয়ে অধিক আকৰ্ষণ কৰে। এই চিঠি লিখি থকাৰ সময়তো মই চান্দমামাৰ এটা সংখ্যা পঢ়ি আছো। প্ৰতি মাহতে চান্দমামাৰ নতুন সংখ্যা প্ৰকাশিত হোৱাৰ লগে লগে মই এটা শিশুৰ দৰে লৰালৰিকৈ কিতাপৰ দোকানলৈ যাও। এই কথা লৈ সকলোৱে মোক জোকায় যে এই বয়সতো মই এজনী সৰু ছোৱালীৰ দৰেই চান্দমামা পঢ়ো। মই তেওঁলোকৰ কথাত কেৱল হাঁহো।



Name: B.Kamala
Occ: Retd. Telugu teacher,
Trimulgiri, Secunderabad.

মোক নাতিনী দিপ্তিয়েও চান্দমামা পঢ়ি বৰ ভাল পায়। তাই যেতিয়া সৰু হৈ আছিল, তাই আব্দাৰ ধৰিছিল যে চান্দমামাৰ কাহিনী কলেহে তাই ভাত খাব। মই তাইক ভাত খুৱাবৰ সময়ত সদায় চান্দমামাৰ কাহিনী কৈ শুনাইছিলো। এতিয়া তাই অষ্ট্ৰেলিয়াত থাকে। যেতিয়া তাই ঘৰলৈ আহে, তেতিয়া মই তাইৰ বাবে কিনি থোৱা চান্দমামাৰ সংখ্যাবিলাক লৈ যায়।

চান্দমামাত প্ৰকাশ কৰা পঞ্চতন্ত্ৰৰ কাহিনীসমূহ বৰ মনোমুগ্ধকৰ। সেইবিলাকে পাঠকক কেৱল আনন্দই যে দিয়ে তেনে নহয়, সেইবিলাকৰ পৰা আমি নানা ধৰণৰ নীতি শিক্ষাও লাভ কৰিব পাৰো। মই বহুদিনৰ আগৰে পৰাই চান্দমামাৰ প্ৰতি থকা মোৰ অনুভৱ লিখি উলিওৱাৰ কথা ভাৱি আছিলো। কিন্তু এই কথা বুজি পোৱা নাছিলো যে সেয়া কিদৰে লিখো। তাৰপিছত যেতিয়া চান্দমামাত পাঠকৰ স্মৃতি প্ৰকাশিত হবলৈ ধৰিলে, মই সেইবিলাক পঢ়ি নিজৰ অনুভৱ লিখি উলিয়াবলৈ আৰু প্ৰেৰণ কৰিবলৈ সুবিধা পালো।

মাজতে কিছুদিনৰ বাবে যেতিয়া চান্দমামাৰ প্ৰকাশ বন্ধ হৈ পৰিছিল তেতিয়া মই বৰ দুখ পাইছিলো। চান্দমামাৰ পুণৰ প্ৰকাশত মই বৰ সুখী।

মই আশাকৰো চান্দমামা চিৰদিনৰ বাবে জীয়াই থাকিব। এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো। আপোনালোকে জানেনে যে যি ইংৰাজী শিকিব বিচাৰে, তেওঁলোকক মই কি উপদেশ দিও? মই তেওঁলোকক চান্দমামাৰ ইংৰাজী সংস্কৰণ পঢ়িবৰ বাবে অনুৰোধ কৰো। আমাৰ ওচৰতে এজনী চতুৰ্থ শ্ৰেণীত পঢ়া ছোৱালী আছিল। তাই তেলেগু পঢ়িব নোৱাৰিছিল। মই চান্দমামা ব্যৱহাৰ কৰি তাইক তেলেগু পঢ়িবলৈ শিকালো।

চান্দমামালৈ মোৰ শুভেচ্ছা থাকিল।



বেতাল কথা

সৰ্পমুখী

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে।

তেনেসময়তে শটোৰ মাজত বাস কৰা ভুতটো [illegible]ৰিলে, "মহাৰাজ বিক্ৰম, মই এই কথা বুজিব পৰা নাই যে তুমি এনে কষ্টকৰ কাম কৰাৰ দায়িত্ব কিয় লৈছা? তুমি যদি কোনো ইষ্ট দেৱতাক সন্তুষ্ট কৰি তেওঁৰ পৰা কিবা আৰ্শীবাদ লাভ কৰাৰ কথা চিন্তা কৰিছা, তেন্তে মই ভাৱো যে উচিত আৰ্শীবাদ বিচাৰিব পৰাকৈ তুমি জ্ঞানী। মই তোমাক এটা কাহিনী কম। এজন ৰজাই তেওঁৰ সাপমূৰীয়া জীয়েকক মানুহৰ ৰূপ দিবৰ বাবে সকলো ধৰণৰ চেষ্টা কৰিছিল। অৱশেষত তেওঁ যেতিয়া সৰ্পদেৱীৰ সাক্ষাৎ লাভ কৰিলে, তেওঁ সেই সুযোগ আন এটা সমস্যা সমাধান কৰিবৰ বাবেহে ব্যৱহাৰ কৰিলে। কাহিনীটো শুনি তুমি তোমাৰ কষ্ট পাতলাই তুলিব পাৰিবা।

জ্ঞানদিপীকা ৰাজ্যৰ ৰজা জীমূতবাহন আছিল এজন সক্ষম ৰজা। তেওঁ ৰাজ্যত নানা ধৰণৰ জনহিতকৰ আঁচনি আৰম্ভ কৰিছিল। প্ৰজাৰ সুখ-সুবিধা বৃদ্ধি কৰাটো আছিল তেওঁৰ প্ৰশাসনৰ এটা প্ৰধান লক্ষ্য।

ৰজা জীমূতবাহনৰ পত্নী ৰাণী চুড়ামণি দেৱী আছিল সকলো দিশৰে পৰা ৰজাৰ উপযুক্ত জীৱন-সংগিনী। তেওঁলোকৰ এটা পুত্ৰ সন্তান আছিল। ৰাজকুমাৰৰ নাম আছিল সন্দীপ আৰু তেওঁৰ বয়স আছিল পাঁচ বছৰ।

এবাৰ ৰাজ-দম্পত্তিয়ে ফুৰিবলৈ গৈ অৰণ্যৰ মাজত শিৱিৰ পাতিলে। সেইদিনা আবেলি, ৰজা আৰু ৰাণী তেওঁলোকৰ সন্তানক লৈ আৰাম কৰি আছিল। ৰাজকুমাৰ শুই আছিল। অলপ পৰৰ পিছত ৰাজদম্পত্তিৰো টোপনী আহিল। কিছুসময় পাৰ হৈ গ'ল। তম্বুৰ ফাকেদি সূৰ্যৰ পোহৰ আহি শুই থকা ৰাজকুমাৰৰ মুখত পৰিল। সেই সময়তে এটা ফেটি সাপ তম্বুৰ ভিতৰলৈ সোমাই আহিল। সি ৰাজকুমাৰ মুখত সূৰ্যৰ ৰশ্মি পৰি থকা দেখি নিজৰ ফণা মেলি ৰাজকুমাৰক ছাঁ দিবলৈ ধৰিলে।

হঠাতে ৰজাই চকু মেলি চাই দেখিলে যে পুত্ৰৰ মূৰৰ ওপৰত এটা ফেটি সাপে ফনা মেলি বহি আছে। তেওঁ বৰ ভয় খালে। তেওঁ ভাৱিলে যে সাপটোৱে ৰাজকুমাৰক দংশন কৰিব। লগে লগে কাষতে থকা তৰোৱাল লৈ তেওঁ সাপটোৰ মূৰটো কাটি পেলালে।

শব্দ শুনি ৰাণী সাৰ পাই উঠিল। তেওঁ গোটেই ঘটনাটোৰ কথা শুনি বৰ ভয় খালে। তাৰপিছত তেওঁলোকে প্ৰমোদ ভ্ৰমণ সিমানতে শেষ কৰি ৰাজপ্ৰসাদলৈ উভতি আহিল।

সেই ঘটনাৰ অলপ দিনৰ পিছতে ৰাণী চুড়ামণি দেৱী গৰ্ভৱতী হ'ল। সেই খবৰত ৰজাকে আদি কৰি সকলো লোক বৰ সুখী হ'ল।

ন মাহৰ পিছত, ৰাণীয়ে এজনী কণ্যা সন্তান প্ৰসৱ কৰিলে। প্ৰসৱত সহায় কৰা ধাত্ৰীসকল কণ্যা সন্তানটি দেখি ভয়ত একো নাই হ'ল। কিয়নো সেই সন্তানটিৰ দেহটো আছিল মানুহৰ আৰু মূৰটো আছিল সাপৰ।

ঘটনা গৈ সোনকালেই ৰজাৰ কাণত পৰিলগৈ। তেওঁ লগে লগে আহি সেই ঠাই পালেহি আৰু সাপৰ মূৰ থকা কণ্যা সন্তানটো দেখা পাই বৰ বেজাৰ পালে।

ঘটনাটো যাতে মানুহৰ মাজত বিয়পি নপৰে তাৰ বাবে তেওঁ সাৱধানতা অৱলম্বন কৰিলে।

ৰাজ্যৰ প্ৰজাই এই কথা জানিব পাৰিলে যে এজনী কণ্যা সন্তানৰ জন্ম হ'ল। কিন্তু ৰাজকুমাৰীৰ মূৰটোয়ে সাপৰ সেই কথা তেওঁলোকে গম নাপালে।

ৰাণীয়ে ভাৱিলে যে ৰজাই সেই ফেটি সাপটো হত্যা কৰাৰ বাবেই এনে ৰূপ লৈ ৰাজকুমাৰীৰ জন্ম হ'ল। তেওঁ নিজৰ চিন্তাৰ কথা ৰজাক কলে। ৰজাই এই পাপৰ পৰা মুক্তি লাভ কৰিবৰ বাবে নানা ধৰণৰ পুজা-পাৰ্বনৰ আয়োজন কৰিলে। কিন্তু ইমানবিলাক কৰাৰ পিছতো কোনো ফল নধৰিল।

ৰাজ জ্যোতিষীয়েও ৰাজকুমাৰীৰ ভৱিষ্যত গণনা কৰিবৰ বাবে সংকোচ কৰিলে। ৰজাই জোৰ দিয়াত তেওঁ কলে, ''মহাৰাজ, কণ্যাৰ জন্মৰ সময় অনুসৰি মই গণনা কৰি পাইছো যে অতি সোনকালেই ৰাজ্যত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হব।''

ৰাজদম্পত্তিয়ে ৰাজকুমাৰীৰ নাম থলে সৰ্পমূখী। ইয়াৰ অৰ্থ হ'ল যে সাপৰ দৰে মুখ। ৰজা জীমূতবাহনে তাৰপিছত নানা ঋষি-মুণিক লগ ধৰি ৰাজকুমাৰীক সুষ্ঠ কৰি তুলিবলৈ অনুৰোধ নকৰিলে। কিন্তু সকলোৱে এই কথা কলে যে এইটো সহজ নহব।

সৰ্পমুখী ডাঙৰ হৈ পাঁচ বছৰ বয়সীয়া হ'লহি। সেই সময়ত ৰাজ্য দূৰ্ভিক্ষৰ সন্মুখীন হৈছিল। বৰষুণ বন্ধ হৈ পৰিছিল, খেতিৰ মাটি শুকাই পৰিছিল। খোৱা পানীও পাবলৈ নাইকীয়া হৈছিল। ঘাঁহৰ অভাৱত ৰাজ্যৰ জীৱ-জন্তুও মৰিবলৈ আৰম্ভ কৰিছিল।

ৰজাই অনুভৱ কৰিলে যে ৰাজকুমাৰীৰ জন্মৰ পিছৰে পৰা ৰাজ্যৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে যাবলৈ আৰম্ভ কৰিছে। তেওঁ ৰাজ্যৰ প্ৰজাসকলৰ কথা ভাৱি চিন্তিত হৈ

গৈ দেৱীক আৰাধনা কৰি আপোনাৰ কৰ্মৰ বাবে ক্ষমা খোজে, নিশ্চয় ভাল ফল লাভ কৰিব।''

ৰজা জীমূতবাহনে ঋষি দিব্যচৰিতৰ ভৰি চুই কলে, ''হে ঋষিবৰ, আপুনি মোক বৰ বিপদত সহায় কৰিলে। আপোনাৰ ওচৰত মই চিৰজীৱন কৃতজ্ঞ হৈ থাকিম।''

এটা শুভ মূহূৰ্ত চাই জীমূতবাহনে ঘোঁৰাত উঠি অকলে অকলে নাগভৈৰৱ উপত্যকাৰ ফালে যাত্ৰা কৰিলে। তেওঁ এসপ্তাহ যাত্ৰা কৰাৰ পিছত গৈ সেই ঠাইত উপস্থিত হ'ল।

তেওঁ তাত সৰ্পদেৱীৰ মূৰ্তি এটা দেখা পালে। কাষতে থকা হ্ৰদটোত গা ধুই তেওঁ অলপমান ফুল সংগ্ৰহ কৰিলে। তৰপিছত সেই ফুল মূৰ্তিলৈ উচৰ্গা কৰি প্ৰাৰ্থনা আৰম্ভ কৰিলে।

''হে দেৱী, মই পুত্ৰৰ নিৰাপত্তাৰ প্ৰতি চিন্তিত হৈহে ফেটী সাপটোক বধ কৰিছিলো। সেয়া মোৰ বৰ ডাঙৰ ভুল আছিল। অনুগ্ৰহ কৰি সেই পাপৰ বাবে মোৰ শাস্তি দিয়ক। মোৰ কণ্যা আৰু প্ৰজাক শাস্তিৰ পৰা ৰেহাই দিয়ক। তেওঁলোক নিৰপৰাধী।''

তেনেতে আকাশৰ পৰা বিজুলী মৰাৰ দৰে এক তীব্ৰ পোহৰ ওলাল। তাৰপিছত মূৰ্তিৰ পৰা এই কথা শুনা গ'ল, ''হে ৰাজন, অনুশোচনাৰে পৰিপূৰ্ণ এখন হৃদয় লৈ তুমি মোৰ ওচৰত ক্ষমা বিচাৰিবলৈ অহা দেখি মই সন্তুষ্ট হৈছো। মই তোমাক ক্ষমা কৰিছো। তোমাক কি বৰ লাগে কোৱা?''

জীমূতবাহনে কলে, ''হে দেৱী, মোৰ ভূলৰ বাবে মোৰ কণ্যা সাপৰ মূৰ লৈ জন্ম হৈছে। অনুগ্ৰহ কৰি তেওঁক সাধাৰণ

পৰিল। ঠিক তেনে সময়তে দিব্যচৰিত নামৰ এজন ঋষিয়ে ৰজাক দেখা কৰিবলৈ বুলি ৰাজসভাত উপস্থিত হ'ল। তেওঁ ৰজাক কলে, ''মহাৰাজ, আপুনি ফেটি সাপটোক মাৰি পেলোৱাৰ বাবেই এনে অথন্তৰৰ সন্মুখীন হবলগীয়া হৈছে। সেই সাপটোৱে আপোনাৰ পুত্ৰক ৰ'দৰ পৰা ৰক্ষা কৰি আছিল। আপুনি লৰালৰিকৈ সিদ্ধান্ত লৈ সাপটোৰ মূৰ ছেদ কৰিলে। তাৰ ফল আপুনি আজি পৰ্যন্ত লাভ কৰি আছে। কিন্তু পৰিস্থিতিক পুণৰ ভাল কৰি তুলিবৰ বাবে মোৰ ওচৰত এটা উপায় আছে। আপুনি যদি মই কোৱাৰ দৰে কৰে, তেন্তে ৰাজ্যৰ পৰিস্থিতি পুণৰ ভাললৈ আহিব। ৰাজ্যৰ দক্ষিণ দিশত নাগভৈৰৱ উপত্যকা নামৰ এডোখৰ ঠাই আছে। তাত সৰ্পদেৱীৰ এটা মূৰ্তি আছে। সেইটো এই অঞ্চলৰ পুৰণি মূৰ্তিবিলাকৰ এটা। যদি আপুনি সেই ঠাইলৈ

মানুহৰ ৰূপ দিয়ক। লগতে, মোৰ ৰাজ্যৰ সকলো প্ৰজা দুৰ্ভিক্ষৰ কবলত পৰিছে। মোৰ ৰাজ্যত যাতে প্ৰচুৰ পৰিমাণে বৰষুণ হয় আৰু খাদ্যৰ অভাৱ আঁতৰি যায়। মোৰ এয়ে প্ৰাৰ্থনা।''

ৰজাৰ কথা শুনি দেৱীয়ে কলে, ''তোমাৰ দুটা প্ৰাৰ্থনাৰ কেৱল এটাহে মই পূৰ্ণ কৰিব পাৰিম। এবাৰ তুমি লৰালৰিকৈ সিদ্ধান্ত লোৱাৰ বাবে ফেটী সাপটোক বধ কৰিছিলা আৰু ফলত এনে এক পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হ'ল। সেইবাবে এবাৰ ভালকৈ ভাৱি মোক কোৱা যে মই তোমাৰ কোনটো ইচ্ছা পূৰণ কৰাটো তুমি বিচাৰা।''

জীমূতবাহনে ক্ষন্তেক ভাৱিলে আৰু কলে, ''হে দেৱী, মোৰ ৰাজ্যক দূৰ্ভিক্ষৰ পৰা মুক্ত কৰি দিয়ক।''

ৰজাৰ বৰ প্ৰাৰ্থনাত সৰ্পদেৱীয়ে কলে, ''তথাস্তু।''

জীমূতবাহনে সেই মূৰ্তিটোক সেৱা জনাই ঘৰলৈ উভতি আহিল। তেওঁ এই ভাৱি সুখী হ'ল যে তেওঁৰ এটা ইচ্ছা পুৰণ হ'ল। কিন্তু আনটো ইচ্ছা পুৰণ নোহোৱাকৈয়ে থাকি গ'ল। সেইবাবে তেওঁ কিছু অসন্তুষ্ট হ'ল।

ৰজা ৰাজ্যত উপস্থিত হোৱাৰ আগতেই বৰষুণ হবলৈ ধৰিলে। কেইবাদিনো ধৰি বৰষুণ হৈ থাকিল আৰু ফলত ৰাজ্যৰ সকলো মাটি পুণৰ সাৰুৱা হৈ উঠিল। চাৰিওদিশ ফলে ফুলে সুজলা সুফলা হৈ উঠিল। পুণৰ ৰাজ্যৰ সকলো প্ৰজাই মিলি জুলি সুখে-সন্তোষে বাস কৰিবলৈ ধৰিলে।

ঋষি দিব্যচৰিত পুণৰ ৰজাক লগ পাবলৈ আহিল। তেওঁ ৰজাৰ আগত এই প্ৰস্তাৱ কৰিলে যে তেওঁ সমস্যা সমাধান কৰিবৰ বাবে এটা শান্তিযজ্ঞ অনুষ্ঠিত কৰিব।

যজ্ঞ সমাপ্ত হোৱাৰ কিছুদিনৰ পিছতে ৰাজকুমাৰী সৰ্পমূখীৰ সৰ্পৰ দৰে মূৰ নাইকীয়া হ'ল আৰু তাৰ ঠাইত এক অতীৱ সুন্দৰী কণ্যাৰ মুখ দৃশ্যমান হ'ল।

ঘটনা দেখি ৰাজদম্পত্তি আনন্দত একো নাই হ'ল। ৰজাই ঋষি দিব্যচৰিতক সন্মান জনাব বিচাৰিলে। তেতিয়া দিব্যচৰিতে কলে, ''মহাৰাজ, আপোনাৰ তুলনাত মোৰ একো মহানতা নাই। মোক আপুনি কিয় সন্মান যাচিব বিচাৰিছে?'' এইবুলি কৈ ঋষি দিব্যচৰিতে ৰাজসভাৰ পৰা বিদায় ললে।

ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ''হে ৰাজন, লৰালৰিকৈ সিদ্ধান্ত গ্ৰহণ কৰি ৰজা জীমূতবাহনে ফেটি সাপৰ মূৰটো কাটি পেলাছিল। তাৰপিছত সৰ্পদেৱীয়ে সাৱধান

কৰি দিয়াৰ পিছতো তেওঁ পুণৰ লৰালৰিকৈ সিদ্ধান্ত লৈ তেওঁ ৰাজ্যৰ প্ৰজাগণক দূৰ্ভিক্ষৰ পৰা মুক্তি দিবৰ বাবে প্ৰাৰ্থনা কৰিছিল। তেওঁ কিয় এনে কৰিলে? তেওঁ এয়া ভাৱিছিল নেকি যে তেওঁৰ এটা সন্তান সুস্থ সৱল আৰু সেইবাবে আনটো সন্তানৰ কথা চিন্তা নকৰিলেও হব? ঋষি দিব্যচৰিতে নিজেই ৰজা জীমূতবাহনক শান্তি যজ্ঞ কৰাৰ প্ৰস্তাৱ দিলে যাতে ৰাজকুমাৰী পুণৰ সুস্থ হৈ উঠে। তুমি নাভাৱানে যে ঋষি দিব্যচৰিত অধিক সন্মান লাভ কৰাৰ যোগ্য আছিল। শেষত তোমাক আৰু এটা কথা সুধিব বিচাৰিছো। সেয়া হ'ল, মই এই কথাত আচৰিত হৈছো যে কি কথাৰ বাবে ঋষিয়ে ৰজাৰ মহানতাক নিজৰ মহানতাতকৈ অধিক বুলি মন্তব্য প্ৰকাশ কৰিলে? এই কথাত তুমি অকণো আচৰিত হোৱা নাইনে?''

বেতালৰ প্ৰশ্ন শুনি ৰজা বিক্ৰমে উত্তৰ দিলে, ''হে বেতাল, ৰজা জীমূতবাহনে তেওঁৰ ৰাজ্যৰ প্ৰজাৰ প্ৰতি থকা তেওঁৰ কৰ্তব্য পালন কৰিলে। এজন ৰজাই নিজৰ ৰাজ্য আৰু ইয়াৰ প্ৰজাসকলক নিজৰ পৰিয়ালতকৈ অগ্ৰাধিকাৰ দিয়া উচিত। ৰজাৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ সৰ্পদেৱীয়ে কৈছিল যে তেওঁ ৰজাৰ দুটা ইচ্ছাৰ ভিতৰত কেৱল এটাহে পূৰ্ণ কৰিব পাৰিব। আৰু তেওঁ ৰজাক যিকোনো এটা বাচি লববৈ কৈছিল। দেৱীয়ে আচলতে ৰজা জীমূতবাহনৰ ৰাজ্য আৰু প্ৰজাৰ প্ৰতি থকা দায়বদ্ধতাৰ পৰীক্ষা লব খুজিছিল।

সাধাৰণ মানুহৰ কথা বাদেই, আনকি ঋষি মুণিয়েও স্বাৰ্থ বিসৰ্জন দিবৰ বাবে কষ্ট কৰিবলগীয়া হয়। কিন্তু ৰজা জীমূতবাহনে তেওঁৰ মহানতাৰ প্ৰমাণ দি নিজৰ স্বাৰ্থতকৈ ৰাজ্য আৰু প্ৰজাৰ স্বাৰ্থক আগস্থান দিলে। তেওঁ নিজৰ কণ্যাৰ সুস্থতা কামনা কৰিছিল, কিন্তু তথাপিও তেওঁ নিজৰ স্বাৰ্থক জলাঞ্জলি দিলে। এয়া সহজ নাছিল। এই কাৰণৰ বাবেই ঋষি দিব্যচৰিতে ৰজাৰ প্ৰশংসা কৰিছিল।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি এইদৰে বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ'লগৈ।

– এন শিৱ নাগেশ্বৰ ৰাও





ধৰ্মাচৰণ

তেতিয়া ব্ৰহ্মদত্ত আছিল কাশীৰ ৰজা। বোধিসত্ত্ব সেইকালত ইন্দ্ৰপ্ৰস্থ নগৰত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ নাম আছিল ধনঞ্জয়। ধনঞ্জয় আছিল কুৰুৰ ৰজা। ধনঞ্জয়ৰূপী বোধিসত্ত্বৰ ৰাজত্বকালত ইন্দ্ৰপ্ৰস্থত অনাবৃষ্টি বা অতিবৃষ্টি, বানপানী, মাউৰ আদি বিধ্বংসী, প্ৰলয়ংকৰ কাণ্ডবোৰ কেতিয়াও হোৱা নাছিল।

ধনঞ্জয়ৰ ৰাজত্বকালত ধৰ্মৰ প্ৰসাৰতা ঘটিল। প্ৰজাবৰ্গই সুখে সন্তোষেৰে দিন যাপন কৰি থাকিল। তাৰ ফলত সমগ্ৰ জগততে ৰজা ধনঞ্জয়ৰ সুনাম বিয়পি পৰিল।

তেতিয়াৰ দিনত কলিংগ দেশৰ ৰাজধানী আছিল দন্তপুৰ নগৰ। ৰজাৰ নাম কলিংগ। এবাৰ সেই দেশত অনাবৃষ্টিয়ে দেখা দিলে। নিকৰুণ খৰে শস্য নষ্ট কৰি পেলালে। খাদ্যৰ অভাৱত হাজাৰ হাজাৰ লোকৰ মৃত্যু হ'ল।

এই অৱস্থাত ৰজা কলিংগ উদভ্ৰান্ত হৈ উঠিল। তেওঁ তেওঁৰ মন্ত্ৰীসকলক ক'লে, "এই বছৰত আমাৰ দেশত দেখা দিয়া খৰাং বতৰৰ সম্ভাব্য কাৰণ কি হ'ব পাৰে? আমি কেনেকৈ এই সমস্যাৰ সমাধান কৰিব পাৰোঁ তাৰ কিবা এটা সঠিক উপায় তুৰন্তে বিচাৰি উলিয়াব লাগিব।"

"মহাৰাজ, ধৰ্মৰ অভাৱ ঘটিলেহে এনেবোৰ ঘটনা ঘটে। ইন্দ্ৰপ্ৰস্থৰ ৰজা ধনঞ্জয়ে যোগ্যতাৰে দেশ শাসন কৰিছে, কিয়নো, দেশ শাসনৰ লগে লগে তেওঁ শ্ৰদ্ধাৰে ধৰ্মপালনো কৰিছে। ধৰ্মৰ আশ্ৰয়ভূমি সেই দেশত যেতিয়াই আৱশ্যক তেতিয়াই প্ৰকৃতিয়ে বৰষুণ দিয়ে, শস্যৰো কেতিয়াও অভাব নঘটে।" মন্ত্ৰীসকলে ক'লে।

"তেনেহ'লে অনতিপলমে ৰজা ধনঞ্জয়ৰ ওচৰলৈ যাওক আৰু তেওঁ কেনেকৈ ধৰ্ম প্ৰচাৰ কৰে শুনি আহকগৈ। তেওঁ যিবোৰ ধৰ্মবাণী প্ৰচাৰ কৰে, সেইবোৰ সোণৰ পাতৰ ওপৰত লিখি লৈ আহক। মই সেই বাণী প্ৰচাৰ কৰি আমাৰ দেশক সমৃদ্ধ কৰি তুলিম।" ৰজা কলিংগই ক'লে।

কলিংগ ৰজাৰ নিৰ্দেশ অনুসাৰে মন্ত্ৰীবৰ্গ

'জাতকৰ কথা'

বাণী উনুকিয়াই দিয়াৰ ক্ষমতা মোৰ নাই। আমাৰ দেশত তিনি বছৰৰ বাদে বাদে এবাৰকৈ কাৰ্তিকে উৎসৱ অনুষ্ঠিত হয়। সেই উৎসৱৰ কালছোৱাত পুখুৰীৰ ঘাটত যজ্ঞানুষ্ঠান কৰিব লাগে। তেতিয়া চাৰিওফালে চাৰিপাট কাঁড় এৰিব লাগে। ময়ো চাৰিপাট কাঁড় এৰিছিলোঁ, চাৰিপাটৰ মাজত তিনিপাট পাছত ঘূৰাই পাইছিলোঁ। কিন্তু এপাট কাঁড় পুখুৰীৰ পানীত পৰিলগৈ। সেইপাট কাঁড়েৰে নিশ্চয় কিছুমান মাছ আৰু ভেকুলীও মৰিছিল। গতিকে মোৰ ৰাজ্যত ধৰ্ম সুৰক্ষিত বুলি আপোনালোকে হাজাৰবাৰ ক'লেও মই কথাটো আখৰে আখৰে মানি ল'ব নোৱাৰোঁ।"

ৰজা ধনঞ্জয়ৰ কাষ চাপিল আৰু ক'লে, "মহাৰাজ, আমি কলিংগ দেশৰ পৰা আহিছোঁ। আমাৰ দেশত অনাবৃষ্টিৰ ফলত শস্যহানি তথা অসংখ্য প্ৰাণহানিও হৈছে, প্ৰজাবৰ্গৰ দুখ কষ্টৰ শেষ নোহোৱা হৈছে। আপুনি আপোনাৰ দেশৰ ধৰ্মৰক্ষা কৰি শাসন কৰা বাবে আপোনাৰ প্ৰজাবৰ্গই সুখত জীৱন যাপন কৰিছে। আপুনি আপোনাৰ ৰাজ্যত যি ধৰ্মবাণী প্ৰচাৰ কৰিছে সেই বাণীসমূহ যদি এই সোণৰ পাতসমূহত দয়া কৰি লিখি দিয়াৰ ব্যৱস্থা কৰে, তেনেহ'লে আমাৰ দেশৰ প্ৰজাবৰ্গৰ মাজত আপোনাৰ সেই মহান ধৰ্মবাণীসমূহ প্ৰচাৰ কৰি আমি তেওঁলোকৰ মহৎ উপকাৰ কৰিব পাৰোঁ।"

ধনঞ্জয়ে হাতযোৰ কৰি কলিংগৰ মন্ত্ৰীসকলক ক'লে, "হে মন্ত্ৰীসকল, মোক ক্ষমা কৰক। এসময়ত ময়ো অধৰ্মৰ কাৰ্য্য কৰিছিলোঁ। গতিকে, এই সোণৰ পাতত ধৰ্মৰ

ৰজা ধনঞ্জয়ৰ এই কথা শুনি কলিংগৰ মন্ত্ৰীবৰ্গই অসহায় বোধ কৰিবলৈ ধৰিলে। তেওঁলোক ৰাজমাতৃ মায়াদেৱীৰ ওচৰলৈ গ'ল। সকলো বিষয় অকপটে বৰ্ণনা কৰি তেওঁলোকে ৰাজমাতৃক ক'লে, "অনুগ্ৰহ কৰি আপুনি যদি এই সোণৰ পাতত ধৰ্মবাণীসমূহ লিখি দিয়ে, তেনেহ'লে আমি আমাৰ দেশত সেই বাণী প্ৰচাৰ কৰিব পাৰিম।"

ৰাজমাতৃয়ে আচৰিত হৈ ক'লে, "তোমালোকে কি কৈছা...! মই নিজে ধৰ্ম পালন কৰিব পাৰিছোঁনে যে তোমালোকক ধৰ্ম বাণী লিখি দিম? এবাৰ কি হ'ল শুনা। মোৰ ডাঙৰ ল'ৰাটোৱে এবাৰ এধাৰ সোণৰ হাৰ মোৰ ওচৰত থৈ দিলে। মই বৰ বোৱাৰীৰ হাৰডাল সৰু বোৱাৰীক দিলোঁ, গতিকে হাৰডাল কোনেও বিচাৰি নাপালে। কিন্তু তাৰ পাছত মোৰ নিজৰ মনতে প্ৰশ্ন জাগিল: মই এই পক্ষপাতিত্ব কিয় কৰিলোঁ?

তাৰ পাছত মন্ত্ৰীসকল গ'ল ৰাজভাতৃ নন্দৰ ওচৰলৈ। সকলো কথা শুনি ৰাজভ্ৰাতা নন্দই ক'লে, "মই প্ৰতিনিশা ৰথত উঠি অন্তে ষপুৰলৈ যাওঁ। কেতিয়াবা কেতিয়াবা তাতে থাকোঁ। মই মোৰ সৌকাডাল যেতিয়া ৰথতে থৈ যাওঁ, তেতিয়া ৰথৰ চালকে এই কথা বুজি পায় যে মই ৰাতি অন্তেষপুৰত নাথাকোঁ। তেতিয়া ৰথৰ চালকে মোৰ কাৰণে অপেক্ষা কৰিছিল। আৰু মই সৌকাডাল লৈ গুচি গ'লে সিও গুচি গৈছিল। এদিন সৌকাডাল ৰথত এৰি থৈ অন্তেষপুৰলৈ গুচি গ'লোঁ। কিন্তু ইমান ধাৰাসাৰ বৰষুণ দিছিল যে মই উভতি আহিব পৰা নাছিলোঁ। বেচেৰা ৰথৰ চালকে বৰষুণত তিতি জুৰুলি জুপুৰি হ'ল। এতিয়া কওক, তাক এইদৰে কষ্টত পেলাই মই অধৰ্ম কৰা নাছিলোঁনে?"

তাৰ পাছত কলিংগৰ মন্ত্ৰীবৰ্গ ৰাজপুৰোহিতৰ কাষ চাপিল। কিন্তু পুৰোহিতেও ধৰ্মৰ বাণী লিখি নিদিয়া হ'ল। তেওঁ ক'লে, "মই এদিন সোণৰ চকা লগোৱা ৰথ এখন দেখা পাই লুব্ধ দৃষ্টিৰে সেই চকাবোৰৰ পিনে চাইছিলোঁ। তেতিয়া ৰজাই মোক ক'লে, 'আপুনি এই ৰথখন লওক।' মোৰ লোভলগা ঘৃণিত দৃষ্টিৰ কথা ৰজাই নিশ্চয় বুজি পাইছিল। গতিকে অধৰ্মাচৰণ ময়ো নকৰা নহয়।"

অৱশেষত কলিংগৰ মন্ত্ৰীবৰ্গ ইন্দ্ৰপ্ৰস্থৰ মন্ত্ৰীৰ ওচৰলৈ গ'ল। কিন্তু মন্ত্ৰীয়েও সোণৰ পাতত ধৰ্মৰ বাণী লিখি দিবলৈ মান্তি নহ'ল। তেওঁ ক'লে, "এবাৰ এজন খেতিয়কৰ মাটি জুখিবলৈ ধৰোঁতে দেখিলোঁ যে খাল এটাৰ এইফালে খুটা পুতিলে খেতিয়কজনৰ ক্ষতি হ'ব আৰু সিফালে খুটা পুতিলে ৰজাৰ ক্ষতি। তেতিয়া খালৰ মাজভাগত খুটা পুতিবলৈ গৈ মই এটা প্ৰাণীহত্যা কৰি পেলালোঁ। গতিকে, প্ৰাণী হত্যাকাৰী হৈ মই ধৰ্মৰ কথা লিখিম কেনেকৈ আপোনালোকেই কওক।"

আটাইবোৰ কাহিনী সোণৰ পাতত লিখি লৈ গ'ল কলিংগৰ মন্ত্ৰীসকলে। কলিংগৰ ৰজাই বুজিলে যে ধৰ্মৰ প্ৰতি শ্ৰদ্ধা পোষণ কৰি আত্মসমালোচনাৰ যোগেদি জীৱন যাপন কৰাটোৱেই হ'ল ধৰ্মৰক্ষা।

কলিংগৰ ৰজাই এই আচৰণ কৰাৰ ফলত তেওঁৰ ৰাজ্যৰ সহজ সৰল প্ৰজাবৰ্গই সুখে সন্তোষে জীৱন যাপন কৰিছিল।



কৃতজ্ঞতা

এসময়ত সীতানগৰ নামৰ গাৱঁত দুজন বন্ধুৱে বাস কৰিছিল। তেওঁলোকৰ নাম আছিল সীতাৰাম আৰু ৰামলাল। তেওঁলোকৰ জন্ম সেই ঠাইতে হৈছিল আৰু তাতে ডাঙৰ–দীঘলো হৈছিল। পঢ়া–শুনাও দুয়ো একেলগেই কৰিছিল।

সীতাৰামৰ দেউতাক আছিল খেতিয়ক। তেওঁৰ নিজৰ বুলিবলৈ পাঁচ পুৰা খেতিৰ মাটি আছিল। তাতে খেতি কৰি তেওঁ পৰিয়ালৰ ভৰণ–পোষণ কৰিছিল। তেওঁ সাধাৰণভাৱে জীৱন যাপন কৰিছিল। প্ৰয়োজনত আনক সহায় কৰিছিল। আনক সহায় কৰাৰ শিক্ষা সীতাৰামক সৰুৰে পৰাই দেউতাকে দিছিল। সীতাৰামেও আনক সহায় কৰিছিল।

ৰামলালৰ দেউতাক আছিল এজন ব্যৱসায়ী। গাৱঁত থকা দোকান এখনৰ তেওঁ মালিক আছিল। তেওঁ আছিল বৰ ধনৰ লুভীয়া আৰু কৃপণ। টকা–পইছা একেবাৰে খৰচ নকৰিছিল। ৰামলালেও দেউতাকৰ গুণেই পাইছিল। তেৰো ধনৰ লুভীয়া আছিল।

ডাঙৰ হোৱাৰ পিছত ৰামলালে দেউতাকৰ ব্যৱসায়ৰ কামত যোগ দিলে। কিন্তু এটা কথা কোৱা ভাল হব যে তেওঁ দেউতাকৰ দৰে অতি কৃপণ নাছিল। কিন্তু তেওঁ কেতিয়াও আনক সহায় নকৰিছিল। আনকি তেওঁ দোকানৰ কোনো গ্ৰাহকক কেতিয়াও কোনো বস্তু বাকীকৈ নিদিছিল।

কিন্তু যেতিয়াই ৰামলালৰ কিবা বস্তুৰ প্ৰয়োজন হৈছিল, তেতিয়াই তেওঁ বন্ধু সীতাৰামক কৈছিল। সীতাৰামে নিজৰ সামৰ্থ অনুযায়ী নিজৰ বন্ধুক সহায় কৰিছিল।

এবাৰ ৰামলালৰ জীয়েকে সন্তান প্ৰসৱ কৰাৰ সময় আহিল। সেই কাৰ্য সমাধা কৰিবৰ বাবে ৰামলালে এগৰাকী ধাত্ৰী বিচাৰি আনিলে। পৰীক্ষা কৰি চোৱাৰ পিছত সেই ধাত্ৰীয়ে কলে যে গৰ্ভত সন্তানৰ

এন উমা মহেশ্বৰ ৰাও

অৱস্থান বৰ সুবিধাজনক নহয়। সেইবাবে ৰামলালে তেওঁৰ কণ্যাক সোনকালে নগৰৰ চিকিৎসকৰ ওচৰলৈ লৈ যোৱা উচিত।

এই কথা শুনা পাই ৰামলাল গৈ বন্ধু সীতাৰামৰ ওচৰ পালেগৈ। তেওঁ জীয়েকক নগৰৰ চিকিৎসকৰ ওচৰলৈ লৈ যাবৰ বাবে সীতাৰামৰ গৰুগাড়ীখন বিচাৰিলে। সীতাৰামে সেইদিনা খেতিৰ বাবে কিবা প্ৰয়োজনীয় বস্তু কঢ়িয়াই আছিল। কিন্তু তেওঁ সেয়া বাদ দি ৰামলালৰ জীয়েকক নগৰৰ চিকিৎসকৰ ওচৰলৈ লৈ যোৱাত সহায় কৰিলে।

তেওঁৰ এনে সহায়ৰ ফলত, ৰামলালৰ জীয়েকে নগৰত সুকলমে এটা সন্তান জন্ম দিলে। মাক আৰু সন্তান দুয়ো কোনো বিপদৰ সন্মুখীন নহ'ল। ঘটনা দেখি ৰামলাল বৰ সুখী হ'ল। কিন্তু তেওঁক কৰা সহায়ৰ বাবে সীতাৰামক এবাৰো ধন্যবাদ নজনালে।

তাৰ কিছুদিনৰ পিছত ৰামলালৰ পুতেক নৰিয়াত পৰিল। ফলত পুতেকৰ চিকিৎসাৰ বাবে ৰামলালক কিছুমান বনৌষধিৰ প্ৰয়োজন হ'ল। তেওঁ লগে লগে সীতাৰামৰ কথা ভাৱিলে। এজন খেতিয়ক হোৱাৰ বাবে সেইবিলাক বনৌষধিৰ সম্বন্ধে সীতাৰামৰ কিছু জ্ঞান আছিল। ৰামলালে সেইদিনাই সীতাৰামক লগ ধৰি সহায় বিচাৰিলে।

সেইদিনাও সীতাৰাম নিজৰ খেতি-পথাৰত কিবা কামত ব্যস্ত হৈ আছিল। তেওঁ সেই মূহুৰ্তত সাৰ কিনিবৰ বাবে নগৰলৈ যাবলৈ সাজু হৈছিলহে। কিন্তু



তেনে অৱস্থাত তেওঁ চিন্তা কৰিলে যে বন্ধুক সহায় কৰা বেছি প্ৰয়োজনীয়। তেওঁ নিজৰ কাম তাতে এৰি ৰামলালক সহায় কৰিবৰ বাবে বনৌষধি বিচাৰি গ'ল। নিজৰ কাম তেওঁ পিছদিনাখন সম্পূৰ্ণ কৰিলে।

তাৰ কিছুদিনৰ পিছত সীতাৰামৰ পুতেকে নগৰৰ এখন সোণাৰীৰ দোকানত এটা চাকৰি পালে। কিন্তু দোকানৰ মালিকে সীতাৰামৰ পুতেকক কলে যে তেওঁ গা-ধন হিচাপে ২৫ হেজাৰ টকা জমা থোৱা প্ৰয়োজন। ইমান বেছি ধন সীতাৰামৰ ওচৰত নাছিল।

শস্য বিক্ৰী কৰি সেই ধন দিবৰ বাবে শস্য কাটিবৰ হোৱা নাছিল। ইফালে এসপ্তাহৰ ভিতৰতে সেই পৰিমাণৰ টকা যোগাৰ কৰিব লাগেই।

কিদৰে ইমান ধন যোগাৰ কৰিব পৰা যায়, সীতাৰামে সেই কথা চিন্তা কৰিবলৈ

ধৰিলে। তেওঁ সহায় বিচাৰি ৰামলালৰ ওচৰ পালেগৈ। তেওঁ ইতিমধ্যেই বহুবাৰ ৰামলালক সহায় কৰি থৈছিল।

কিন্তু সীতৰামৰ কথা শুনাৰ পিছত ৰামলালে কলে, "কি কৰা বন্ধু, মোৰ ওচৰত এতিয়া বেছি টকা নাই। তোমাৰ ওচৰত যদি বন্ধক দিবৰ বাবে কিবা বস্তু আছে তেন্তে আমি নগৰৰ কাৰোবাৰ পৰা ধাৰলৈ লব পাৰো।"

ৰামলালৰ কথা শুনি সীতাৰাম বৰ সুখী নহ'ল। তেওঁ নিজৰ আত্মীয়ৰ পৰা ধাৰ কৰি সেই টকা যোগাৰ কৰিলে আৰু পুতেকে চাকৰিটো লাভ কৰিলে। কিন্তু ৰামলালৰ ব্যৱহাৰৰ কথা ভাৱি তেওঁ বৰ দুখ পালে।

কিছুদিন পাৰ হৈ গ'ল। এদিন সীতাৰামে হঠাতে তেওঁ আৰু ৰামলালৰ শৈশৱৰ বন্ধু বীৰক লগ পালে। বীৰে সীতাৰামক ৰামলালৰ কথা সুধিলে, "ৰামলালৰ কি খবৰ? তেওঁ এতিয়াও আগৰ দৰেই আছেনে?"

সীতাৰামে ৰামলালৰ লগত হোৱা নিজৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি বীৰক কলে, "মই এই কথা বুজি পাইছো যে তেওঁ কিবা কাৰণত মোক সহায় নকৰিলে। কিন্তু মই তেওঁক কেইবাবাৰো সহায় কৰাৰ পিছতো তেওঁ মোক ধন্যবাদ এটাও নিদিলে।"

সীতাৰামৰ কথা শুনি বীৰে খুব হাঁহিলে। হাঁহিৰ কাৰণ সীতাৰামে বুজিব নোৱাৰিলে।

বীৰে কলে, "তোমাৰ পৰা সহায় লাভ কৰোতাজন তোমাৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত। তেনে নকৰালৈকে তেওঁ আচলতে শান্তি পাব নালাগে। তুমি কিয় এই ভাৱি অশান্তি পাই আছা যে তেওঁ তোমাক ধন্যবাদ নজনালে। তুমি পেশাগতভাৱে এজন কৃষক। আনক সহায় কৰাটো তোমাৰ স্বভাৱ। গতিকে যিমান পাৰা সহায় কৰা। কিন্তু প্ৰতিদান একো আশা নকৰিবা। ৰামলাল হ'ল এজন ব্যৱসায়ীৰ সন্তান। তেওঁ কেৱল লাভৰ কথাহে চিন্তা কৰিব পাৰে। তেওঁ আৰু তোমাৰ মাজত পাৰ্থক্য আছে। সেই পাৰ্থক্য তুমি বুজি পোৱা দৰকাৰ।"

বীৰৰ কথা সীতাৰামে বুজি পালে। তেওঁ এবাৰ প্ৰাণ খুলি হাঁহি উঠিল।

সুধাকৰৰ শিক্ষা

পাচলি বেপাৰী গংগাধৰৰ লগত সুধাকৰ নামৰ এজন যুৱকে অলপতে কাম কৰিবলৈ ল'লে। তেওঁ বৰ মনপুতি কাম কৰিবলৈ ধৰিলে। সোনকালেই তেওঁ মালিকৰ প্ৰশংসা পালে।

কিন্তু সুধাকৰৰ কেতিয়াবা অনাহকতে খং উঠিছিল। যেতিয়া গ্ৰাহকে অলপ বেছি দৰ-দাম কৰি থাকে তেতিয়া তেওঁ কৈ উঠে, "যাওক, যাওক, আপুনি বেচা-কিনা কৰিবই নাজানে।"

গংগাধৰে তেওঁক বহুত বুজালে যদিও সুধাকৰে খং উঠা আৰু চিঞৰ-বাখৰ কৰাৰ অভ্যাস এৰিব নোৱাৰিলে। সেই গাৱঁৰে এজন গণ্যমান্য লোক আছিল ভদ্ৰকান্ত। এদিন সুধাকৰে ভদ্ৰকান্তৰ কাম কৰা ছোৱালীজনীয়ে পাচলি ল'বলৈ আহোঁতে টান কথা শুনালে। ভদ্ৰকান্তই এই কথা গংগাধৰক জনালে। গংগাধৰে বাধ্য হৈ সুধাকৰক কামৰ পৰা উলিয়াই দিলে।

হতাশ হৈ সুধাকৰে দুদিনৰ পিছত গংগাধৰৰ ওচৰত গৈ কুটুৰিবলৈ ধৰিলে। কিন্তু গংগাধৰে টানকৈ ক'লে, "শুনিছনে নাই, ওলাই যা ইয়াৰ পৰা!" সুধাকৰৰ চকু পানীৰে ভৰি পৰিল। সি ঘূৰি আহিবলৈ ওলাওঁতেই গংগাধৰে ক'লে, "শুন সুধাকৰ, এইফালে আহ।"

সুধাকৰে আগবাঢ়ি গৈ তেওঁৰ সমুখত থিয় হ'ল। তেতিয়া গংগাধৰে তাক মিঠা মাতেৰে ক'লে, "এতিয়া তই কথাটো বুজি পালিনে? কাকোৱেই কঠুৱা সুৰেৰে কথা ক'ব নালাগে। যদি এনে কৰ, তেন্তে শুনা জনৰ মনত কিমান অপমানৰ আঘাত লাগে গম পাইছনে?"

সুধাকৰৰ নিজৰ ব্যৱহাৰৰ কথা মনত পৰি নিজৰে লাজ লাগিল। কঠুৱা ব্যৱহাৰে দিয়া দুখ সি বুজি পালে। হাত যোৰ কৰি বিনয়ৰ সুৰত সি ক'লে, "ডাঙৰীয়া, মই এতিয়া এই দুখ বুজি পাইছো।"

"এতিয়াৰ পৰা মই তোক বিশ্বাস কৰিম। এতিয়া কামত লাগি যা।" গংগাধৰে ক'লে।

পঞ্চতন্ত্ৰৰ সাধু

তাৰ পিছৰে পৰা কাউৰী আৰু এন্দুৰৰ মাজত প্ৰতিদিনেই দেখা-দেখি হৈছিল। এন্দুৰে কাউৰীৰ সুখ-দুখৰ কথা শুনিছিল আৰু কাউৰীয়ে শুনিছিল এন্দুৰৰ ভাল-বেয়াৰ কথা। ক'ৰবাত কোনোবাৰ ঘৰত সবাহ হলে, বিধে বিধে ৰন্ধা-বঢ়া হলে কাউৰীয়ে তাৰ পৰা মাংস, ভাত আদি ঠোঁটেৰে বুটলি আনি এন্দুৰক খুৱাইছিল। ঠিক তেনেকৈয়ে ৰাতিৰ পৰত খেতি পথাৰৰ পৰা অনা ধানৰ কিছুখিনি কাউৰীক এন্দুৰে খাবলৈ দিছিল। এইদৰে সিঁহতৰ মাজৰ সম্পৰ্ক বৰকৈ শিপাবলৈ ধৰিলে।

দেৱতাসকললৈও মানস কৰিব লাগে। নানান ধৰণৰ উপাচাৰেৰে দেৱতাসকলকো পুজিব লাগে, নহলে তেৰাসৱেও ভাল নাপায়। আৰু ভাল নাপালে দেৱতাসকলৰ পৰাও বৰ বা আশীৰ্বাদ পোৱা নাযায়। দিয়া-নিয়া চলি থকালৈকে গৰুৰ পোৱালী গাইজনীৰ লগতেই থাকে। কিন্তু যেতিয়া গাইৰ ওহাৰত গাখীৰ নাইকীয়া হয়, তেতিয়া নিজৰ পেটৰ পোৱালীও কাষ নচপা হয়। এয়াই জগতৰ ৰীতি।

এই ধৰণে দিয়া-নিয়াৰ যোগেদি শত্ৰুক আপোন কৰি লব পাৰি। মিত্ৰ কৰি লব পাৰি। জীৱ-জন্তুবিলাকৰ মাজত খোৱাবস্তু দিয়া-নিয়াৰ যোগেদি সম্পৰ্ক আৰু ভালকৈ গঢ়ি উঠে।

এদিন কাউৰীয়ে উচুপি উচুপি এন্দুৰক কলে, "বন্ধু হিৰণ্যক, সৰহদিন আৰু আমি এনেদৰে কথা পাতিব নোৱাৰিম। অলপ দিনৰ পিছতেই মই এই ৰাজ্য এৰি গুচি যাম। তাৰপিছত হয়তো আমাৰ দেখা-দেখি নহবও পাৰে।"

"কিয়?", কাউৰীৰ কথাত আচৰিত হৈ এন্দুৰে সুধিলে।

মিত্ৰ লাভ - ৪

‘‘এই ৰাজ্যত পানীৰ বৰ অভাৱ হৈছে। তাৰ কাৰণে মানুহৰ মাজত হাঁহাকাৰ লাগিছে। পুজা-পাতল বন্ধ। উছৱ-পৰবো বন্ধ। এইবিলাক চলি থাকিলেহে আমি খাবলৈ পাও। ইফালে বৰষুণ নিদিয়াৰ বাবে মানুহে খেতি-বাতি কৰিব নোৱাৰা হৈছে। এতিয়া মানুহে হাতৰ ওচৰত যি পায়, তাকে ধৰি খায়। চৰাই-চিৰিকটিও ধৰি খাইছে। বহুতে ঘৰত চৰাই ধৰি সাঁচি থৈ দিছে। আটাইবিলাককে একেলগে নাখাই এটা এটাকৈ খাইছে। ইমানবোৰ চৰাই ধৰা পৰা দেখি মই অলপ ভয় খাইছো। তোমাৰ ওচৰলৈ অহাৰ আগতে মই এজন মানুহৰ হাতত পৰাৰ পৰা কথমপিহে সাৰি আহিছো। এইদৰে তিষ্ঠিব পাৰি নেকি? এইখন দেশত নিৰাপত্তাৰ অভাৱ হৈছে। গতিকে এই দেশ এৰি গুচি যোৱাটোৱেই ভাল হব বুলি ভাৱিছো।’’ কাউৰীয়ে কলে।

‘‘কলৈ যাবা ভাৱি চাইছানে?’’ এন্দুৰে কাউৰীক সুধিলে।

‘‘দক্ষিণৰ দেশলৈ। মহাৰণ্যৰ সোঁমাজত এটা সৰোবৰ আছে। তাতে আছে মোৰ এজন বন্ধু। তাৰ লগত মোৰ বহু কাল বন্ধুত্ব। গভীৰ বন্ধুত্ব। সি হ'ল এটা কাছ। তাৰ নাম মন্দৰক। আগতে সি মোক মাছ খাবলৈ দিছিল। এতিয়া গলেও নিশ্চয় আগৰ দৰেই মাছ

ধৰি খুৱাব। তাৰ ওচৰলৈ গলে মোৰ দুখ-কষ্টৰ ওৰ পৰিব। ইয়াত মই নানান কৌশল আৰু কষ্ট কৰি আৰু কিছুদিন কটাব পাৰো। কিন্তু মানুহবোৰে যিদৰে চৰাই ধৰি খাইছে, সেয়া আৰু মই সহ্য কৰিব নোৱাৰা হৈছো। সেই দক্ষিণ দেশলৈ বহু দূৰ বাট। তুমি হয়তো ইমান দূৰৰ দেশলৈ যোৱাটো উচিত নহয় বুলি কবা। কিন্তু মন-শক্তিশালী হলে দূৰত্ব কোনো বাধা হৈ উঠিব নোৱাৰে। মই এই ৰাজ্য এৰি যাবলৈ অলপো দুখ নাপাও। যিখন দেশত দুৰ্ভিক্ষই দেখা দিয়ে, যিখন দেশত আত্মীয়-কুটুমসকল মৰে, সেইখন দেশৰ প্ৰতি কিহৰ মৰম? এনে দেশ যিমান সোনকালে এৰিব পাৰি সিমানে মংগল।’’ কাউৰীয়ে কলে।

"তেনেহলে ময়ো তোমাৰ লগতে যাও ব'লা। তুমি মোক যিখিনি কথা কৈ শুনালা, সেয়া যদি সঁচা হয়, তেন্তে মোৰ বাবেও এই ঠাই একেবাৰেই নিৰাপদ নহব। ময়ো ইয়াত থাকিব নিবিচাৰো।" এন্দুৰে চিন্তিত সুৰেৰে কাউৰীক কলে।

"কিয়?" কাউৰীয়ে সুধিলে।

"সি এক বিৰাট কাহিনী। আগতে সেই দেশলৈ যাও ব'লা। তাৰপিছত সেই কাহিনী তোমাক কম।" এন্দুৰে কলে।

"মই আকাশী পথেৰে উৰি যাম। তুমি যাবা মাটিৰ ওপৰেদি। গতিকে, আমি একেলগে কেনেকৈ যাম?" কাউৰীয়ে সুধিলে।

এন্দুৰে কলে, "তুমি যদি মোৰ বন্ধু বুলি ভাবা, যদি মোৰ প্ৰাণ ৰক্ষা কৰিব বিচাৰিছা, তেন্তে মোক তোমাৰ পিঠিৰ ওপৰত কঢ়িয়াই লৈ বলা।"

"তুমি মোৰ লগত যাব বিচাৰিছা, ইয়াতকৈ আৰু আনন্দৰ কথা কি হব পাৰে। তাত আমি তিনিও বন্ধুৰে মিলি আনন্দৰে জীৱন কটাব পাৰিম।" কাউৰীয়ে কলে।

এন্দুৰ হিৰণ্যক কাউৰী লঘুপতনকৰ পিঠিত উঠি বহিল। কাউৰীয়ে এন্দুৰ হিৰণ্যকক লৈ গৈ দক্ষিণ দেশ পোৱালেগৈ। কাউৰীৰ পিঠিত কিবা এটা দেখি কাছই ভয়তে পানীৰ তললৈ বুৰ মাৰিলে।

সৰোবৰৰ পাৰৰ পৰা কাউৰীয়ে মাত লগালে, "বন্ধু মন্দৰক, তুমি ক'ত আছা? সোনকালে ওলাই আহা। মই কিমান দিনৰ মূৰত যে তোমাৰ ওচৰলৈ আহিছো। তুমি মোক চিনি পোৱা নাই হবলা? মই লঘুপতনক, তোমাৰ বন্ধু।"

সেইকথা শুনি কাছৰ ভয় দূৰ হ'ল। সি পানীৰ তলৰ পৰা ওলাই আহিল। তাৰপিছত সি লঘুপতনকৰ লগত কথা পাতিবলৈ ধৰিলে। *(আগলৈ)*



জীৱন্ত ভাস্কৰ্য

দেউতাকৰ মৃত্যুৰ পিছত ডেকা ৰাজেন্দ্ৰ বৰ্মা শম্ভুপুৰৰ ৰজা হৈ পৰিল। তেওঁৰ দেউতাক বিবেকবাৰ্মা আৰু ককাদেউতাক জ্ঞানবৰ্মাক অনুসৰণ কৰি তেওঁ এনেধৰণে ৰাজ্য শাসন কৰিবলৈ ধৰিলে যে তেওঁৰ সকলো প্ৰজা সুখী হ'ল। তেওঁলোকে নিজৰ ৰজাক লৈ গৌৰৱ কৰিবলৈ ধৰিলে।

সেই সময়তে, চুবুৰীয়া ৰজা দেৱেন্দ্ৰই শম্ভুপুৰ অধিকাৰ কৰাৰ মানসেৰে আক্ৰমণ কৰিলে। কিন্তু বীৰ ৰজা ৰাজেন্দ্ৰ অতি সহজেই সেই যুদ্ধত জয়ী হ'ল। তেওঁৰ সৈনিকসকলো বেছ সাহসী আৰু বীৰ আছিল। দেৱেন্দ্ৰই আত্মসমৰ্পণ কৰিলে আৰু ৰাজেন্দ্ৰক নিয়মিত ৰূপত কৰ দিবলৈ ৰাজী হ'ল।

সেই যুদ্ধৰ পিছত, ৰাজেন্দ্ৰ নিজৰ ৰাজ্যলৈ উভতি আহি থাকোতে দেৱেন্দ্ৰৰ এটা মূৰ্তি দেখা পালে। তেওঁ জানিব পাৰিলে যে চুবুৰীয়া ৰজা দেৱেন্দ্ৰ বৰ দয়ালু আৰু যোগ্য শাসক আছিল। মূৰ্তিটো দেখাৰ পিছত ৰাজেন্দ্ৰই ভাৱিলে, 'এতিয়া এইখন ৰাজ্য মোৰ। গতিকে দেৱেন্দ্ৰৰ মূৰ্তিৰ ঠাইত মোৰ মূৰ্তিহে থাকিব লাগে।' তেওঁ লগে লগে সেই মূৰ্তি ভাঙি পেলাবৰ বাবে আদেশ দিলে আৰু গৌৰৱত শিৰ ওখ কৰি ৰাজ্যলৈ উভতি আহিল।

আহি থাকোতেই তেওঁ মন্ত্ৰী দণ্ডনাথক কলে ''মই এই কথা বুজি নাপাও যে মোৰ পূৰ্বপুৰুষ সকলে এই ৰাজ্য শাসন কৰা স্বত্বেও কিয় এটাও নিজৰ মূৰ্তি নিৰ্মাণ নকৰালে। কিন্তু মই বিচাৰো যে মোৰ চাৰিটা মূৰ্তি নিৰ্মাণ কৰা হওক আৰু তাৰে দুটা আমাৰ ৰাজ্যত আৰু আন দুটা দেৱেন্দ্ৰৰ ৰাজ্যত স্থাপন কৰা হওক। মই নিজকে ৰাজ্যৰ প্ৰতিজন প্ৰজাৰ হৃদয়ত স্থাপন কৰিব খুজো। এয়া মোৰ আদেশ।''

যদিও ৰজাৰ কথা শুনি মন্ত্ৰী দণ্ডনাথ বৰ সুখী নহ'ল, তেওঁ ৰাজ্যত উপস্থিত হৈয়েই ৰজাৰ কথামতেই মূৰ্তি তৈয়াৰ

জি জন কেনেডী

কৰিবৰ বাবে ভাস্কৰ্য শিল্পী মতাই আনিলে। তাৰপিছত তেওঁ চাৰিটা ৰাজেন্দ্ৰবাৰ্মাৰ মূৰ্তি তৈয়াৰ কৰিবৰ বাবে আদেশ দিলে।

ইফালে ৰজা ৰাজেন্দ্ৰবৰ্মা যুদ্ধত বিজয়ী হৈ আহি ৰাজ্যত প্ৰৱেশ কৰাৰ লগে লগে ৰাজ্যত বিজয় উৎসৱৰ আয়োজন কৰা হ'ল। প্ৰজাসকলে ৰজা ৰাজেন্দ্ৰ বাৰ্মাৰ নামত জয়ধ্বনি দিবলৈ ধৰিলে। ৰজা ৰাজেন্দ্ৰবৰ্মাই ৰাজ্যৰ প্ৰজাৰ পৰা এনে ব্যৱহাৰ পাই বৰ সুখী হ'ল। তেওঁ এক সপ্তাহৰ বিজয় উৎসৱৰ ঘোষণা কৰিলে। চাৰিওফালে নানা আমোদ-প্ৰমোদ আৰু নাচ-গানৰ আয়োজন কৰা হ'ল।

এসপ্তাহ ধৰি এই উৎসৱ চলাৰ পিছত শেষৰ দিনা মন্ত্ৰী দণ্ডনাথে ৰজা ৰাজেন্দ্ৰবাৰ্মাক তেওঁৰ মূৰ্তি উন্মোচন কৰিবলৈ আমন্ত্ৰণ কৰিলে। ৰজা বৰ আনন্দিত হ'ল। তেওঁ আহি মূৰ্তি ঢাকি থোৱা কাপোৰখন আতৰাই দিয়াৰ লগে লগে বৰ আচৰিত হ'ল। তেওঁ কেৱল মূৰ্তি নকটা শিলহে দেখা পালে। তেওঁ বৰ অপমানিত অনুভৱ কৰিলে আৰু প্ৰচণ্ড খং উঠিল।

তাকে দেখি মন্ত্ৰী দণ্ডনাথে কলে, "মহাৰাজ, ধৈৰ্য ধৰক। আপুনি নিজেই এজন মহান ৰজা দেৱেন্দ্ৰৰ মূৰ্তিৰ শেষ দশা দেখিলে।" লগে লগে ৰজা ৰাজেন্দ্ৰৰ মনত পৰিল যে তেওঁ দেৱেন্দ্ৰৰ মূৰ্তিৰ লগত কি কৰিলে।

আচৰিত হৈ ৰাজেন্দ্ৰই মন্ত্ৰী দণ্ডনাথৰ ফালে চালে। মন্ত্ৰীয়ে কৈ গ'ল, "আপোনাৰ শাসনত প্ৰজাসকল সুখী আৰু সেইবাবে তেওঁলোকে আপোনাক ইমান সমৰ্থন কৰিছে। এজন ৰজাৰ মহানতা আৰু শক্তি-সামৰ্থ শিলত কাটি উলিওৱা সম্ভৱ নহয়। সেয়া মানুহৰ অন্তৰত চিৰদিনৰ বাবে থাকি যায়। আপুনি সচাকৈয়ে আপোনাৰ মূৰ্তি তৈয়াৰ হোৱাতো বিচাৰেনে?"

ৰজা ৰাজেন্দ্ৰবাৰ্মাক মন্ত্ৰীৰ কথাই ভৱাই তুলিলে। তেওঁ বুজি পালে যে নিজৰ মহানতা আৰু বীৰত্ব প্ৰকাশ কৰিবৰ বাবে সুন্দৰ আৰু বৃহৎ মূৰ্তি সজাৰ কোনো প্ৰয়োজন নাই। তেওঁ মন্ত্ৰীৰ বৰ শলাগ ললে।

ভুল উলিওৱাৰ অভ্যাস

জনক আৰু তেওঁৰ পত্নীয়ে বৰ ওলহ-মালহেৰে একমাত্ৰ কণ্যা উৰ্মিলাৰ বিয়া সমাধা কৰিলে। তেওঁলোকৰ নতুন মিতিৰ ঘৰৰ লোক বিয়াৰ পিছত তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ আহিল। জনক আৰু তেওঁৰ পত্নীয়ে তেওঁলোকক নানা সুস্বাদু খাদ্য পৰিবেশন কৰিলে। কিন্তু নতুন মিতিৰৰ ঘৰৰ লোকে কোনো সংকোচ নকৰাকৈ কলে যে খাদ্য একেবাৰে সুস্বাদু নহয়।

পিছৰবাৰ যেতিয়া নতুন মিতিৰৰ ঘৰৰ পৰা লোক ফুৰিবৰ বাবে জনকৰ ঘৰলৈ আহিল, তেওঁলোকে সেই অঞ্চলৰ সকলোতকৈ উত্তম ৰান্ধনিক ৰন্ধা বঢ়া কৰাৰ দায়িত্ব দিলে। আলহীয়ে খাদ্য বৰ সুস্বাদু পালে। যি কি নহওক, জনকে জীয়েকৰ পৰা এই কথা জানিব পাৰিলে যে তেওঁলোকক কম পৰিমাণৰ খাদ্য পৰিবেশন কৰা হৈছিল। জনক আৰু তেওঁৰ পত্নীয়ে পিছৰবাৰ আৰু অধিক সাৱধানতা অৱলম্বন কৰাৰ কথা চিন্তা কৰিলে।

আকৌ এবাৰ যেতিয়া মিতিৰৰ ঘৰৰ মানুহ জনকৰ ঘৰলৈ আহিল, তেওঁলোকে আদৰ-সাদৰ কৰি কলে, ‘‘আমি আপোনালোকৰ প্ৰিয় আঞ্জাবিলাকৰ বিষয়ে অলপ আভাষ পালো। গতিকে এইবাৰো আমি সেই আঞ্জাই ৰান্ধিছো। আপোনালোকে সংকোচ নকৰিব। পেট ভৰাই আহাৰ গ্ৰহণ কৰক।’’ তাৰপিছত ৰূপৰ কাঁহীত খাদ্য পৰিবেশন কৰা হ’ল। জনক আৰু তেওঁৰ পত্নীয়ে মিতিৰৰ মানুহে তেওঁলোকৰ উপস্থিতিত খাবলৈ লাজ কৰিব বুলি কোঠাৰ বাহিৰলৈ গ’ল। মিতিৰেও পেট খৰাই আহাৰ গ্ৰহণ কৰিলে। কিন্তু ঘৰলৈ উভতি যোৱাৰ পিছত তেওঁলোকে উৰ্মিলাক কলেগৈ, ‘‘সকলো ঠিকেই আছিল, কিন্তু আমাক খাদ্য পৰিবেশন কৰা ৰূপৰ কাঁহীবিলাক বৰ সৰু আছিল। গতিকে খোৱাত বৰ অসুবিধা হ’ল।’’

শহুৰেকৰ ঘৰৰ লোকসকলৰ এই কথা শুনি উৰ্মিলা বৰ আচৰিত হ’ল। তেওঁ ঠিক বুজিব নোৱাৰিলে যে উত্তৰত তেওঁ কি কোৱা উচিত।

– বি ভীমেশ্বৰ ৰাও

ধাৰেহে ৰক্ষা কৰিলে

সঞ্জীৱৰ পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা মধ্যমীয়া আছিল। তথাপিও তেওঁ মিতিৰ–কুতুম্বৰ খবৰ ৰাখিছিল, প্ৰয়োজনৰ সময়ত সহায় কৰিছিল। তেওঁৰ ঘৰলৈ অহা সকলোকে আপ্যায়ন কৰিছিল। ফলস্বৰূপে সকলো সময়তে তেওঁৰ ঘৰ মিতিৰ–কুতুম্বেৰে ভৰি আছিল।

সঘনাই অতিথিৰ আগমনে সঞ্জীৱৰ অৰ্থনৈতিক অৱস্থাত প্ৰভাৱ পেলাবলৈ ধৰিলে। শেষত এই পৰিস্থিতিৰ পৰা ৰক্ষা পৰাৰ উপায় বিচাৰি বাল্যবন্ধু সুলোচনৰ কাষ চাপিল।

সুলোচনে সঞ্জীৱৰ সকলো কথা ভালদৰে শুনাৰ পিছত সুধিলে, ‘‘তাৰমানে তুমি মিতিৰ–কুতুম্ব সঘনাই তোমাৰ ঘৰলৈ অহাটো নিবিচাৰা?’’ সঞ্জীৱে কলে, ‘‘হয়, তুমি ঠিকেই ধৰিছা। কিন্তু মই তেওঁলোকৰ লগত সম্বন্ধও বেয়া কৰিব খোজা নাই। মই এইবাবেই এনে পদক্ষেপ লব বিচাৰিছো যে তেওঁলোকৰ সঘন উপস্থিতিয়ে মোক অৰ্থনৈতিকভাৱে দূৰ্বল কৰি তুলিছে। মোক এটা উপায় দিয়া।’’

সুলোচনে সঞ্জীৱৰ পৰা তেওঁৰ মিতিৰৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে জানিব বিচাৰিলে। সঞ্জীৱে কলে যে তেওঁলোকৰ কিছুমানৰ অৱস্থা ভাল আৰু কিছুমানৰ বেয়া।

‘‘ঠিক আছে, এতিয়াৰে পৰা যিবিলাক মিতিৰে আনবিলাকৰ পৰা ধন ধাৰলৈ লয়, তেওঁলোকে সেই কাম তোমাৰ যোগেদি কৰাটো নিশ্চিত কৰা।’’ সুলোচনে কলে।

‘‘কিয়, মই তেনে কামত কিয় জড়িত হবলৈ যাম। পিছত মই মিছাতে বদনামৰ ভাগী হব লাগিব।’’ সঞ্জীৱে কলে।

‘‘তুমি তোমাৰ ধনী মিতিৰ সকলক কোৱা যে তেওঁলোকে দুখীয়াসকলক ধন ধাৰলৈ দিয়া উচিত। এইদৰে ধনীসকলৰ পৰা ধন লৈ তুমি দুখীয়াসকলক নিজ হাতেৰে দিয়া। তাৰপিছত এমাহৰ পিছত মোক পুণৰ লগ ধৰিবা।’’ সুলোচনে কলে।

চি নাগেশ্বৰ ৰাও

উপাইবিহীন হৈ সঞ্জীৱে সুলোচনৰ কথাকে মানি ললে।

এমাহৰ পিছত, সঞ্জীৱে সুলোচনক লগ ধৰি কলে, ‘‘মই ঠিক তুমি কোৱাৰ দৰেই কৰিলো। যি সকলে টকা ধাৰলৈ ললে, সেইসকলে মোৰ ঘৰলৈ অহা বন্ধ কৰিলে। কিন্তু টকা ধাৰলৈ দিয়াসকল সঘনাই আহিব ধৰিছে।’’

‘‘ঠিক আছে, টকা ধাৰলৈ দিয়া যিসকল সঘনাই আহি আছে, তেওঁলোকক কবা যে অন্য কিছু মিতিৰৰ লোকে টকা ধাৰলৈ বিচাৰি আছে। তুমি তেওঁলোকক কবা যে মিতিৰ হিচাপে সেইসকলকো টকা ধাৰলৈ দিয়াটো তেওঁলোকৰ কতৰ্ব্য। এই কাম কৰা আৰু মোক দহ-পোন্ধৰ দিনৰ পিছত দেখা কৰিবা।’’ সঞ্জীৱক সুলোচনে বুদ্ধি দিলে।

দহ-বাৰ দিনমানৰ পিছত সঞ্জীৱে সুলোচনক পুণৰ দেখা কৰিবলৈ আহিল। দেখিয়েই বুজা গৈছিল যে সঞ্জীৱ বেছ সুখী। তেওঁ সুলোচনক কলে, ‘‘তোমাৰ বুদ্ধিয়ে কাম দিলে বন্ধু। যিসকলে টকা ধাৰলৈ লৈছিল, সেইসকলেতো অহা বাদ দিলেই, এতিয়া টকা ধাৰলৈ দিয়া সকলো আহিবলৈ বাদ দিলে। কিন্তু মই এই কথা বুজি পোৱা নাই যে তেওঁলোকে কিয় আহিবলৈ বাদ দিলে।’’

সঞ্জীৱৰ কথা শুনি সুলোচনে মিচিকিয়াই হাঁহিলে। তাৰপিছত তেওঁ শান্ত স্বৰেৰে সঞ্জীৱক কলে, ‘‘ইয়াত বুজিবলৈ কি আছে? যিসকলে তোমাৰ যোগেদি টকা ধাৰলৈ ললে, তেওঁলোকে ভাৱিলে তোমাৰ ঘৰলৈ আহিলে তুমি সেই টকা ঘূৰাই দিবলৈ কবা আৰু সেইবাবেই তেওঁলোকে অহা বাদ দিলে। আনহাতে, যিসকলে টকা ধাৰলৈ দিছিল, তেওঁলোকে প্ৰথমবাৰ ধাৰলৈ দিয়া টকা ঘূৰাই নাপাই চিন্তিত হৈ আছিল আৰু তেনে সময়তে তুমি পুণৰ আন কিছু মিতিৰক টকা ধাৰলৈ দিবলৈ ক’লা। তেওঁলোকে সেইবাবে তোমাৰ ঘৰলৈ অহা বন্ধ কৰিলে।’’

কথা শুনি সঞ্জীৱে হাঁহি এটা মাৰি কলে, ‘‘তাৰমানে মোক ধাৰেহে ৰক্ষা কৰিলে।’’



দয়ালু

ফুলপুৰ গাঁওৰ নামজ্বলা ব্যৱসায়ী পুৰুষোত্তমৰ একমাত্র পুতেক মুৰাৰী। মুৰাৰী পুৰুষোত্তমৰ একমাত্র পুতেক । বাল্যকালৰেপৰা মুৰাৰী বৰ দয়ালু আছিল । চাঁওতে চাওঁতে মুৰাৰীয়ে সোতৰ বছৰ বয়সত ভৰি দিলে।

এদিন দেখা গ'ল লগৰ ল'ৰাৰ লগত খেলা-ধূলা কৰি মুৰাৰী শুদা গাৰে ঘৰলৈ উভতি আহিছো দেউতাকে সোধাত মুৰাৰীয়ে ক'লে যে খেলাৰ মাজতে তাৰ লগৰ ল'ৰা এটাৰ কামিজটো ফাটিল। দৰিদ্ৰ পৰিয়ালৰ ল'ৰাটোৱে তাৰ একমাত্র কামিজটো এনেকৈ ফটাত কান্দি দবলৈ ধৰাত মুৰাৰীয়ে সহিব নোৱাৰি নিজৰ কামিজটোকে ল'ৰাটোক খুলি দিলে ।

কথা শুনি পুৰুষোত্তম পুতেকক অনেক গালি শপনি দি ক'লে, "তই নাজাননে যে ব্যৱসায়ত দয়াৰ কোনো স্থান নাই ? এই স্বভাৱ হ'লে ব্যৱসায় কেনেকৈ কৰিবি ?" এনেতে মুৰাৰীৰ মাকে মাত লগালে, "মই হ'লে ই শুদ্ধ পথলৈ আহিব বুলি একো আশা দেখা নাই । এইটো স্বভাৱ লৈ সি কাহানিও ব্যৱসায়ত সফল হ'ব নোৱাৰিব । মই ভাবো ইয়াক এজন ভাল শিক্ষকৰ ওচৰত পঢ়িবলৈ পঠিওৱাহে ভাল হ'ব ।"

পত্নীৰ পৰামৰ্শ মতে পুৰুষোত্তমে মুৰাৰীক লগত লৈ পণ্ডিত সুশৰ্মাৰ ঘৰলৈ গ'ল । মুৰাৰীৰ কথা গোটেইখিনি খুলি কৈ পুৰুষোত্তমে পণ্ডিত সুশৰ্মাক ক'লে, "পঞ্চতন্ত্রত পণ্ডিত বিষ্ণুশৰ্মাই ৰাজকুমাৰসকলক জ্ঞানী আৰু বিবেকবান কৰি তুলিছিল, সেইদৰে আপুনিও মোৰ পুত্ৰ মুৰাৰীক জ্ঞানী আৰু বিবেকশীল কৰি তোলক৷" ই একো চাকৰি কৰিব নালাগে । ব্যৱসায়ীৰ পুতেক ব্যৱসায়ী হওক, মোৰ বাবে সেয়াই বহুত ।

মিচিকিয়া হাঁহি এটা মাৰি পণ্ডিত সুশৰ্মাই ক'লে, "দয়া মানুহৰ অন্যতম মহান গুণ । দয়া অবিহনে মানুহক মানুহ বুলিব নোৱাৰি। কিন্তু দয়া প্ৰদৰ্শন কৰিবলৈ যাওঁতে মানুহ কেতিয়াও অবিবেচক হ'ব নোৱাৰে । মই বাৰু আপুনি কোৱাৰ নিচিনাকৈ চেষ্টা কৰি চাম ।"

সেইদিনাৰে পৰা মুৰাৰীয়ে পণ্ডিত সুশৰ্মাৰ ঘৰলৈ পুৱা-গধূলি আহি বিদ্যাভ্যাস কৰিবলৈ



ধৰিলে। এদিন পণ্ডিতে মুৰাৰীক ক'লে, "বাচা, বিদ্যা আৰ্জনৰ প্ৰতি তোমাৰ ধাউতি দেখি মই বৰ ভাল পাইছো। মই জানো তোমাৰ কোমল অন্তৰ দয়াৰে ভৰপূৰ। কিন্তু কাৰোবাক দয়া কৰাৰ আগতে তুমি চাব লাগিব সেইজন দয়াৰ পাত্ৰ হয় নে নহয়। তুমি যিহেতু ভৱিষ্যতে পিতাৰাৰ ব্যৱসায় চম্ভালিব লাগিব, এই কথাটো তুমি হৃদয়ঙ্গম কৰিব পাৰিব লাগিব।"

মুৰাৰীয়ে টপৰাই সুধিলে, "গুৰুদেৱ, ব্যৱসায় আৰু দয়াৰ মাজতনো সম্পৰ্ক কি সেইটো কথাহে মই বুজি পোৱা নাই।"

"খুব সোনকালেই তুমি কথাটো বুজি পাবা৷ কিন্তু এতিয়া তুমি এটা কাম কৰিব লাগিব। তুমি বৈদ্য বৰদাচৰণৰ নাম শুনিছা নহয়? তেওঁৰ ঘৰলৈ গৈ তুমি অলপ ঔষধ আনিব লাগিব। মই পঠিওৱা বুলি ক'লেই তেওঁ গম পাব কি দিব লাগে।" পণ্ডিত সুশৰ্মাই ক'লে।

মুৰাৰী বৈদ্য বৰদাচৰণৰ ঘৰ ওলালগৈ। মুৰাৰীৰ পৰিচয় জানিব পাৰি বৈদ্যই ক'লে, "তুমি লৈ যাব খোজা ঔষধ তৈয়াৰ কৰিবলৈ এঘন্টা সময় লাগিব। ৰোগীসকলক পঠিয়াইহে মই তোমাৰ কামটোত ধৰিব পাৰিম৷"

তেওঁৰ ওচৰলৈ অহা প্ৰতিজন ৰোগীক বৰদাচৰণে ক'লে, "এটা লেঙেৰা ল'ৰা আছে৷ সি মোলৈ বনৌষধি লৈ অহাৰ কাম কৰে। তাৰ দেউতাকে হৃদৰোগত ভুগি আছে৷ তেওঁৰ চিকিৎসাৰ বাবে সোণ আৰু পাৰা মিহলাই উতলাব লাগিব আৰু তাৰপৰা বড়ী তৈয়াৰ কৰিব লাগিব। কামটোত বেচ খৰচ পৰিব। মই যিমানখিনি পাৰো সহায় কৰিম। আপোনালোকেও যি পাৰে সহায় কৰিলে বৰ ভাল হয়। ল'ৰাটো এতিয়া বাহিৰতে থিয় দি আছে।"

কথাটো শুনিয়েই মুৰাৰীৰ অন্তৰ দয়াৰে ভৰি পৰিল। বাহিৰলৈ ওলাই আহি এডাল লাঠিত ভৰ দি থিয় হৈ থকা ল'ৰাটোক মুৰাৰীয়ে দেখিলে৷

সকলো ৰোগী যোৱাৰ পিছত মুৰাৰীয়ে বৈদ্য বৰদাচৰণক ক'লে, "লেঙেৰা ল'ৰাটোক দয়া কৰি বহুত মানুহে ধন সোণ দান কৰিছে। এই মুহূৰ্ত্তত মোৰ হাতত ধন নাই। মই মোৰ এই আঙুঠিটোকে আপোনাক দিছো। লেঙেৰা ল'ৰাটোৰ দেউতাকৰ বাবে ঔষধ তৈয়াৰ কৰোঁতে কামত আহিব।"

মুৰাৰীৰ কথা শুনি বৰদাচৰণে গিৰ্জনি মাৰি হাঁহিলে আৰু বাহিৰৰ ফালে চাই 'বীৰু' বুলি চিঞৰি মাতিলে।

লাঠিত ভৰ দি থিয় হৈ থকা সেই লেঙেৰা ল'ৰাটোৱে লাঠিডাল দূৰলৈ

দলিয়াই দি তীব্ৰ গতিৰে দৌৰি বৰদাচৰণৰ ওচৰলৈ আহিল । দৃশ্যটো দেখি মুৰাৰীয়ে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে । তেতিয়া বৰদাচৰণে ল'ৰাটোৰ পিঠিত থপৰিয়াই ক'লে, "মইয়েই এই ব্যৱস্থা কৰিছিলো । এতিয়া মুৰাৰী, তুমি দেখিলানে দয়ালু মানুহৰ দুৰ্বলতাৰ সুযোগ লৈ কেনেকৈ প্ৰতাৰকে ধন ঘটিব পাৰে ? তোমাক এই আঙুঠিটো তোমাৰ দেউতাৰাই মৰমত দিছিল। নিজৰ দয়ালু স্বভাৱৰ বাবে তুমি আঙুঠিটো এটা প্ৰতাৰকক দিব খুজিছিলা ।"

তলমূৰ কৰা মুৰাৰীৰ ফালে চাই বৰদাচৰণে কৈ গ'ল "মোৰ বৃত্তি হ'ল ৰোগীক সুস্থ কৰি তুলিব পৰা ঔষধ দিয়া । কিন্তু কেতিয়াবা বাধ্যত পৰি মইয়ো মানুহক মিছা কথা ক'ব লগীয়া হয়, প্ৰতাৰণা কৰিব লগীয়া হয় । এতিয়া তোমাৰ গুৰুৱে খুজি পঠিওৱা ঔষধৰ কথাই ধৰাচোন। এই ঔষধ লাগে গুৰুৰ বৃদ্ধা মাকক । বৃদ্ধাৱস্থাত নানা সমস্যাই মানুহক জুমুৰি দি ধৰে । বৃদ্ধাৱস্থাত সাধাৰণ শাৰীৰিক লক্ষণকে মানুহে কেতিয়াবা ৰোগ বুলি ভ্ৰম কৰে । সেইটো ৰোগ নহয় বুলি কোনোবাই ক'লেও বৃদ্ধ মানুহজনে তাক মানি ল'ব নোখোজে । তেতিয়া মোৰো উপায় নাথাকে।

তেনে মানুহক মই শক্তিবৰ্দ্ধক বড়ী দি কওঁ যে এইটো এনে অব্যৰ্থ ঔষধ যে আপোনাৰ ৰোগে পলাই পত্ৰং দিব । তাকে শুনি এক পৰম তৃপ্তিত বৃদ্ধ মানুহজনৰ দেহ মন সজীৱ হৈ উঠে৷ তোমাক এতিয়া মই দি পঠিয়াব খোজা ঔষধখিনিও এই শ্ৰেণীৰেই ।" কথাখিনি কৈ উঠি বৈদ্য বৰদাচৰণে ঔষধৰ সৰু টোপোলা এটা মুৰাৰীৰ হাতত দি ক'লে, "ভৱিষ্যতে তুমি ব্যৱসায়ৰ কাম কৰোতে সেই কাম মনোযোগেৰে কৰিবা । য'ত দয়াৰ প্ৰয়োজন হয় তাত দয়া দেখুৱাই তুমি মানুহৰপৰা কাম আদায় কৰিবলৈ চেষ্টা কৰিবা। তোমাৰ গুৰুৰ অনুৰোধ মৰ্মেই মই এই বিকলাংগ ল'ৰাটোৰ নাটকখন কৰিব লগীয়া হ'ল ।"

গুৰুৰ ওচৰলৈ আহি মুৰাৰীয়ে ক'লে, "গুৰুদেৱ, আজিহে মই বুজিলো যে দয়া অপাত্ৰত দান কৰিব পৰা বস্তু নহয় ।"

মুৰাৰীৰ এই পৰিৱৰ্তনত পণ্ডিত সুশৰ্মাৰ লগতে তাৰ মাক দেউতাকেও বৰ আনন্দ পালে৷ দেউতাকে ভাবিলে, মুৰাৰী তেওঁৰ অগাধ সম্পত্তিৰ যোগ্য উত্তৰাধিকাৰী হ'ব পাৰিব।

সাহসী

সেইখন এখন সৰু দেশ আছিল । সেই দেশৰ এমূৰৰ এখন গাৱঁত ৰঘুনাথ আৰু সোমনাথ নামৰ দুজন ভাই-ককাই আছিল । দুয়ো ইজনে সিজনক বৰ ভাল পাইছিল আৰু একেটা ঘৰতে আছিল । তেওঁলোকৰ পত্নী দুগৰাকীও কোনো কাজিয়া পেচাল নোহোৱাকৈ মিলি-জুলি বাস কৰিছিল। সেয়ে দুই ভাই ককায়ে কোনো অশান্তি নোহোৱাকৈ থাকিব পাৰিছিল ।

এদিন সন্ধিয়া দুয়ো ভায়ে যেতিয়া আৰামত বহি আছিল আৰু ইটো সিটো কথা পাতি আছিল, তেতিয়া হঠাতে ৰঘুনাথে সোমনাথক ক'লে, "এইখন গাৱঁতে থাকিলে আমাৰ কোনো উন্নতি নহ'ব । এতিয়া যি অৱস্থাত আছো সেই অৱস্থাতেই থাকি যাম । তাৰ সলনি নিজৰ খেতিৰ মাটি বেচি দি ৰজা চন্দ্ৰদাসৰ আশ্ৰয় বিচাৰি যাওঁহক।"

সোমনাথৰ ককায়েকৰ এই প্ৰস্তাৱ ভাল লাগিল । তেওঁ ক'লে, "তুমি ঠিকেই কৈছা। মই শুনিছো যে ৰজাই সাহসী লোকক খুব ভাল পায় । আমি তো বেছ সাহসী । তেওঁ নিশ্চয় আমাক আশ্ৰয় দিব । ইয়াৰদ্বাৰা আমাৰ জীৱনলৈ নিশ্চয় আমূল পৰিৱৰ্ত্তন আহিব।"

ৰঘুনাথৰ পত্নীয়ে তেওঁৰ এই কথাবোৰ শুনিলে আৰু ক'লে, "ৰজাৰ ওচৰলৈ নিশ্চয় যাওক । কিন্তু যোৱাৰ আগতে এনেকুৱা কিবা সাহসী কাম কৰি দেখুওৱা উচিত যাতে ৰজাই আপোনালোক দুয়োৰে ওপৰত সন্তুষ্ট হৈ পৰে৷ নিজৰ সাহসৰ ঢাক-ঢোল নিজে বজাই একো লাভ নাই ।"

এই কথা দুই ভাইৰে ভাল লাগিল । কিছু দিনৰ আগতে তেওঁলোকৰ গাৱঁত এটা বাঘ ওলাইছিল । যেতিয়া মানুহ গোট খালে তেতিয়া বাঘটো দৌৰি ওচৰৰ হাবিলৈ পলাই গ'ল । মানুহবোৰে বাঘটো মাৰিবলৈ সিদ্ধান্ত ল'লে ।

পিছদিনা দুয়ো ভায়ে হাতত তৰোৱাল আৰু যঠী লৈ বাঘৰ সন্ধানত ওলাল । হাবিত অলপ দূৰ যোৱাৰ পিছত তেওঁলোকে দেখিলে যে জাৰণিৰ আঁৰত বাঘে এটা মৰা হৰিণ পৰম তৃপ্তিৰে খাই আছে । তেওঁলোকক দেখি বাঘে

সূৰ্যবংশী



তেওঁলোকে বীৰৰ বেশ পৰিধান কৰিছিল তেওঁলোকে ভাবিছিল তেওঁলোকৰ বেশ ভূষা আৰু বাঘৰ ছালখন দেখি দ্বাৰপালে তেওঁলোকক সাদৰে ৰজাৰ ওচৰলৈ লৈ যাব। কিন্তু সেয়া নহ'ল । দ্বাৰপাল সকলে স্পষ্টকৈ কৈ দিলে যে যেতিয়ালৈকে ভেটি দিয়া নহ'ব তেওঁলোক দুয়োকে কেতিয়াও ভিতৰলৈ যাবলৈ নিদিয়ে ।

দ্বাৰপালসকলে ইমান খোলাখুলিকৈ ভেটি খোজাটো তেওঁলোকৰ অসহনীয় লাগিল । কিন্তু তেওঁলোকে কৰেই বা কি ? ৰজাৰ দৰ্শনৰ বাবে উদ্‌গ্ৰীৱ দুয়ো ভায়ে দুটাকৈ মুদ্ৰা দ্বাৰপাল সকলক দি আগবাঢ়িল ।

ৰজা চন্দ্ৰদাসে যেতিয়া তেওঁলোকৰ বীৰবেশ আৰু বাঘৰ ছাল দেখিলে তেওঁৰ খং উঠিল । তেওঁলোকক ৰজাই তালৈ অহাৰ কাৰণ সুধিলে। তেতিয়া দুই ভায়ে সবিস্তাৰে বৰ্ণনা কৰিলে যে তেওঁলোকে কিয় বাঘটো মাৰিলে, আৰু সেইটো মাৰোতে তেওঁলোকে কিমান সাহস দেখুৱাইছিল। তেওঁলোকে এই কথাও ক'লে যে তাৰ বাবে তেওঁলোকে নিজৰ প্ৰাণকো তুচ্ছজ্ঞান কৰিছিল । কিন্তু ৰজাই তেওঁলোকৰ কথাত কোনো আগ্ৰহ নেদেখুৱালে আৰু কঠুৱা সুৰেৰে ক'লে, "তোমালোকৰ নিচিনা সাহসী দেশ ভৰি আছে । সকলোকে ৰাজসভাত সংস্থাপন দিয়াটো সম্ভৱপৰ নহয় ।" তথাপিও ৰজাই দুয়োকে এশ এশ মুদ্ৰা দি পঠিয়াই দিলে ।

নিজৰ নিজৰ স্বামীক নিৰাশ হৈ ঘূৰি অহা দেখি তেওঁলোকৰ পত্নীসকলো নিৰাশ হৈ পৰিল। দুদিনৰ পিছত ৰঘুনাথৰ পত্নীয়ে ক'লে, "কেতিয়াবা কেতিয়াবা আমি যি বিচাৰো, সেয়া

গুজৰি উঠি তেওঁলোকৰ ওপৰত জঁপিয়াই পৰিব খুজিছিল কিন্তু ইতিমধ্যে এজনে তাৰ বুকুলৈ যঠী মাৰি পঠিয়ালে আৰু আনজনে বাঘৰ ওপৰত তৰোৱাল চলালে । এইদৰে দুয়ো মিলি তাক হত্যা কৰিলে ।

তাৰ পিছত দুয়ো বাঘ লৈ গাৱঁলৈ আহিল। আৰু লাহে-লাহে সেই ঠাইত ভিৰ হৈ পৰিল। সকলোৱে তেওঁলোকক বাহ বাহ দি ক'লে, "এয়াহে সাহস । তোমালোক কিন্তু সঁচাকৈয়ে বৰ সাহসী মানুহ । তোমালোকৰ প্ৰশংসা নকৰি নোৱাৰোঁ ।"

সাহসিকতাৰ এই কাম পূৰা কৰি দুই ভায়ে নিজৰ নিজৰ খেতিৰ মাটি বেচি দিলে আৰু প্ৰয়োজনীয় সামগ্ৰী লৈ পত্নী সমন্বিতে ৰাজধানীলৈ ৰাওনা হ'ল । তাত তেওঁলোক এটা অতিথিশালাত উঠিলগৈ ।

তৃতীয় দিনা বাঘৰ ছালখন লৈ তেওঁলোক ৰজাৰ দৰ্শনৰ বাবে ওলাল । সেই সময়ত

নাপাওঁ । কিন্তু আমি গাৱঁলৈ ঘূৰি যোৱাটো অসম্ভৱ । তাতকৈ ডাঙৰ অপমানৰ কথা আৰু একো হ'ব নোৱাৰে । ৰজাই দিয়া পইচাৰে আমি ইয়াতে কিবা ব্যৱসায় আৰম্ভ কৰিম ।”

তেওঁৰ পৰামৰ্শ দুই ভাতৃৰ ভাল লাগিল । যিহেতু তেওঁলোকৰ ৰন্ধা বঢ়াৰ সামগ্ৰীৰ ভাল জ্ঞান আছিল সেয়ে দুয়ো তেনে সামগ্ৰী পোৱা এখন দোকান খোলাৰ সিদ্ধান্ত কৰিলে । পিছদিনাৰ পৰাই দুয়ো ভায়ে ব্যৱসায়ৰ কাম আৰম্ভ কৰিলে, কিন্তু তাতো তেওঁলোক সফল নহ'ল ।

সময় পাৰ হৈ গ'ল । তেওঁলোকে গম পালে যে যি কোনো ব্যৱসায় কৰিবলৈকে নগৰ পালকৰ অনুমতি ল'ব লাগিব । সেয়ে দুই ভায়ে নগৰ পালকৰ ঘৰলৈ গ'ল । তালৈ গৈ তেওঁলোকে গম পালে যে ব্যৱসায় কৰিবলৈ হ'লে দুশ মুদ্ৰা ভেটি স্বৰূপে দিব লাগিব ।

এই কথা গম পাই আবেগিক ভাবে সোমনাথে ক'লে, “দাদা, দেখিলানে, ৰাজ্য জুৰি যিফালেই চোৱা, ভাৰ-ভেটি লয় । সম্মান ক'তো নাই । এনে লাগিছে যেন ৰজাই জানি বুজিয়েই এনে ভেটিখোৱাবোৰক নিযুক্তি দিছে । ব'লা, তেওঁকেই সুধি আহোঁ ।”

সোমনাথৰ কথা ৰঘুনাথৰ সঁচা আৰু শুদ্ধ যেন লাগিল । তেওঁ ক'লে, “ব্যৱসায় কৰিব লগা আছে বা নাই পিছত দেখা যাব । ব'লা, তুমি কোৱামতে প্ৰথমতে ৰজাক লগ কৰি লওঁগৈ।”

দুয়ো যেতিয়া গৈ ৰাজপ্ৰাসাদ পালেগৈ তেতিয়া তাৰ দ্বাৰপাল সকলে পুনৰ ভেটি খুজিলে। সোমনাথে এনে পৰিস্থিতিত কি কৰিব লাগে ঠিক কৰি থৈছিল ।

সেয়ে খীণ মাতেৰে ক'লে, “চোৱা ভাইহঁত, আমাৰ ওচৰত এটা ফুটা কড়িও নাই৷ মোৰ হাতত মাত্ৰ এই সোণৰ আঙুঠি আছে । অনুগ্ৰহ কৰি মোক আৰু মোৰ ভাইক ভিতৰলৈ যাবলৈ দিয়া । যদি ৰজা আমাৰ ওপৰত সন্তুষ্ট হয় আৰু আমাক কিবা দিয়ে তেন্তে এই আঙুঠি তোমালোকক ভেটি হিচাবে দি দিম ।”

“যদি দিবই খুজিছা তেন্তে এই আঙুঠি আমাক এতিয়াই দি দিয়া,” এইদৰে কৈ দ্বাৰপাল সকলে জোৰ কৰি তেওঁৰ হাতৰ পৰা আঙুঠিটো কাঢ়ি ল'লে।

তেওঁলোক ৰজাৰ ওচৰ পোৱাৰ লগে লগে ৰজাই কঠুৱা সুৰেৰে সুধিলে, “ইয়ালৈ আকৌ কিয় আহিলা ?”

সোমনাথে নম্ৰভাৱে সকলো কথা ক'লে আৰু জনালে, “মহাৰাজ, এই ভেটিখোৱা সকল বাঘতকৈও ভয়ঙ্কৰ । যদি আপুনি মই

মিছা কৈছো বুলি ভাবিছে তেন্তে আপুনি ততালিকে এই দ্বাৰপাল সকলক মতাই আনি নিজেই পৰীক্ষা লওক। সিহঁতৰ হাতত মোৰ নীলা ৰঙৰ আঙুঠিটো আপুনি দেখিব।"

সোমদেৱৰ কথা শুনিয়েই ৰজাৰ মুখ আনন্দত উজ্বলি উঠিল। সোমনাথৰ ফালে ৰজাই ক'লে, "মোক ঠিক তোমাৰ দৰেই সাহসী লোকৰ প্ৰয়োজন। তুমি ঠিক কথাই কৈছা যে ইহঁতৰ এই ভেটি লোৱা স্বভাৱ বাঘতকৈও ভয়ঙ্কৰ। কিছু দিনৰ আগেয়েই মই গম পাইছিলো যে চালেৰে পানী বাগৰাদি এই ৰোগ ৰাজ্যত বিয়পি পৰিছে।

কিন্তু কমেও চাৰি-পাঁচজন সাহসী লোকৰ অবিহনে মই অকলে ইয়াক নিৰ্মূল কৰিব নোৱাৰোঁ। সেয়ে মই এইটো আশাৰেই বাট চাই আছিলো যে কোনোবাই এই অভিযোগ লৈ মোৰ ওচৰলৈ আহক আৰু ৰাজ্যত দিনে দিনে বৃদ্ধি পাই অহা এই দূনীৰ্তি প্ৰকাশ কৰক। মই যেতিয়া এই কথাটোৰ বিষয়েই চিন্তা কৰি আছিলো, তেতিয়াই তোমালোক দুয়ো ঈশ্বৰ প্ৰদত্ত দূতৰ দৰে ওলালাহি।"

ৰজাৰ কথা শুনি সোমদেৱ অতি সুখী হ'ল আৰু পুনৰ ৰজাক মূৰ দোঁৱাই প্ৰণাম কৰিলে।

কেইমুহূৰ্ত্তমানৰ পিছত ৰজাই সোমদেৱক ক'লে, "আজিৰ পৰা ৰাজ্যৰ কৰ্মচাৰীসকলৰ ওপৰত চকু ৰাখিবা। মই তোমাক এই বিভাগৰ প্ৰধান বিষয়া হিচাবে নিযুক্ত কৰিছোঁ। যিমানেই ডাঙৰ বিষয়া নহওক যদি ঠগ বা দূনীৰ্তিপৰায়ণ হয়, তেন্তে উচ্চ ন্যায়ালয়ত উপস্থিত কৰোৱাৰ অধিকাৰ তোমাৰ থাকিব। এতিয়া তুমি সন্তুষ্টনে?"

তাৰ পিছত ৰঘুনাথৰ ফালে চাই ৰজাই সোমদেৱক ক'লে, "মোৰ ভাব হৈছে তোমাৰ জ্যেষ্ঠ ভাতৃ তোমাৰ দৰে বুধিয়ক আৰু বাকপটু নহয়। কিন্তু বাঘ মাৰি, ইয়াৰ ভেটিখোৱাবোৰৰ খেল বন্ধ কৰাত তোমাৰ সমানেই যেন লাগিছে। তেওঁক মই নতুন নগৰ পালক নিযুক্তি কৰিলোঁ।" এইদৰে দুয়ো ভায়ে ৰজাৰ দৰবাৰত উচ্চ পদ পালে। তেওঁলোকে দূৰ্নীতি আৰু ভেটি লোৱা নিয়ম নিৰ্মূল কৰাত যথাসাধ্যে চেষ্টা কৰিলে আৰু সফলো হ'ল। তেওঁলোক ৰজাৰ প্ৰিয়পাত্ৰ হৈ পৰিল।

জন্তুৱেও কথা ক'ব পাৰে

সাধনপুৰ নামৰ এখন গাৱঁত ভীম নামৰ এজন খেতিয়ক আছিল । তেওঁ নিজৰ চাৰি একৰ খেতিৰ মাটিত এবিধ বিশেষ শস্যৰ খেতি কৰিছিল আৰু ওচৰৰ চহৰৰ দোকানত সেয়া বেচিছিল। এবাৰ খেতিৰ চোৱাচিতা কৰোতা কালুক তেওঁ ক'লে, "মই আজি আত্মীয় এঘৰলৈ যাব লাগে৷ ঘূৰি আহোঁতে এমাহ মানো হ'ব পাৰে । খেতি চোৱাচিতা কৰাত হেলা নকৰিবা।"

কালুৱে চাৰি পাঁচ দিনত এবাৰকৈ নিজৰ পুতেকৰ গৰু গাড়ীত দহ বাৰ মোনা শস্য বোজাই কৰি চহৰৰ দোকানত বেচি থৈ আহিছিল । এমাহ পিছত ভীম ঘূৰি আহিল । তেওঁ যোৱাৰ আগতে ক'ত ক'ত কিমান শস্য আছিল চাই থৈ গৈছিল । সেইবোৰৰ এতিয়া একোৱেই নাই । তেওঁৰ ভাব হ'ল যে কালুৱেই এইবোৰ চুৰি কৰিছে । তেওঁ তাৰ চুৰি ধৰা পেলাবৰ বাবে এটা উপায় উলিয়ালে ।

পিছদিনা ভীমে তাক ক'লে, "চোৱা কালু, তোমাৰ ল'ৰাৰ গৰু গাড়ী পুৱাই লৈ আনিবা৷ চহৰত শস্য বেচিবগৈ লাগিব ।" পিছদিনা কালুৱে নিজেই গৰু গাড়ী লৈ আহিল । পঁচিশ মোনা শস্য গাড়ীত বোজাই কৰি ভীমে কালুক ক'লে, "মোৰ গা ভাল নহয় । ৰাস্তাও বেয়া, সেয়ে গৰুকেইটাক লাহে লাহে যাবলৈ দিবা ।" কালুৱে তাকেই কৰিলে । গৰু গৈ পোনেই চহৰৰ দোকানৰ সমুখত ৰৈ গ'ল । দোকানীয়ে শস্য দেখি কালুক ক'লে, "কেতিয়াও দহ বাৰ মোনাতকৈ বেচি শস্য নানিছিলা, আজি ইমানবোৰ শস্য কেনেকৈ আনিলা ?"

এতিয়া কালুৰ চুৰি ধৰা পৰি গ'ল । ভীমে তাক ক'লে, "বলদকেইটাৰ সদায় য'ত ৰোৱাৰ অভ্যাস তাতেই ৰৈছে । এই নিমাত প্ৰাণী দুটায়ো প্ৰমাণ কৰিলে যে তুমি চোৰ । মই তোমাক কামৰপৰা অব্যাহতি দিছোঁ ।"

- কোলাৰ কৃষ্ণা





এটা খৰচী মিছা কথা

স্কুলৰ ঘন্টাটো বজাৰ লগে লগেই শ্ৰেণী আৰম্ভ হ'ল। সুন্দৰে শ্ৰেণী আৰম্ভ হোৱাৰ লগে লগে বৰ আনন্দিত অনুভৱ কৰিছিল, কিন্তু শিক্ষকৰ কথা শুনাৰ লগে লগে তাৰ সেই আনন্দ পানী হ'ল। শিক্ষকে চকীখনত বহিয়েই শ্ৰেণীৰ সকলো ছাত্ৰকে গৃহকাৰ্যৰ বহীখন লৈ আহিবলৈ কলে। সুন্দৰে অনুভৱ কৰিলে যে সি গৃহকাৰ্য কৰিবলৈ পাহৰি গ'ল।

সাধাৰণতে, সি ৰাতিপুৱা শুই উঠাৰ পিছত গৃহকাৰ্য কৰে। মাকে প্ৰায়ে তাক কয় যে গৃহকাৰ্য আগদিনাৰ সন্ধিয়াই সম্পূৰ্ণ কৰিব লাগে। কিন্তু সি মাকৰ পৰামৰ্শমতে কাম নকৰে।

সুন্দৰে মাকৰ পৰামৰ্শ মানি চলিবলৈ ভাল পালেহেতেন। কিন্তু সি কৰিব? সি আন কিছুমান কাম কৰি তাতোকৈ ভাল পায়। আবেলি লগৰ ল'ৰাবিলাকৰ লগত ক্ৰিকেট খেলাটো তাৰ সকলোতকৈ প্ৰিয় কাম। তাৰপিছত সি টিভিত প্ৰিয় কাৰ্টুন ধাৰাবাহিক উপভোগ কৰে। এই দুটা কাম নকৰাকৈ দিনটো সম্পূৰ্ণ কৰাৰ কথা চিন্তাই কৰিব নোৱাৰে। ৰাতিৰ আহাৰ খোৱাৰ পিছত সি আন একো কথাই চিন্তা কৰিব নোৱাৰে। চিধাই গৈ বিচনাত উঠেগৈ আৰু শুই পৰে। এইবিলাকৰ বাবে সি গৃহকাৰ্য কৰিবৰ বাবে ৰাতিপুৱাহে সময় পায়। সেইবাবেই সি মাকৰ কথামতে আগদিনা সন্ধিয়াই গৃহকাৰ্য কৰিব নোৱাৰে।

কিন্তু কিয় সি সেইদিনা গৃহকাৰ্য কৰিবলৈ পাহৰিলে? তাৰ এটা কাৰণ আছে। আগদিনা আবেলি সি লগৰীয়াবিলাকৰ লগত ঘৰৰ আগৰ পথৰ ওপৰত ক্ৰিকেট খেলিছিল। এটা কঠিন কেছ ধৰিবলৈ গৈ সি পথৰ ওপৰত বাগৰি পৰিল আৰু আঠুত দুখ পালে। ঘৰলৈ অহাত মাকে তাৰ দুখ পোৱা ঠাইডোখৰ ভালকৈ ধুই দৰৱ লগাই দিলে।

পিছদিনা ৰাতিপুৱা, আঠুৰ বিষৰ বাবে সি গৃহকাৰ্যৰ কথা পাহৰি থাকিল। এইটো

কে পি পদ্মনাভন

এটা ভাল কাৰণ। আন যি কোনো মানুহেই এইটো কাৰণ মানি লব পাৰে। কিন্তু সি জানে যে শ্ৰেণী শিক্ষকে এই অজুহাত কেতিয়াও মানি নলব। গতিকে কি কৰিলে বাচিব পৰা যাব? সুন্দৰ মূৰ্খ নাছিল। সি লগে লগে আন এটা অজুহাত বিচাৰি উলিয়ালে।

সি লেঙেৰাই শিক্ষকৰ আগলৈ গৈ কলে, ''ছাৰ, কালি মই স্কুলৰ পৰা ঘৰলৈ গৈ থাকোতে ফুটপাথত থকা এটা গাঁতত পৰি গলো। মোৰ গৃহকাৰ্যৰ বহীৰ লগতে আন সকলো বহী পানীত পৰি গ'ল। তাৰপিছত আবেলি মই ডাক্তৰৰ ওচৰলৈ গলো। সেইবাবে গৃহকাৰ্য সম্পূৰ্ণ কৰিব নোৱাৰিলো।'' এইবুলি সি আঠুৰ ঘাঁ ডোখৰ শিক্ষকক দেখুৱালে।

সুন্দৰৰ এই বৰ্ণনাত শিক্ষকৰ হৃদয় গলি গ'ল। তেওঁ সুন্দৰৰ কথা মানি ললে আৰু কলে, ''মই তোমাৰ এই অৱস্থাৰ কথা নাজানিছিলো। মই বৰ দুখিত। মোৰ পৰা এখন নতুন বহী লৈ লবা। মই ৰাজাক কৈ দিম। তুমি তেওঁৰ পৰা গৃহকাৰ্যৰ বহীখন লৈ গোটেই ত্ৰিছ পৃষ্ঠা টুকি লব পাৰিবা। কালিলৈ দেওবাৰ। গতিকে কাম সম্পূৰ্ণ কৰি তুমি মোক সোমবাৰে দেখুৱাব পাৰিবা।''

শিক্ষকৰ কথা শুনি সুন্দৰ থৰ লাগিল। সি এনে কিবা এটা হব পাৰে বুলি সপোনতো ভৱা নাছিল। এতিয়া সি গোটেইখিনি পৃষ্ঠা টুকি লব লাগিব। নিজৰ পুৰণা বহীখনো দেখুৱাব নোৱাৰে। সি নিজেই শিক্ষকক কলে যে সেইখন নলাৰ পানীত পৰি নষ্ট হৈ গ'ল। এতিয়া সেইখনৰ পৰিৱৰ্তে এখন নতুন বহীলৈ আৰম্ভণি পৰা সকলো টুকি লব লাগিব। সি চিন্তা কৰিলে যে শিক্ষকক হয়তো সঁচা কথাটো কোৱা হলেই ভাল আছিল। খুব বেছি এটা সৰু শাস্তি ভোগ কৰিবলগীয়া হ'লহেতেন। এতিয়া মিছা কথা কোৱাৰ ফলত নিজৰেই বিপদ হৈছে।

কিন্তু কি হব। যি হ'ল সেয়াটো সি নোহোৱা কৰিব নোৱাৰে। এতিয়া সঁচা কথা কোৱাৰ সময় পাৰ হৈ গ'ল। এটা মিছা কথা সুন্দৰৰ বাবে বেছ খৰচী প্ৰমাণিত হ'ল।

তোমাক যিয়ে কলে

এগৰাকী বৃদ্ধা এখন গাৱঁৰ পৰা আন এখন গাৱঁলৈ গৈ আছিল। তেওঁ হাতত গধুৰ মোনা কঢ়িয়াই লৈ গৈছিল। তেনেতে ঘোঁৰাত উঠি এজন লোক পাৰ হৈ গ'ল। বৃদ্ধাই সেই লোকজনক চিঞৰ মাৰি ৰবলৈ কলে। মানুহজন ৰৈ দিয়া বৃদ্ধাই সুধিলে, ''হেৰা ডেকাল'ৰা, তুমি এই মোনাটো কঢ়িয়াই লৈ গৈ আগৰ গাওঁখনত মোৰ বাবে ৰৈ থাকিব পাৰিবানে? মই খৰ খোজেৰে গৈ সোনকালেই সেই গাৱঁত উপস্থিত হমগৈ। তেতিয়া তোমাৰ পৰা মোনাটো লৈ লম।'' ঘোঁৰাৰ ওপৰত উঠি যোৱা যুৱকে বৃদ্ধাৰ কথালৈ কাণেই নকৰিলে। তেওঁ ভাৱিলে, 'ইমান সময় কাৰ আছে যে বৃদ্ধাৰ মোনাটো লৈ গৈ আগৰ গাৱঁত ৰৈ থাকিবগৈ।' তেওঁ ঘোঁৰা চেকুৰাই দিলে। অলপ দূৰ যোৱাৰ পিছত হঠাতে ঘোঁৰাত উঠি যোৱা যুৱকজনে ভাৱিলে, 'বৃদ্ধাই মোক তেওঁৰ মোনাটো দিব খুজিছিল। তাত হয়তো কিবা মূল্যৱান বস্তুও থাকিব পাৰে। মই সেইটো লৈ পলাই যোৱাই উচিত হব।'

এই ভাৱি তেওঁ পুণৰ উভতি আহিল আৰু বৃদ্ধাৰ ওচৰলৈ গৈ কলে, ''আপুনি মোক আপোনাৰ মোনাটো দিব পাৰে। মই আপোনাক সহায় কৰিবলৈ ৰাজী আছো।''

কিন্তু যুৱকক আচৰিত কৰি বৃদ্ধাই কলে, ''মোক তোমাৰ সহায়ৰ প্ৰয়োজন নাই, মই নিজেই এইটো কঢ়িয়াই লৈ যাব পাৰিম।''

যুৱকে সুধিলে, ''কিন্তু কিয়?''

''মই তোমাক এতিয়া বিশ্বাস কৰিব নোৱাৰো।'' বৃদ্ধাই কলে।

''কিন্তু আপোনাক কোনে কলে মোক বিশ্বাস নকৰিবলৈ।'' যুৱকে সুধিলে।

''তোমাক যিয়ে উভতি আহিবলৈ কলে, মোকো সিয়ে কলে।'' বৃদ্ধাই উত্তৰ দিলে।

– প্ৰৱীণ চন্দ্ৰ জৈন

ব্যৱসায়িক বুদ্ধি

ৰোহণ আৰু ভূষণ চহৰখনৰ নামকৰা ব্যৱসায়ী আছিল । দুয়োৰে মাজত ভীষণ প্ৰতিযোগিতা আছিল । এদিন, ভূষণৰ ওচৰলৈ এজন যুৱক আহিল । কামত ব্যস্ত ভূষণে অলপ সময়ৰ পিছত মূৰ দাঙিলে আৰু তেওঁক তেওঁৰ নাম কি আৰু কি কামত আহিছে সুধিলে ।

"মহোদয়, মোৰ নাম বালাজী । ৰোহন ডাঙৰীয়াৰ তাত কাম কৰিছিলো । তেওঁ দৰমহা কম দিছিল, সেয়ে মই সেই কাম এৰি দিলো । আপোনাৰ ইয়াত কাম পালে কৰিম ।" ভূষণে সুধিলে, "তুমি যে ইয়াতো দৰমহা বঢ়াবলৈ নকবা তাৰ কি ভৰসা আছে ?" "মহোদয়, দৰমহা পৰ্য্যাপ্ত নহলে পিছত দৰমহা বঢ়াবলৈ অনুৰোধ কৰাটো জানো ভুল কথা?" বালাজীয়ে নম্ৰ সুৰেৰে ক'লে ।

"ধৰি লোৱা মই তোমাক কামত নিযুক্তি দিলো, তাৰদ্বাৰা মোৰ বিশেষ লাভ কি হ'ব ?" ভূষণে সুধিলে । বালাজীয়ে ক'লে, "আপুনি কি ক'ব খুজিছে মই বুজি পোৱা নাই ।"

"মই ক'ব খুজিছো যে ৰোহণে ব্যৱসায়ত উন্নতি ঘটাবৰ কাৰণে কি কি ব্যৱস্থা হাতত লৈছে তুমি ক'ব পাৰিবানে ?" ভূষণে সুধিলে । "ক্ষমা কৰিব । মই আপোনাক সেই সম্বন্ধীয় কোনো কথা ক'ব নোখোজোঁ, কিয়নো সেই কথা কোৱাৰ পিছত মোক আপুনি কামত নাৰাখিব ।"

"এনে আশংকা তোমাৰ কিয় হৈছে ?" ভূষণে সুধিলে । "তেতিয়া আপুনি মোক সুধিব যে তুমি ইয়াৰ কথাও যে তাত নক'বাগৈ তাৰ কি ভৰসা আছে," বালাজীয়ে ক'লে ।

তেওঁৰ উত্তৰ শুনি ভুষণে হোহোৱাই হাঁহি দিলে আৰু ক'লে, "বালাজী, তোমাৰ উত্তৰে তোমাৰ বুদ্ধিমত্তাই নহয় বৰঞ্চ তোমাৰ আত্মসন্মানো প্ৰতিফলিত কৰিছে । ৰোহণ আৰু মোৰ মাজত কেৱল ব্যৱসায়িক কথাতহে ফেৰ আছে, আমি কামত লগোৱা মানুহক লৈ নহয় । আহাঁ, আহাঁ, এই বহী পত্ৰ চমজি লোৱা আৰু কামত লাগি যোৱা ।"



ৰাম-কৃষ্ণ

গোপাল নাৰায়ণপুৰৰ ধনী লোকসকলৰ এজন আছিল। তেওঁ সকলোৰে লগত বৰ ভাল ব্যৱহাৰ কৰিছিল। সহায় খুজি অহা কোনো মানুহকে তেওঁ বিমুখ নকৰিছিল।

এদিন পুৱাই গা-ধুই উঠি পূজা কৰিবৰ বাবে যেতিয়া তেওঁ ঘৰৰ সমুখৰ ফুলগছৰ পৰা ফুল ছিঙিছিল, তেতিয়া বাৰ বছৰ বয়সীয়া এটা ল'ৰা আহিল আৰু ক'লে, "নমস্কাৰ, আপুনিয়েই গোপাল ভাগৱতী নহয় জানো?"

"হয়, তুমি কোন ? কি লাগে ?" গোপালে সুধিলে।

"মোৰ নাম কৃষ্ণ, আপোনাৰ ঘৰত মোক কাম লাগে," হাত যোৰ কৰি বৰ বিনয়েৰে ল'ৰাটিয়ে ক'লে।

গোপালে হাঁহি এটা মাৰি সুধিলে, "তুমি নো কি কাম কৰিব পাৰিবা ?"

"যি কামেই আপুনি দিব, তাকেই কৰিম। মোৰ মা দেউতা সৰুতেই ঢুকাল। মামাৰ ঘৰত ডাঙৰ হৈছিলো। মামীয়ে সকলো কাম মোৰ হতুৱাই কৰাইছিল। তেওঁৰ ল'ৰা-ছোৱালী এতিয়া ডাঙৰ হ'ল। খৰচো বাঢ়িল, সেয়ে তেওঁলোকে বিচাৰিছে যে মই তাৰ পৰা গুচি আহো আৰু কিবা কাম কৰি নিজৰ পেট প্ৰৱৰ্তাওঁ। এইখন গাৱঁত আপোনাক সকলোৱে শলাগে। সেয়ে ময়ো আপোনাৰ সহায় বিচাৰি আহিছো।"

গোপালে ক'লে, "এতিয়া মোক কোনো কাম কৰা মানুহৰ প্ৰয়োজন নাই। অৱশ্যে পঢ়িব খুজিলে মই ব্যৱস্থা কৰি দিম।"

কৃষ্ণই তুৰন্তে গোপালৰ ভৰিত দীঘল দি পৰিল, "পঢ়া-শুনাত মোৰ মন আছিল। মামীয়ে এই বছৰ মোৰ পঢ়া-শুনা এৰুৱাই দিলে।," এইদৰে কওঁতে তাৰ চকু ঢুলঢুলীয়া হৈ পৰিল।

গোপালে পুতেক ৰামক মাতি পঠিয়ালে, আৰু ক'লে, "এওঁৰ নাম কৃষ্ণ। তোমাৰ কোঠাতে থাকিব। এওঁকো

ৰমেশ পন্ত

তোমাৰ লগতে স্কুললৈ লৈ যাবা । ময়ো শিক্ষকক কথাটো জনাম ।”

“ঠিক আছে দেউতা” এইবুলি কৈ তেওঁ কৃষ্ণক নিজৰ কোঠালৈলৈ গ’ল ।

গোপালৰ পত্নী ৰাধাৰ এই কথাটো ভাল নালাগিল । তেওঁ ক’লে, “কিমান অনাথক আমি আৰু আশ্ৰয় দিম” খঙত তেওঁ ক’লে।

“চাওঁচোন বাৰু” এইবুলি কৈ গোপালে হাঁহিবলৈ ধৰিলে ।

ঘৰৰ কামত ৰাধাক সহায় কৰি কৃষ্ণ ৰামৰ লগত স্কুললৈ যাবলৈ ল’লে । আগতে ৰাম প্ৰতিটো পৰীক্ষাতে প্ৰথম হৈছিল । কিন্তু এতিয়া কৃষ্ণই প্ৰথম স্থান অধিকাৰ কৰিবলৈ ল’লে আৰু ৰামে দ্বিতীয় স্থান পাবলৈ ল’লে।

যেতিয়া গোপালে এই কথা গম পালে তেতিয়া তেওঁ পুতেকক ক’লে, “কৃষ্ণ তোমাতকৈ বেছি পৰিশ্ৰমী । প্ৰয়োজন হ’লে তেওঁৰ পৰা সহায় ল’বা ।”

ৰামে পিতাকৰ এই কথা ভাল নাপালে। সি অপমান বোধ কৰিলে । এদিন সি মাকক ক’লে, “মা, কৃষ্ণক ঘৰৰ পৰাই নহয়, স্কুলৰ পৰাই উলিয়াই দিওৱাচোন । ময়েই প্ৰথম হৈ থাকিব খোজো ।”

ৰাধায়ো পুতেকৰ সুৰতে সুৰ মিলাই ক’লে, “প্ৰথমতেই মই হাক দিছিলো । দেউতাৰেতো মোৰ কথা নুশুনে ।”

তাৰ পিছত তেওঁ গছৰ তলত বহি কিতাপ পঢ়ি থকা কৃষ্ণৰ ওচৰলৈ গৈ ক’লে, “চা কৃষ্ণ, আগলৈ পৰীক্ষাত প্ৰশ্ন কাকতৰ এটা প্ৰশ্নৰ উত্তৰ নকৰিবি, বুজিলিনে ?”

“আইদেউ, মইতো সকলো প্ৰশ্নৰে উত্তৰ জানো ।” আচৰিত হৈ ৰাধাৰ চকুলৈ চাই কৃষ্ণই ক’লে ।

“তথাপিও প্ৰতিটো পৰীক্ষাত এটা প্ৰশ্নৰ উত্তৰ নকৰিবি । এয়া মোৰ আদেশ ।” ৰাধাই কঠুৰা সুৰেৰে ক’লে ।

ইয়াৰ পিছত ৰামে প্ৰতিটো পৰীক্ষাতে প্ৰথম স্থান পাবলৈ ধৰিলে । কৃষ্ণই দ্বিতীয় স্থান পাবলৈ ল’লে । এই পৰিৱৰ্ত্তনত শিক্ষক আচৰিত হ’ল । কৃষ্ণক বাৰে বাৰে সোধাত তেওঁ আচল কথাটো গম পালে । তেওঁ কৃষ্ণৰ কাৰণে এটা বিশেষ পৰীক্ষা পাতিলে আৰু ওপৰ শ্ৰেণীলৈ উত্তীৰ্ণ কৰিলে । নিজৰ শ্ৰেণীৰ পৰা কৃষ্ণ গুচি যোৱাত ৰাম অতি সুখী হ’ল।

শিক্ষকৰ যোগেদি যেতিয়া গোপালে সকলো গম পালে তেতিয়া ক’লে, “আপুনি ঠিকেই কৰিলে । ইয়াত কৃষ্ণৰ

প্ৰতি ন্যায় কৰা হ'ল । কিন্তু ৰামৰ অনিষ্ট কৰা হ'ল । সি জনা উচিত যে কাৰোবাক ঈৰ্ষা কৰাটো অন্যায় । সি এইটোও জনা উচিত যে কাৰোবাক পিচ পেলাবলৈ হ'লে প্ৰতিযোগিতাৰ মনোবৃত্তি থাকিবই লাগিব। ৰাম এটা ভাল ল'ৰা হৈ উন্নতি কৰক তাৰ দায়িত্ব আপোনাৰ ওপৰত।"

শিক্ষকে অলপ পৰ ভাবি-চিন্তি ক'লে, "ৰাম যাতে নষ্ট নহয় তাৰ বাবে চেষ্টা কৰিম।"

সেইদিনা তেওঁ শ্ৰেণীত এটা কাহিনী শুনালে । এজন ৰজা আছিল । তেওঁৰ এজনেই পুত্ৰ আছিল । ঘোঁৰা চলোৱাত যুৱৰাজ পাকৈত আছিল । প্ৰায়েই তেওঁ ঘোঁৰাত উঠি অৰণ্যলৈ যায় । তেওঁ ঘোঁৰা বৰ বেগাই চলাইছিল । সেয়েহে তেওঁৰ লগৰীয়া সকলৰ কোনেও তেওঁৰ ওচৰ চাপিব নোৱাৰিছিল । সকলোৱে তেওঁৰ প্ৰশংসা কৰিছিল আৰু কৈছিল যে ঘোঁৰা চলোৱাত তেওঁৰ সমকক্ষ আৰু কোনো নাই।

এদিন হঠাতে যুৱৰাজে ভীল সকলৰ নেতাৰ পুত্ৰক লগ কৰিলে । সেই যুৱকে যুৱৰাজতকৈয়ো অধিক বেগাই ঘোঁৰা চলাব পাৰিছিল । এতিয়া যুৱৰাজৰ বন্ধু সকলে সেই ভীল যুৱকৰ অধিক প্ৰশংসা কৰিবলৈ ধৰিলে ।

ভীল যুৱকে এদিন যুৱৰাজক ক'লে, "বেগাই ঘোঁৰা চলোৱাই নহয়, বৰঞ্চ আন কিছুমান কৌশলো মই আপোনাক শিকাম।"

"মোক তুমি শিকাবৰ কোনো প্ৰয়োজন নাই । প্ৰতিযোগিতাৰ প্ৰতি মোৰ আছে অনীহা। আগলৈ কেতিয়াও মোক দেখা নিদিবা ।" যুৱৰাজে ক্ৰোধান্বিত হৈ ক'লে ।

এদিন যুৱৰাজে নিজৰ লগৰীয়া অশ্বাৰোহী সকলৰ পৰা পৃথক হৈ গ'ল

আৰু অৰণ্যৰ বহুত ভিতৰলৈ সোমাই গ'ল। ভীল যুৱকে সেই সময়তে পৰ্বতক প্ৰণাম কৰি ঘোঁৰাত উঠি ঘূৰি আহিছিল । যুৱৰাজক দেখাৰ লগে লগে তেওঁ বিনয়েৰে নমস্কাৰ দিলে আৰু কথা পাতিব খুজিলে । কিন্তু যুৱৰাজে অনিচ্ছাৰে মুখ ঘূৰাই দিলে । তেনেতে জোপোহাৰ আঁৰৰ পৰা ওলাই এটা বাঘ তেওঁৰ ফালে বেগাই আহিবলৈ ধৰিলে।

যুৱৰাজে খাপৰ পৰা তৰোৱাল উলিয়াই লৈছিল । তেনেতে বাঘ দেখি তেওঁৰ ঘোঁৰাটোৱে ভয় খাই গ'ল । ঘোঁৰাটো বিতত হৈ গছৰ মাজে মাজে পলাবলৈ ধৰিলে । বাঘে তাৰ পিছ ল'লে । এই দৃশ্য দেখি ভীল যুৱকে বেগাই নিজৰ ঘোঁৰা দৌৰাই বাঘক লক্ষ্য কৰি শেল নিশেপ কৰিলে। সেইপাত বাঘটোৰ বুকুত লগাত সি মাটিত পৰি ছটফটাবলৈ ধৰিলে।

যুৱৰাজৰ কি হৈছে জানিবলৈ বেছি দেৰী নালাগিল । তেওঁ ভীল যুৱকৰ ওচৰলৈ গৈ ক'লে, "ঘোঁৰা চলোৱাতে নহয় বৰঞ্চ তুমি এইটো কথাও ভালদৰে জানা কি সময়ত কি কৰিব লাগে । মোৰ প্ৰাণ ৰক্ষা কৰাৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ ।"

এই কাহিনী শুনোৱাৰ পিছত শিক্ষকে ক'লে, "দেখিলা, ভীল যুৱকৰ পৰা ঘোঁৰা চলাবলৈ শিকা হ'লে যুৱৰাজে বাঘৰ মুখামুখি হ'ব পাৰিলেহেঁতেন । মানুহ আজীৱন বিদ্যাৰ্থী। যি কথা মানুহে নিজে নাজানে সেই কথা অইনৰ পৰা শিকিবলৈ অস্বীকাৰ কৰিব নালাগে । এইটো কেতিয়াও ভাবিব নালাগে যে এনে কৰিলে মানুহ সৰু হয় । আমাৰ ঈৰ্ষাই আমাকে বিপদত পেলাব পাৰে। জীৱনত উন্নতি কৰিবলৈ অধিক জ্ঞান লভাটো আমাৰ বাবে প্ৰয়োজনীয় । প্ৰতিযোগিতাৰ মনোবৃত্তি থাকিলেহে আমাৰ উন্নতি সম্ভৱ ।" এইদৰে কৈ তেওঁ ৰামৰ অভিব্যক্তি চাই থাকিল ।

পিছদিনা ৰামে শিক্ষকক ক'লে, "মোৰ বাবেও এটা বিশেষ পৰীক্ষা পাতক আৰু মোকো ওপৰ শ্ৰেণীত ভৰ্তি কৰাওক। কৃষ্ণৰ লগত ফেৰ মাৰি পঢ়িম ।"

ৰামৰ পৰিৱৰ্ত্তনত শিক্ষক সুখী হ'ল ।

ঠগবাজী

এসময়ত নিৰঞ্জনপুৰত সুমিত্ৰ নামৰ এজন সাধাৰণ খেতিয়কে বাস কৰিছিল। তেওঁ আছিল এজন যুৱক। অলপ দিনৰ আগতে সুমিত্ৰৰ এজন ধনী সম্বন্ধীয়ৰ মৃত্যু হোৱাত তেওঁৰ সকলো সম্পত্তি সুমিত্ৰই লাভ কৰিলে, কিয়নো সেইজন লোকৰ নিজৰ বুলিবলৈ কোনো সতি সন্ততি নাছিল।

সুমিত্ৰই এইদৰে লাভ কৰা সকলো সম্পত্তি বিক্ৰী কৰি দিলে আৰু বহু ধন লাভ কৰিলে। তেওঁ সেই ধন ব্যৱসায়ত লগাবলৈ সিদ্ধান্ত কৰিলে। তেওঁৰ চহৰীয়া বন্ধু সন্দীপ আৰু সাৰংগৰ সৈতে এটা ব্যৱসায় আৰম্ভ কৰিলে। তেওঁ নিজে গাৱঁত থাকি নিজৰ খেতি পথাৰত কাম কৰি মাজে মাজে চহৰীয়া বন্ধুক লগ ধৰি ব্যৱসায় আগুৱাই নিবলৈ চেষ্টা কৰিলে। প্ৰথম অৱস্থাত ব্যৱসায়ত প্ৰচুৰ পৰিমাণৰ লাভ হ'ল। সুমিত্ৰ বৰ সুখী হ'ল। তেওঁ ইমান বেছি লাভ কৰিব বুলি কেতিয়াও কল্পনা কৰা নাছিল। তেওঁৰ বন্ধুসকলে বেছি পৰিমাণৰ ধন ব্যৱসায়ত লগাবৰ বাবে পৰামৰ্শ দিলে। সেই পৰামৰ্শ সুমিত্ৰই মানি চলিবলৈ আৰম্ভ কৰিলে। তেওঁ গাৱঁত থকা এটুকুৰা মাটি বিক্ৰী কৰি চহৰত এটা ঘৰ ক্ৰয় কৰিলে আৰু পৰিয়াল লৈ তাত থাকিবলৈ আৰম্ভ কৰিলে। ব্যৱসায়ৰ লাভ বৃদ্ধি পোৱাৰ লগে লগে খেতি কাৰ্যৰ ওপৰত থকা তেওঁৰ বিশ্বাস হেৰাই যাবলৈ আৰম্ভ কৰিলে। তেওঁ লাহে লাহে গাঁৱৰ মাটিবিলাক বিক্ৰী কৰি দিবলৈ ধৰিলে আৰু সকলো ধন ব্যৱসায়ত লগাই দিলে।

কিছুসময় পাৰ হৈ গ'ল। এইবাৰ তেওঁৰ ব্যৱসায়ত লোকচান হ'ল। সুমিত্ৰ চিন্তিত হ'ল। কিন্তু তেওঁৰ বন্ধু সন্দীপ আৰু সাৰংগই আৰু অধিক টকা ব্যৱসায়ত লগাবলৈ তেওঁক মান্তি কৰালে।

"ব্যৱসায়ত এনে হয়েই। আমি চিন্তা কৰি থকাৰ কোনো প্ৰয়োজন নাই। লাভ আৰু লোকচান হ'ল আন্ধাৰ আৰু পোহৰৰ দৰে। আমি এই লোকচান অলপ দিনৰ

দাসৰি ভেংকটৰমণ

ভিতৰতে পুণৰ উদ্ধাৰ কৰিম আৰু তাৰপিছত অধিক লাভ কৰিবলৈ সক্ষম হম।''

আৰু কিছুদিন পাৰ হৈ গ'ল। ব্যৱসায়ত পুণৰ লোকচান হ'ল। সুমিত্ৰৰ দুই বন্ধুৱে পুণৰ বুজালে, ''যদি আমি ধৈৰ্য ধৰি থাকো, সকলো গতলৈ আহিব।'' সুমিত্ৰই পুণৰ তেওঁলোকৰ কথাকে বিশ্বাস কৰি ললে।

কিন্তু এইধৰণৰ ঘটনাই সুমিত্ৰক আমনি কৰিবলৈ ধৰিলে। তেওঁ ব্যৱসায়ক লৈ চিন্তিত হবলৈ আৰম্ভ কৰিলে। তেওঁৰ স্বাস্থ্য লাহে লাহে পৰি আহিবলৈ আৰম্ভ কৰিলে। তেওঁৰ পত্নী আৰু সন্তানো তেওঁৰ স্বাস্থ্যক লৈ চিন্তিত হবলৈ ধৰিলে। তেওঁলোকে এই কথা চিন্তা কৰিবলৈ আৰম্ভ কৰিলে যে গাৱঁত খেতি কৰি খোৱা দিনবিলাকেই ভাল আছিল।

কিছুদিনৰ পিছতে সুমিত্ৰই ভয় কৰি থকাৰ দৰে ব্যৱসায়ত এক বিশাল পৰিমাণৰ লোকচান হ'ল। তেওঁ এইবাৰ সকলো মূলধন হেৰুৱাই পেলালে আৰু ডিঙিৰ গুৰিলৈকে ধাৰত পোত গ'ল।

সন্দীপে পুণৰ তেওঁৰ বুজাবলৈ আৰম্ভ কৰিলে। তেওঁ কলে, ''যি হ'ল হ'ল। সেয়া পাহৰি যোৱাই ভাল হব। আমি পুণৰ আৰম্ভণি কৰাই উচিত হব।'' সুমিত্ৰই এক উকা দৃষ্টিৰে তেওঁৰ বন্ধুৰ চকুলৈ চালে, কিন্তু একো নকলে। তেওঁৰ ওচৰত তেতিয়াও অলপমান খেতিৰ মাটি বিক্ৰী নকৰাকৈ আছিল।

সেইটুকুৰা মাটিয়েই তেওঁক ৰক্ষা



কৰিলে। তেওঁ তাতে থাকি লৈ পুণৰ খেতি কৰিবলৈ আৰম্ভ কৰিলে।

তাৰপিছত অলপদিন পাৰ হৈ গ'ল। মানুহৰ মুখত সুমিত্ৰই শুনিবলৈ পালে যে সন্দীপ আৰু সাৰংগই সুমিত্ৰক ৰাম ঠগন দিলে। প্ৰকৃততে তেওঁৰ ব্যৱসায়ত বহু পৰিমাণৰ লাভ হৈ আছে। লোকচান হৈছে বুলি তেওঁক মিছা খবৰ দিয়া হ'ল। কেইবাজনো লোকৰ পৰা এইদৰে শুনি তেওঁ এবাৰ অনুসন্ধান কৰি চালে। তেওঁ জানিব পাৰিলে যে এটা সময়ত বিশাল লোকচানৰ সন্মুখীন হোৱা তেওঁৰ ব্যৱসায় এতিয়া ভালে ভালেই চলি আছে। সন্দীপৰো অৰ্থনৈতিক অৱস্থা ভাল। আচৰতিভাৱে সাৰংগৰ সৈতে থকা সন্দীপৰ আনবিলাক ব্যৱসায়ত প্ৰচুৰ পৰিমাণৰ লাভ হৈ আছে।

সুমিত্ৰৰ সন্দেহ বৃদ্ধি পালে। তেওঁ পোনে

পোনে গৈ সন্দীপক লগ ধৰিলে। সন্দীপে তেওঁৰ বন্ধুক বৰ আদৰ সাদৰ কৰিলে। প্ৰয়োজনতকৈ অলপ বেছিয়েই কৰিলে। সুমিত্ৰই তেওঁৰ সন্দেহৰ কথা সন্দীপক সোধাত তেওঁ কলে, ''মই তোমাক কোৱা নাছিলোনে যে ব্যৱসায়ত কেতিয়াবা লাভ হব পাৰে আৰু কেতিয়াবা লোকচান হব পাৰে? চোৱা, কিছুমান ব্যৱসায়ৰ পৰা এতিয়া লাভ হৈছে।'' এইবুলি কৈ তেওঁ এটা সন্তুষ্টিৰ হাঁহি মাৰিলে।

সন্দীপৰ হাঁহিত সুমিত্ৰই আৰু বেছি অপমানিত বোধ কৰিলে। তেওঁ অলপ সময় মনে মনে থাকিল। তাৰপিছত তেওঁ সন্দীপক কলে, ''ঠিক আছে, তেন্তে আমি এবাৰ আমাৰ জমা-খৰচৰ বহীবিলাক পৰীক্ষা কৰি চোৱা ভাল হব। নহয়নে বাৰু?''

এই কথা শুনি সন্দীপক অলপ অস্বস্তিত পৰা যেন লাগিল। তেওঁ কলে, ''কোনবিলাক জমা-খৰচৰ কথা কৈছা? সেইবিলাক আমি তেতিয়াই ফালি পেলাই দিয়া নাছিলো জানো? তেনে ধৰণৰ জমা-খৰচৰ বহী বেছিদিন লগত থোৱা ভাল নহয়। সিবিলাকে কেৱল আমাৰ মনত দুখহে দিয়ে।''

এই কথা শুনি সুমিত্ৰ নিশ্চিত হ'ল যে সন্দীপে ইচ্ছা কৰিয়েই তেওঁক ঠগিলে। তেতিয়াৰে পৰা তেওঁ সন্দীপ আৰু আনজন বন্ধুৱে কেনেকৈ তেওঁক ব্যৱসায়ত ঠগি সকলো টকা-পইছা হাত কৰিলে সেই কথা আনক কবলৈ ধৰিলে। এই সকলো কথা তেওঁ গাওঁৰ স্কুলৰ শিক্ষক ৰমণকো কলে।

ৰমণ আছিল এজন জ্ঞানী লোক। তেওঁ সুমিত্ৰৰ পৰা সকলো কথা শুনাৰ পিছত অলপ সময় মনে মনে কিবা চিন্তা কৰিলে। তাৰপিছত তেওঁ কলে, ''মোৰ বোধেৰে এয়া কেৱল সন্দীপৰ ভুল নহয়। মই ভাৱো যে তুমিও বহু ভুল কৰিছা।''

এই কথা শুনি সুমিত্ৰ আচৰিত হ'ল। তেওঁ কেতিয়াও ভৱা নাছিল যে তেওঁ কিবা ভুল কৰিছে। তেওঁ চিন্তা কৰিলে যে ৰমণে নিশ্চয় তেওঁ কোৱা সকলো কথা ভালদৰে নুশুনিলে। সেইবাবে তেওঁ পুণৰ গোটেই ঘটনাটো ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিলে।

সুমিত্ৰই পুণৰ গোটেই ঘটনাটো বৰ্ণনা কৰিবলৈ লোৱা দেখি ৰমণে তেওঁক বাধা দি কলে, ''মই তোমাৰ লগত এই কথাত একমত যে তোমাক সন্দীপে ঠগিলে। কিন্তু মই আকৌ কওঁ যে তুমিও এই গোটেই প্ৰক্ৰিয়াত কিছুমান ভুল নকৰা নহয়।''

ৰমণে সুমিত্ৰক কলে, ‘‘যদি এজন লোকে আমাক এবাৰ ঠগিবলৈ চেষ্টা কৰে, তেন্তে আমি কও যে সেয়া তেওঁৰ ভুল। কিন্তু একেজন মানুহেই আমাক দুবাৰ ঠগে, তেন্তে আমি কও সেয়া আমাৰ ভুল।’’

ৰমণে সুধিলে, ‘‘সন্দীপৰ লগত ব্যৱসায় কৰি থকাৰ সময়ত তুমি নিশ্চয় কেতিয়াও জমা-খৰচৰ বহী পৰীক্ষা কৰি চোৱা নাছিলা। হয়নে নহয় বাৰু?’’

‘‘হয়, মই তেওঁক বিশ্বাস কৰিছিলো। তেওঁ মোৰ বৰ ভাল বন্ধু।’’

ৰমণ কলে, ‘‘তুমি কৈছা যে তুমি তেওঁক বিশ্বাস কৰিছিলা। কিন্তু মই ভাৱো সেয়া সঁচা নহয়। তুমি নিজৰ ব্যৱসায়ৰ বিষয়ে একো নাজানা। কি বস্তু কিমান দামত কিনা হ'ল আৰু তাৰপিছত কিমান দাম বিক্ৰী কৰা হ'ল তাকো নাজানা। কিন্তু কেৱল ব্যৱসায়ত টকা খটুৱাই গ'লা। সকলোতকৈ ডাঙৰ ভুল হ'ল যে তুমি সকলোকে কৈ ফুৰিলা সন্দীপে তোমাৰ ঠগিলে বুলি। সেইটোৱেই প্ৰমাণ কৰে যে তোমাৰ কোনো ব্যৱসায় জ্ঞান নাই। যিসকলে সন্দীপক ভাল নাপাই, তেওঁলোকে তুমি কোৱা কথাৰ লগত আৰু কিছু যোগ দি আনক কৈ ফুৰিব আৰু তোমাক ভালৰি লগাবলৈ চেষ্টা কৰিব। তাৰপিছত হয়তো আন কিবা ব্যৱসায় কৰিবলৈ তোমাক প্ৰস্তাৱ দিব। যি সকলে আনক ঠগিবৰ বাবে চেষ্টা কৰি থাকে, তেওঁলোকৰ বাবে তুমি এক সহজ লক্ষ্য।’’

সুমিত্ৰই ৰমণে কোৱা সকলো কথা ভালদৰেই বুজি পালে। আনে আমাক ঠগাটোত আমাৰো ভুল থাকে। তেওঁ এই কথাখিনি ভালদৰে বিস্তাৰ কৰি কোৱাৰ বাবে ৰমণক ধন্যবাদ জনালে। তাৰপিছত তেওঁ ব্যৱসায় সম্বন্ধে সকলো কথা খৰচি মাৰি শিকি লৈ নিজাকৈ এটা ব্যৱসায় আৰম্ভ কৰিলে।

তেওঁৰ ব্যৱসায় বৰ ভালকৈ চলিবলৈ ধৰিলে আৰু অলপ দিনৰ ভিতৰতে তেওঁ বহু টকা লাভ কৰিবলৈ সক্ষম হ'ল। তেওঁ বুজি পালে যে নিজৰ ভুল বিচাৰি উলিয়াই তাক শুধৰাই ললে জীৱনত সমৃদ্ধি লাভ কৰাটো একেবাৰে সহজ হৈ পৰে।



কাজিয়া লোকচানৰ কাৰণ

এজন ক্ষুদ্ৰ খেতিয়ক আৰু এজন ধনী লোক চুবুৰীয়া আছিল। ধনী লোকজনে এটা বিলাসী অট্টালিকাত বাস কৰিছিল আৰু খেতিয়কে এটা সৰু ঘৰত জীৱন কটাইছিল। এবাৰ খেতিয়কৰ এজনী কুকুৰা ধনী লোকজনৰ গৰুগাড়ীৰ চকাৰ তলত সোমাল আৰু মৰা গ'ল। খেতিয়কজনে সেই কথাকে লৈ ধনী লোকজনৰ লগত কাজিয়া আৰম্ভ কৰিলে।

"তোমাৰ কুকুৰা দূৰ্ঘটনাবশত আহি মোৰ গাড়ীৰ চকাৰ তলত সোমাল। মই তোমাৰ ক্ষতিৰ বাবে দুখিত। কিন্তু মোৰ ইয়াত কোনো ভুল নাই। তথাপিও তুমি কুকুৰাজনীৰ কিমান দাম মোক কোৱা। মই তোমাক সেই মূল্য পৰিশোধ কৰিম।" কোনো সংকোচ নকৰাকৈ ধনী লোকজনে দুঘটনাটোৰ বাবে দুখ প্ৰকাশ কৰি কলে।

খেতিয়কে সেই কথা শুনি মূৰ জোকাৰি কলে, "তোমাৰ টকাৰ মোৰ প্ৰয়োজন নাই।"

এই কথা শুনি ধনীলোকজনে লগে লগে এজনী কুকুৰা কিনি খেতিয়কক দি দিলে। কিন্তু তথাপিও খেতিয়কৰ খং নাইকিয়া নহ'ল। তেওঁ গৈ গাৱঁৰ পহৰীয়া হিচাপে কাম কৰা এজন বন্ধুৰ ওচৰ পালেগৈ আৰু সকলো কথা খুলি আলোচনা কৰিলে।

অলপদিনৰ পিছত ধনী লোকজন আৰু তেওঁৰ পৰিয়াল ফুৰিবলৈ যোৱাত, পহৰীয়া বন্ধুৱে খেতিয়কক বুদ্ধি দি কলে, "এইটোৱেই ভাল সুবিধা। তুমি আন গাৱঁৰ মানুহ লগাই তেওঁৰ বাগিছাখন নষ্ট কৰি পেলোৱা।"

কথামতেই ধনী লোকজনৰ বাগিছাখন নষ্ট কৰি পেলোৱা হ'ল। খেতিয়কজনে পহৰীয়া বন্ধুক চাউল অলপ দি সহায়ৰ শলাগ ললে।

ঘূৰি আহি যেতিয়া ধনীলোকজনে বাগিছাৰ অৱস্থা দেখিলে, তেওঁ বৰ চিন্তিত হৈ উঠিল। গাৱঁৰ পহৰীয়াই ধনী লোকজনক লগ ধৰি কলে, "মই

এম ভি ভি সত্যনাৰায়ণ

আপোনাৰ বাগিছাখন আগৰ দৰে কৰি পেলাম। তাৰবাবে আপুনি মোক যি ভাল দেখে তাকে দিব।’’

কথা শুনি ধনী লোকজনৰ মন অলপ ভাল লাগিল। তেওঁ পহৰীয়াক কামটো দিলে। পহৰীয়াই চিনাকি মানুহ অলপ আনি অলপদিনৰ ভিতৰতে বাগিছাখনৰ ৰূপ আগৰ দৰে কৰি পেলালে। সেই কামত সুখী হৈ ধনীজনে বেছ কিছু টকা পহৰীয়াক দিলে।

কিন্তু ইফালে, পহৰীয়াই ধনী মানুহজনৰ ঘৰলৈ ঘনাই আহ-যাহ কৰা দেখি খেতিয়কৰ চিন্তা হবলৈ ধৰিলে। ভাবিলে যে পহৰীয়াই তেওঁ বাগিছা ধ্বংস কৰাৰ কথা কৈ দিবও পাৰে। সেইবাবে তেওঁ পহৰীয়াক ইটো সিটো বস্তু দি থাকিবলৈ ধৰিলে । পহৰীয়াই খেতিয়কৰ মনৰ ভাৱ বুজি তেওঁক ‘ব্লেকমেইলিং’ কৰিবলৈ ধৰিলে। খেতিয়কে মনৰ শান্তিৰ লগতে বহু সম্পদো হেৰুৱালে।

তেনে সময়তে এদিন ধনী লোকজনে খেতিয়কক নিজৰ ঘৰলৈ আমন্ত্ৰণ জনালে। যেতিয়া তেওঁ ধনীলোকজনৰ ঘৰলৈ গ’ল, তেতিয়া দেখিলে যে যিসকল লোকক ভাৰা কৰি তেওঁ বাগিছা ধ্বংস কৰিছিল, সেইসকলো তাতে আছে। ঘটনা দেখি খেতিয়ক বৰ চিন্তিত হৈ পৰিল।

ধনী লোকজনে খেতিয়কক বহিবলৈ কলে আৰু তাৰ পিছত অভয় দি কলে, ‘‘অনুগ্ৰহ তুমি চিন্তা নকৰিবা। মই জানো যে কুকুৰাজনীৰ মৃত্যুৰ পিছত তুমি মোৰ প্ৰতি শত্ৰুতা পুহি ৰাখিছা। তুমি এই কথা বুজি পোৱা উচিত যে তোমাৰ বন্ধু গাৱঁৰ পহৰীয়াই এই গোটেই ঘটনাটোৰ পৰা সুবিধা আদায় কৰিলে। বাগিছখন আগৰদৰে হোৱাৰ পিছত সি মোৰ ঘৰত এবাৰো প্ৰৱেশ কৰা নাই। কিন্তু মই এই কথা লক্ষ্য কৰিছো যে তুমি বৰ চিন্তান্বিত হৈ আছা আৰু তাক ঘোঁচ হিচাপে ইটো সিটো দি আছা। মই ভাৱো তোমাৰ ভালেখিনি লোকচান হ’ল।’’ এই কথা শুনি খেতিয়কে নিজৰ ভুল বুজি পালে আৰু নিজৰ দোষ স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰিলে। তাৰপিছত ধনী লোকজন আৰু খেতিয়ক দুয়ো বন্ধু হৈ পৰিল।

চুঙা চাই সোপা

এসময়ত দত্তপুৰ নামৰ এখন গাঁৱত বিপুল নামৰ এজন লোকে বাস কৰিছিল। তেওঁৰ এটা বেয়া অভ্যাস আছিল। সেইটো হ'ল হকে বিহকে তেওঁ আনক সমালোচনা কৰিছিল। সকলোৱে চিন্তা কৰিছিল যে ভগৱানে এদিন নহয় এদিন বিপুলক শিক্ষা প্ৰদান কৰিব।

এদিনাখন বিপুলে কিবা কামত কাষৰীয়া গাওঁখনলৈ বুলি যাত্ৰা কৰিলে। পথত তেওঁৰ ভাগৰ লগাত এজোপা গছৰ তলত জিৰণি লবলৈ বুলি বহিল। তেওঁৰ টোপনী আহিল। যেতিয়া তেওঁ দেখিলে যে গছজোপাৰ ফল একেবাৰে সৰু আকৃতিৰ তেওঁ ভগৱানক উদ্দেশি কলে, ''হে ভগৱান, এয়া তোমাৰ কেনে বিচাৰ। তুমি ইমান ডাঙৰ গছ এজোপাক ইমান সৰু ফল দি বৰ অন্যায় কৰিছা।'' তেওঁ ভগৱানৰ অজ্ঞানতাত হাঁহি উঠিল। হঠাতে, বিপুলে এটা মাত শুনিবলৈ পালে, 'মই তোমাৰ সন্দেহ দূৰ কৰা উচিত। এয়া চোৱা।' লগে লগে গছজোপাৰ ফলৰ আকৃতি বৰ ডাঙৰ হৈ পৰিল। এই কাণ্ড দেখি বিপুলে নিজৰ ওপৰতে বৰ সন্তুষ্টি অনুভৱ কৰিলে। তাৰপিছত তেওঁ কলে, ''এতিয়াহে গছজোপাৰ প্ৰতি ন্যায় কৰা হৈছে।'' হঠাতে বিপুলে মূৰৰ ওপৰত কিবা ডাঙৰ আৰু গধুৰ বস্তু পৰা যেন পালে। তেওঁ দেখিলে যে গছৰ ওপৰৰ পৰা এটা বিশাল আকৃতিৰ ফল সৰি পৰিছে। তাৰপিছত, বতাহ বলাৰ বাবে গছজোপাৰ পৰা আৰু অধিক ফল তেওঁৰ মূৰৰ ওপৰত সৰি পৰিবলৈ ধৰিলে। বিপুল গছজোপাৰ তলৰ পৰা দৌৰ মাৰি আতৰি আহিল আৰু কলে, ''ভগৱান, মই দুখিত। মই প্ৰতিজ্ঞা কৰিছো যে মই কাৰো কামত ভুল ধৰি সমালোচনা নকৰো।'' সেই মূহুৰ্ততে গছজোপাৰ ফলৰ আকাৰ পুণৰ সৰু হৈ পৰিল। ঠিক তেনেতে বিপুলৰ মূৰৰ ওপৰত এটা ফল সৰি পৰিল আৰু তেওঁ সাৰ পাই গ'ল। তেওঁ তাৰপিছত আনক সমালোচনা কৰা বন্ধ কৰিলে।

– বি পুৰুষোত্তম

শিথিলালয় – ৩২

(অজগৰ সাপৰ মুখত পৰা শিথিলালয়ৰ পুজাৰীক শিখিমুখী আৰু তেওঁৰ দলে উদ্ধাৰ কৰিলে। তাৰপিছত শিখিমুখীয়ে সকলো লোকৰ সহায় লৈ মাটিৰ ওপৰত ওলাই থকা শিথিলালয়ৰ চূড়াৰ চাৰিওফালৰ পৰা শিলবিলাক আতৰাবলৈ ধৰিলে। সেই সময়তে বিশাল আকৃতিৰ ত্ৰিশূল ধাৰণ কৰি হাতীত উঠি চাৰিটা অঘোৰীয়ে তেওঁলোকক চাৰিওফালৰ পৰা বেৰি ধৰিলে। তাৰপিছত...)

যেতিয়া শিখিমুখী আৰু তেওঁৰ দলে তেওঁলোকক আগুৰি ধৰা চাৰিটা অঘোৰীৰ পৰা এই কথা শুনিবলৈ পালে যে হাতীৰ ওপৰত এশ অঘোৰী আহি আছে, তেতিয়া বিক্ৰমকেশৰীকে ধৰি আন সকলো লোক বিতত হৈ পৰিল। যুদ্ধ নকৰাকৈ শত্ৰুৰ অধীন হোৱাটো বৰ অপমানজনক কথা। কিন্তু এনে বিশাল শত্ৰুৰ লগত যুঁজ কৰাটো আত্মহত্যা কৰাৰ সমান। সেইবাবে তেওঁলোকে কি কৰিব, কি নকৰিব সেই কথা লৈ দোধোৰ-মোধোৰত পৰিল। ইজনে সিজনৰ মুখলৈ চাই ৰ'ল।

এনে পৰিস্থিতিত কি কৰা উচিত হব সেই কথা বিক্ৰমকেশৰীয়ে চিন্তা কৰিবলৈ ধৰিলে। সেই সময়তে অকস্মাতে শিখিমুখীয়ে চিঞৰি উঠিল, "অজিত আৰু বীৰভদ্ৰ, তোমালোকে নাগসোম আৰু বৃশ্চিক জাতিৰ নেতাক পিছুৱাই লৈ যোৱা। তেওঁলোকে হাতীৰ ওপৰত উঠি থকা অঘোৰীৰ লগত কেনেকৈ যুদ্ধ কৰিব পাৰিব?"

লগে লগে অজিত আৰু বীৰভদ্ৰ আগুৱাই আহিল। তেওঁলোকে নাগসোম আৰু বৃশ্চিক জাতিৰ নেতাৰ কান্ধত হাত দি ৰখালে আৰু শিখিমুখীয়ে

দাসৰি সুব্ৰমন্যম

দিয়া আদেশৰ কৰা বুজাই কলে। সিহঁত দুয়ো অনিচ্ছাস্বত্তেও পিছুৱাই আহিবলৈ বাধ্য হ'ল।

শিখিমুখীয়ে শিল আতৰাই থকা সকলো লোকক কাম বন্ধ কৰিবলৈ আদেশ কৰি উচ্চ স্বৰত কলে, ‘‘মোৰ বিশ্বাস অঘোৰীৰ পৰা আমাৰ কোনো হানি নহয়। আমি গোলভৰা গাৱঁলৈ আহি থাকোতে অটব্য অৰণ্যৰ মাজত এবাৰ মুখামুখি হৈছিলো। মোৰ বিশ্বাস যে আমি তেওঁলোকৰ পৰা সহায়হে লাভ কৰিম।’’

‘‘আপুনি ঠিকেই কৈছে শিখি চাহাব। আমি এওলোকক লগ পাইছিলো। কিন্তু এওলোক হ'ল বৰ নিৰ্দয়। মানুহক হত্যা কৰাটো এওলোকৰ বাবে একো ডাঙৰ কাম নহয়।’’ জংঘলাই কলে।

‘‘তোমাৰ কথা সঁচা, কিন্তু এওলোকৰ নেতা ঘোৰচিত্তই আমাক অভয় প্ৰদান কৰিছিল। তেওঁ নিজেই ৰুদ্ৰাক্ষৰ মালা মোৰ হাতত পিন্ধাই দিছিল।’’ এইবুলি শিখিমুখীয়ে সেই মালা সকলোকে দেখুৱাবলৈ হাত ওপৰলৈ দাঙিলে।

বিক্ৰমকেশৰীৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ নানা ঠাইত ঘটা বহু ঘটনা মনত পৰিল। তেওঁ হাঁহি মাৰি শিখিমুখীক কলে, ‘‘শিখি, তুমি ঠিকেই কৈছা। এওলোকৰ পৰা আমাৰ কোনো হানি বিঘিনি নহব। পৰিৱৰ্তে আমাৰ লাভহে হব। আমি তেওঁলোকৰ পোহনীয়া হাতী কামত লগাই শিথিলালয়ক তলৰ পৰা খান্দি উলিয়াব পাৰিম।’’

‘‘ময়ো সেই কথাই ভাৱিছো। কিন্তু এটা কথা। এইসকল যদি ঘোৰচিত্তৰ শিষ্য নহয়, তেতিয়াহলে অসুবিধা আছে। আমি এই কথা কেনেকৈ গম পাব পাৰো যে এওলোক ঘোৰচিত্তৰ শিষ্য হয়নে নহয়?’’ শিখিমুখীয়ে বিক্ৰমক কলে।

‘‘এওলোক মহাকালৰ শিষ্য। সেইবাবে মহাকালক পুজা কৰা কাৰোৰেই অনিষ্ট নকৰে।’’ জংঘলাই কলে।

‘‘এই কথা শুদ্ধ শিখি চাহাব।’’ নাগসোমেও হয়ভৰ দিলে।

‘‘বৃশ্চিক দেৱীতকৈ মহান আন

কোনো হব নোৱাৰে। এই মহাকাল কোন? আমি বৃশ্চিক জাতিৰ লোকসকল মৰিবলৈ ৰাজী আছো, কিন্তু কোনোমতেই অঘোৰীৰ দেৱতাক মানি নলও।'' এইবুলি বৃশ্চিক জাতিৰ নেতাই হাতৰ কুঠাৰ ওপৰলৈ তুলি নিজৰ জাতিৰ লোকসকলক কাষ চাপি আহিবলৈ আদেশ দিলে।

শিখিমুখীয়ে আগতেই বৃশ্চিক নেতাৰ মূৰ্খতাৰ কথা গম পাইছিল। তেওঁ বুজিব পাৰিলে যে বৃশ্চিক নেতাৰ মূৰ্খতাৰ বাবে অনাহকত বহু লোকৰ প্ৰাণ হানি হব পাৰে। তেওঁ শান্ত স্বৰেৰে কলে, ''হে বৃশ্চিক নেতা, তুমি এই অঘোৰীসকলৰ লগত ফেপেৰী পাতি নোলোৱাই ভাল। মাত্ৰ আমাৰ কাম চাই থাকা। আমি সকলো চম্ভালি লম। তাৰপিছত শিখিমুখীয়ে হাতৰ ৰুদ্ৰাক্ষ মালা ওপৰলৈ তুলি চিঞৰ মাৰিলে, ''ঘোৰচিত্তৰ জয় হওক, মহাকালৰ জয় হওক।''

শিখিমুখীৰ চিঞৰ শুনি হাতীৰ ওপৰত বহি থকা অঘোৰীয়েও হাতৰ ত্ৰিশূল ওপৰলৈ তুলি চিঞৰিলে, ''মহাকালৰ জয় হওক।'' তাৰপিছত শিখিমুখী আৰু বিক্ৰমকেশৰী তেওঁলোকৰ কাষ চাপি গ'ল। এটা অঘোৰীয়ে শিখি আৰু বিক্ৰমৰ ফালে সন্দেহভৰা দৃষ্টিৰে চাই কলে, ''তোমালোকে আমাক ঠগিব বিচৰা নাইতো? আমি শুনিছো যে



তোমালোকৰ নেতা পুজাৰী বৰ বুদ্ধিয়ক। তুমি ঘোৰচিত্তৰ নাম কেনেকৈ জানা?''

শিখিমুখীয়ে অঘোৰীক প্ৰণাম কৰি কলে, ''আমি শিথিলালয়ৰ পুজাৰীৰ শিষ্য নহয়। সি আমাৰ শত্ৰুহে। এয়া চোৱা, মোৰ হাতত অঘোৰী নেতা ঘোৰচিত্তই নিজেই ৰুদ্ৰাক্ষৰ মালা বান্ধি দিছিল।'' এইবুলি শিখিমুখীয়ে মালাডাল দেখুৱালে।

মালডাল দেখি অঘোৰীবিলাকৰ এটাই আনটোৰ ফালে চাবলৈ ধৰিলে। এটাই লগৰীয়াবিলাকক কলে, ''বৰ আচৰিত কথা নহয়নে? যাক আমি শত্ৰু বুলি ভাৱি নিপাত কৰিবলৈ আহিছিলো, সি আমাৰ মিত্ৰ বুলিহে দাবী কৰিছে। তোমালোকে কি কোৱা। এই ৰুদ্ৰাক্ষ



মালাক প্ৰমাণ বুলি মানি লোৱাটো যুক্তিপূৰ্ণ হবনে?''

আন এটাই কলে, ''এইবিলাক ভাৱি থাকিবৰ সময় নাই। মই সোনকালেই গৈ আমাৰ নেতাক মাতি আনোগৈ।'' এইবুলি সি দৌৰি গৈ দূৰলৈ চাই হাত লৰাই ইংগিত দিবলৈ ধৰিলে।



চাৰি–পাঁচ মিনিট মানৰ পিছতে এটা বিৰাটাকাৰ হাতীৰ পিঠিত উঠি এজন লোক আহি সেই ঠাইত উপস্থিত হ'লহি। তেওঁৰ পিছে পিছে এদল অঘোৰী আৰু ইম্যু জাতিৰ লোক আহিছিল।

হাতীৰ ওপৰত অহা সেই বৃদ্ধলোকক দেখি শিখিমুখীয়ে চিনি পালে আৰু আনন্দিত হৈ চিঞৰিলে, ''ঘোৰচিত্তৰ জয় হওক।'' তাকে শুনি ঘোৰচিত্ত হাতীৰ পিঠিত উঠিয়েই শিখিমুখী আৰু তেওঁৰ দলৰ ওচৰলৈ আহিল আৰু ভালদৰে পৰ্যবেক্ষণ কৰিলে। তাৰপিছত হাতীৰ পৰা নামি আহি শিখিমুখীক আলিংগন কৰিলে। সেই বৃদ্ধক দেখিয়েই বিক্ৰমে বুজি পালে যে তেওঁলোকৰ কষ্টৰ অন্ত পৰিল। তেৰো আনন্দতে চিঞৰি উঠিল, ''ঘোৰচিত্তৰ জয় হওক।'' ঘোৰচিত্তই বিক্ৰমকো আকোৱালি ললে।

তাৰপিছত তেওঁ বিক্ৰমক কলে, ''বিক্ৰম, তোমাৰ ককাদেউতা মহাৰাজ বিক্ৰমকেশৰী আছিল মোৰ গুৰু। তেওঁ আমাৰ যি উপকাৰ কৰিলে, তাৰ বিনিময়ত তোমালোকক সহায় কৰিবলৈ পাই মই বৰ সুখী হৈছো। তেওঁ যি শিথিলালয়ক দৰ্শন কৰিব খুজিছিল, সেয়া তোমালোকে বিচাৰি উলিয়ালা। এই মন্দিৰত যিমান যি শিল্প আৰু সম্পত্তি আছে, সেয়া সকলো তোমাৰ। এতিয়া এবাৰ এই ভদ্ৰকালীৰ ওপৰত উঠি লোৱা। সেই সম্পত্তি কঢ়িয়াবৰ বাবে বহু ইম্যু জাতিৰ লোকো আহিছে।'' এইবুলি ঘোৰচিত্তই বিক্ৰমক হাতীৰ পিঠিত বহুৱালে।

হাতীৰ ওপৰত উঠি বিক্ৰমে ইফালে সিফালে চালে। তেওঁ বহু অঘোৰী আৰু ইম্যুলোক আহি থকা দেখিবলৈ পালে। তেওঁ এই কথা বুজি নাপালে যে ইমান সংখ্যক ইম্যুলোকক ঘোৰচিত্তই কেনেকৈ নিজৰ দলত অন্তৰ্ভুক্ত কৰি ললে।

ৰক্ষা কৰিবৰ বাবে নিজৰ অনুচৰসকলৰ লগত ৰাওনা হলো। তোমালোকৰ পিছে পিছে আহি থকা গোলভৰাৰ ইম্যুলোকৰ নাও আমি বাটতে লগ পালো। তাৰ পিছৰ বাট আমি সকলো একেলগে আহিলো।''

''আপোনাৰ এই সহায়ৰ বাবে আমি কৃতজ্ঞ। যদি এয়াই মহাৰাজ বিক্ৰমকেশৰীয়ে কল্পনা কৰা শিথিলালয় হয়, তেন্তে সোনকালে শিলবিলাক আতৰাই পেলোৱাহে উচিত হব।'' শিখিমুখীয়ে কলে।

''সেইটো বৰ ডাঙৰ কাম নহয়। আমাৰ লগত কেইবাটাও হাতী আছে।'' ঘোৰচিত্তই শিখিমুখীক কলে।

ইতিমধ্যে ঘোৰচিত্তৰ লগত নাৰত অহা ইম্যু লোকো আহি সেই ঠাই পালেহি। তেওঁলোকে নাগসোম, শিখি আৰু বিক্ৰমক চিনি পালে। তেওঁলোক বৰ আনন্দিত হ'ল। সকলোৰে আনন্দতে শিখিহঁতক বেৰি ধৰি নাচিবলৈ ধৰিলে।

ঘোৰচিত্তই শিখি আৰু বিক্ৰমক মাতি কলে, ''শিথিলালয়ৰ পুজাৰী ক'ত আছে? আমি তাৰ তিনিটা অনুচৰক ইতিমধ্যেই বন্দী কৰি পেলাইছো।''

''সেই বন্দী কেইটা পুজাৰীৰ শিষ্য নহয়। সিঁহত হ'ল ডকাইত। ধনৰ লোভ দি পুজাৰীয়ে নিজৰ লগত লৈ আহিছিল। পুজাৰীৰ প্ৰায় মৃত্যু হও হও

বিক্ৰমে হাতীৰ পৰা নামি ঘোৰচিত্তৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি শিখিমুখী আৰু নাগসোমক আহি থকা ইম্যু লোকসকলৰ কথা কলে। শিখিমুখীয়ে আচৰিত হৈ এই বিষয়ে ঘোৰচিত্তক সুধিলে।

''এই সকলোবিলাক মহাকালৰ দয়া।'' তাৰপিছত তেওঁ আকাশৰ ফালে হাত দাঙি প্ৰণাম কৰিলে আৰু কলে, ''সেই ভয়ংকৰ জংঘলত মই তোমালোকক লগ পোৱাৰ পিছত শিথিলালয়ৰ পুজাৰীৰ সম্বন্ধে বহু খবৰ-খাতি কৰিলো। তাৰপিছত ইম্যু জাতিৰ এজন বৃদ্ধৰ পৰা এই দ্বীপৰ সম্পৰ্কে জানিব পাৰিলো। পুজাৰী বৰ দুষ্ট প্ৰকৃতিৰ লোক। মই যেতিয়া গম পালো যে তোমালোক শিথিলালয়লৈ গুচি আহিলা, তেতিয়া মই তোমালোকক

অৱস্থা।'' এইবুলি কৈ শিখিয়ে ঘোৰচিত্তক গছৰ ওপৰত ঝুলনাত পৰি থকা পুজাৰীক দেখুৱালে।

পুজাৰীৰ চকু মেল খাই আছিল। সাপৰ মুখৰ পৰা কোনোমতে বাচিলেও তেওঁৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিছিল। তেওঁ চাৰিওফালে যি ঘটি আছিল সেই সকলো কথা গম পাইছিল। কিন্তু কিবা এটা কৰলৈও তেওঁৰ শক্তি নাছিল।

শিখিয়ে বৃশ্চিক দ্বীপৰ সকলো কাহিনী সংক্ষেপে ঘোৰচিত্তক বিৱৰি কৈ কলে, ''আমি অজগৰৰ মুখৰ পৰা পুজাৰীক নবচোৱা হলে এতিয়ালৈকে সাপে তেওঁক হজম কৰি পেলালে হয়।''

তেনেতে পুজাৰীৰ চেতনা আহিল। তেওঁ ঘোৰচিত্তক দেখি প্ৰণাম কৰি কলে, ''তুমি মহাকালৰ ভক্ত। মই শিথিলেশ্বৰীৰ পুজাৰী। মই আৰু বেছি দিন জীয়াই নাথাকিম। শিলৰ তলত পোত গৈ থকা শিথিলালয় সোনকালে খান্দি উলিওৱা। মই এবাৰ দৰ্শন কৰিয়েই প্ৰাণ ত্যাগ কৰিম।'' এই কথা কৈ পুজাৰীয়ে চকু দুটা বন্ধ কৰি দিলে। তেওঁৰ চকুৰ পৰা পানী ওলাবলৈ ধৰিলে।

ঘোৰচিত্তই অলপ সময় পুজাৰীৰ চকুলৈ চাই থাকিল। তাৰ পিছত গদ গদ স্বৰেৰে কলে, ''ই দুষ্ট হব পাৰে, কিন্তু ই এক মহান ভক্ত। এই কথাত মোৰ কোনো সন্দেহ নাই।'' তাৰপিছত তেওঁ নিজৰ অনুচৰসকলৰ ফালে চাই কলে, ''তোমালোকে সকলো হাতীক ইয়ালৈ লৈ আহা। তাৰপিছত এই মন্দিৰৰ ওপৰৰ পৰা শিলবিলাক আঁতৰাই মন্দিৰটো উলিয়াই পেলোৱা।''

গুৰুৰ আদেশ লাভ কৰি সকলো অঘোৰী আৰু ইম্যুলোকে হাতীবিলাক লৈ আহিল আৰু তাৰপিছত সকলো মন্দিৰৰ ওচৰলৈ গৈ শিলবিলাক আঁতৰোৱাৰ কাম আৰম্ভ কৰি দিলে।

(অষ্টম সংখ্যাত সমাপ্ত)

আচাৰ্যৰ পচন্দ

গুজ্জৰ প্ৰদেশৰ গুৰু কুমাৰ পেটেল পাতানলৈ উভতি আহি আছিল। বাটতে, এগৰাকী বিধৱাৰ ঘৰত তেওঁ ৰাতি কটাবলগীয়া হ'ল।

যদিও বিধৱাগৰাকী বৰ দুখীয়া আছিল, তেওঁ গুৰুক ভালদৰে আলপৈচান ধৰিলে আৰু গুৰুও বৰ সুখী হ'ল। গুৰুৱে সেই বিধৱাগৰাকীৰ প্ৰতি ভাতৃসুলভ মৰম অনুভৱ কৰিলে।

পিছদিনাখন, যেতিয়া গুৰু সেই ঠাইৰ পৰা যাবলৈ ওলাল, তেতিয়া বিধৱাগৰাকীয়ে নিজ হাতেৰে বোৱা এখন কপাহী কাপোৰ উপহাৰ স্বৰূপে দিলে। আচাৰ্যই সেই কাপোৰখন নিজৰ কান্ধত পেলাই ললে আৰু পাতান অভিমুখে যাত্ৰা আৰম্ভ কৰিলে।

পাতানত উপস্থিত হোৱাৰ পিছত, গুৰুৱে ৰজাক লগ ধৰিলেগৈ। ৰজাই গুৰুক যথাযোগ্য সন্মান প্ৰদান কৰিলে আৰু স্বাগতম জনালে। ৰজা আৰু ৰাণী দুয়োয়ে গুৰুৰ চৰণ স্পৰ্শ কৰি আশীৰ্বাদ ললে।

তাৰপিছত হঠাতে গুৰুৰ কান্ধত সেই কপাহী কাপোৰখন দেখি ৰজাই বেজাৰ পালে। তেওঁ কলে, ''গুৰুদেৱ, এইখন কাপোৰ আপোনাৰ বাবে উপযুক্ত নহয়। আপুনি হ'ল ৰাজগুৰু। এইখন অতি নিম্ন মানৰ।''

ৰজাই কি কব খুজিছে সেই কথা গুৰুৱে বুজি পালে। তেওঁ কলে, ''এই দেহটো হ'ল কেৱল হাড় আৰু মাংসৰ। এইখন কাপোৰে মোৰ দেহৰ কি অনিষ্ট কৰিব পাৰে?''

ৰজাই উত্তৰ দিলে, ''গুৰুদেৱ, এইটো সঁচা যে আপুনি দৈহিক সুখ-সুবিধাৰ প্ৰতি মোহিত নহয়। কিন্তু আপুনি এনে কাপোৰ ব্যৱহাৰ কৰিলে মই অপমানিত বোধ কৰো।''

এই কথা শুনি আচাৰ্য হেমচন্দ্ৰই গম্ভীৰ স্বৰেৰে কলে, ''মহাৰাজ, আপুনি এই কাপোৰখন দেখি অপমানিত বোধ কৰাই স্বাভাৱিক। কিন্তু এই কাপোৰখন হ'ল বহু দুখীয়ালোকৰ কষ্ট আৰু মৰমৰ প্ৰতীক।

দীপাংশু আহুজা

তেওঁলোকে বহু কষ্টৰে কপাহৰ পৰা সূতা প্ৰস্তুত কৰে আৰু তাৰ পৰা অৰ্জন কৰা নামমাত্ৰ টকাৰে কোনোমতে জীৱন নিৰ্বাহ কৰে। তেওঁলোকে বহু কষ্টকৰি জীৱন নিৰ্বাহ কৰিলেও কিন্তু তেওঁলোকৰ হৃদয়খন বৰ বিশাল। তেওঁলোকে ভালপোৱা বা সন্মান কৰা জনক এনে উপহাৰ দিবলৈ চিন্তা নকৰে যাৰ মূল্য তেওঁলোকৰ এদিনৰ উপাৰ্জনতকৈ অধিক। দৰিদ্ৰতা তেওঁলোকৰ মৰম প্ৰকাশৰ কেতিয়াও অন্তৰায় নহয়।'' গুৰুৱে কলে।

গুৰুৱে পুণৰ কলে, ''মহাৰাজ, এনেবিলাক কাৰণৰ বাবেই মই এনে এখন কাপোৰ কান্ধত লৈ লজ্জা অনুভৱ নকৰো, বৰঞ্চ গৌৰৱহে অনুভৱ কৰো। যদিও আপুনি এজন ধাৰ্মিক ৰজা, আপোনাৰ ৰাজ্যৰ এশ্ৰেণী লোকে দৈনিক হাড়ভঙা পৰিশ্ৰম কৰা স্বত্বেও দুবেলা দুমুঠি পেটভৰাই খাবলৈ নেপায়। যেতিয়া এনে তথ্য আপুনি লাভ কৰে তেতিয়া ইয়াৰ ওপৰত বিচাৰ কৰি চোৱাটো আপোনাৰ কৰ্তব্য নহয়নে? লাগে সেই তথ্য এনে এখন সাধাৰণ কাপোৰৰ পৰাই নাহক কিয়।''

''এক সঁচা প্ৰশাসন হ'ল সেই যি কেৱল বাহ্যিক দিশটোতে গুৰুত্ব আৰোপ কৰি বহি নাথাকে, বা সৰ্বশেষ কথা বুলি নাভাৱে। এজন ৰজা হিচাপে আপুনি এই দেশৰ প্ৰশাসনৰ মূৰব্বী। গতিকে আপুনি জাগি থকা প্ৰতিটো মূহুৰ্ত এই দেশৰ দুখীয়া প্ৰজাসকলৰ সমৃদ্ধিৰ বাবে ব্যৱহাৰ কৰিব লাগে।''

''এয়া হ'ল মোৰ এগৰাকী ভগ্নীৰ পৰা পোৱা উপহাৰ। তেওঁ অতি দুখীয়া। কিন্তু এই কাপোৰখনত মই মৰম, সৰলতা, বিশ্বাস আদি বিচাৰি পাও। এনেবিলাক কাৰণৰ বাবেই আপুনি উল্লেখ কৰা দামী কাপোৰবিলাকতকৈ এইখন কাপোৰ মোৰ বাবে বহু বেছি মূল্যৱান। মই আশাকৰো আপুনি মোৰ কথা ভালদৰেই বুজি পাইছে।'' এইবুলি কৈ আচাৰ্য হেমচন্দ্ৰই ৰজাৰ চকুলৈ চালে।

গুৰুৰ কথা শুনি ৰজাই তলমূৰ কৰিলে। তেওঁ নিশ্চয় কৰিলে যে সেইদিনাৰ পৰা দেশৰ সাধাৰণ প্ৰজাৰ সমৃদ্ধিয়েই হব তেওঁৰ প্ৰশাসনৰ মূল লক্ষ্য।





জমিদাৰৰ ঘৰত এসাঁজ

এখন গাৱঁত এজন ধনী জমিদাৰ আছিল। তেওঁ বৰ অহঙ্কাৰী আছিল। সেইখন গাৱঁত ধনী মানুহৰ সংখ্যা বৰ কম আছিল। বেছিসংখ্যক লোক খেতিয়ক আৰু চাকৰিজীৱি আছিল।

জমিদাৰে মানুহবোৰক ঘৃণা কৰিছিল। তেওঁলোক কাষেদি যাওঁতে নাক কোঁচাই কৈ উঠে, "এই মানুহবোৰ বৰ লেতেৰা।" জমিদাৰৰপৰা এশ গজ আঁতৰত থিয় হোৱাৰো সাহস কাৰো নাছিল।

এদিন খেতিপথাৰত কাম কৰি থাকোতে এজন খেতিয়কে ক'লে, "আজি মই জমিদাৰক একেবাৰে ওচৰৰপৰা দেখিলো।" তেতিয়া এজন দুখীয়া খেতিয়কে ডাঙৰকৈ হাঁহি ক'লে, "হেৰা, মই যদি মন কৰো জমিদাৰৰ ঘৰত ভোজভাত খাই আহিব পাৰো বুইছা।"

এই কথা শুনি বাকী খেতিয়ক সকলৰ বৰ খং উঠিল। "হেৰা, তোমাৰ চেহেৰা জমিদাৰৰ ঘৰ ভোজ-ভাত খোৱাৰ চেহেৰা নহয় বুইছা। তোমাক দাঙি লৈ জমিদাৰে গাঁতলৈ পেলাই দিব। তুমি আমাৰ সকলোকে বুৰ্বক বুলি ভাবিছা নেকি?" সকলোৱে তেওঁক তিৰস্কাৰ কৰিলে।

"মোক ইতিকিং কৰাৰ কোনো প্ৰয়োজন নাই। মই ইচ্ছা কৰিলে যি কোনো সময়তে জমিদাৰৰ ঘৰত গৈ খাই আহিব পাৰো।" খেতিয়ক জনে উত্তৰ দিলে।

"যদি তুমি এই কাম কৰিব পাৰা তেন্তে তোমাক সাত বিঘা খেতিৰ মাটি আৰু এহাল বলদ দিম। যদি তেনে কৰিব নোৱাৰা তেন্তে যি কাম আমি দিম তুমি তকেই কৰিব লাগিব। ভাবিচিন্তি উত্তৰ দিবা।" খেতিয়ক সকলে সতৰ্ক কৰি দিলে।

"তোমালোকৰ চৰ্তত মই ৰাজী আছো।" দুখীয়া খেতিয়ক জনে উত্তৰ দিলে।

সেইদিনা দৰিদ্ৰ কৃষকজন জমিদাৰৰ ঘৰলৈ গ'ল। ৰখীয়া বোৰে তেওঁকঁখেদি পঠাব খুজিলে। "অলপ ৰ'বা। মই জমিদাৰক এটা ভাল খবৰ শুনাব লাগে।" দৰিদ্ৰ খেতিয়কজনে ক'লে।

"তেন্তে সেই কথা আমাকে কৈ দিয়া। আমি তেখেতক জনাম।" পহৰাদাৰে ক'লে।

"এইটো শুভ-সংবাদ জমিদাৰক মই

২৫ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী

নিজ মুখেৰে জনাব লাগে । তোমালোকক ক'ব নোৱাৰো ।"

পহৰাদাৰে জমিদাৰক ওচৰলৈ গৈ খেতিয়কজনে কোৱা কথা জনালে । জমিদাৰৰ মনত সেই শুভ-সংবাদ জানিবলৈ কৌতূহল উপজিল । জমিদাৰে পহৰাদাৰক খেতিয়ক জনক তেওঁৰ ওচৰত হাজিৰ কৰাবলৈ আদেশ দিলে । খেতিয়কজনক জমিদাৰৰ ওচৰত হাজিৰ কৰা হ'ল।

"তুমি কেনেকুৱা শুভ সংবাদ জনাব খুজিছা?" জমিদাৰে কৃষক জনক সুধিলে ।

"আপোনাক অকলেহে মই সেই কথা ক'ব পাৰিম ।" তেওঁ উত্তৰ দিলে । জমিদাৰে পহৰাদাৰক বাহিৰলৈ পঠিয়াই দিলে ।

তেতিয়া খেতিয়কজনে ফুচ্‌ফুচাই সোধাদি সুধিলে, "প্ৰভু, ঘোঁৰাৰ মূৰৰ সমান সোণৰ দাম কিমান হ'ব ?" "তুমি এই কথা কিয় সুধিছা?" জমিদাৰে সুধিলে । "প্ৰভু! বৰ ডাঙৰ দৰকাৰ এটাত পৰি সুধিছো । আপুনি জানে যদি কৈ দিয়ক ।" খেতিয়ক জনে ক'লে।

"কিয় লাগে মোক কোৱা ।" জমিদাৰে ক'লে । খেতিয়কজনে দীঘলকৈ উশাহ টানি ক'লে, "আপুনি ক'ব খোজা নাই যদি মইনো কি কৰোঁ ? আপুনি আজ্ঞা দিলে মই ঘৰলৈ গৈ খাই আহিব পাৰো । ভোকত মোৰ পেটৰ কেঁচু কুমটি মৰিছে ।"

পিছে ঘোঁৰাৰ মূৰৰ সমান সোণ তেওঁৰ হাতৰপৰা ওলাই যোৱাটো জমিদাৰে বিচৰা নাছিল। সেয়েহে তেওঁ লগুৱাক মাতি আনি ক'লে, "এওঁক পেট ভৰাই খাবলৈ দেহঁক।"

খেতিয়কজনে পেট ভৰাই খাই উঠি যেতিয়া ঘূৰি যায় তেতিয়া জমিদাৰে সুধিলে, "তুমি যি সোণৰ কথা কৈছা, সেয়া লৈ আহা । তোমাক বঁটা দিম ।"

"সোণ? মই সোণ ক'ত পাম ডাঙৰীয়া? মই এইটো জানিব খুজিছিলো যে সাত বিঘা মাটি আৰু এযোৰা বলদ গৰু ঘোঁৰাৰ মূৰৰ সমান সোণৰ মূল্যৰ সমান হয় নে নহয় ।" খেতিয়কে ক'লে ।

এই কথা শুনি জমিদাৰে খঙতে ক'লে, "পাষণ্ড, ইয়াত আৰু এক মুহূৰ্ত্তও যদি থাক তেন্তে তোক মাৰি পেলাম ।" কৃষকজনে বাজীত জিকি সাত বিঘা খেতিৰ মাটি আৰু এযোৰ বলদ পালে ।



বুদ্ধিত বৃহস্পতি

সুৰেখা মাক-দেউতাকৰ একমাত্ৰ ছোৱালী আছিল । পাঁচ বছৰ বয়সতে তাই বৰ কামিলা হৈ পৰিছিল। যেতিয়াই দেখা যায় তাই ফূৰ্ত্তি কৰি থাকে আৰু ঘৰৰ ভিতৰত ইফালৰ পৰা সিফাললৈ বেগাই ঘূৰি ফুৰিছিল । এদিন ৰাতি মাকে সুৰেখাক ক'লে, "মাজনী অ', পিছফালে গৈ ঝাড়ুটো লৈ আহাচোন।" "বৰ আন্ধাৰ । তাত মই একোৱেই দেখা নাপাওঁ । মই তালৈ নাযাওঁ।" সুৰেখাই ক'লে।

মাকে মিচিকিয়াই হাঁহি ক'লে, "মাজনী, আন্ধাৰত ভয় কৰিবলৈ একো নাই । তাততো বিঘ্নেশ্বৰ থাকে । গতিকে তুমি ভয় কৰিবলৈ কিটো আছে । বিঘ্নেশ্বৰ সদায় সকলোৰে লগতে থাকে, আমাক ৰক্ষা কৰে ।"

সুৰেখাই মাকক ভালকৈ চাই ক'লে, "মা সঁচাকৈয়ে বিঘ্নেশ্বৰ তাত থাকে নেকি ? তুমি সঁচা কৈছা ?" আচৰিত হৈ তাই সুধিলে ।

"নিশ্চয় তেওঁ তাত থাকে । তাতেই নহয়, সকলোতে থাকে । যেতিয়া আমি তেওঁক প্ৰাৰ্থনা কৰো তেতিয়া আমাৰ প্ৰয়োজনসমূহ পূৰাবলৈ তেওঁ সজাগ হৈ থাকে ।" মাকে জীয়েকক সাহস দি ক'লে ।

সুৰেখাই কিছু সময়ৰ বাবে কিবা ভাবিলে । তাৰ পিছত বেগাই পিছফালৰ দুৱাৰৰ ওচৰলৈ গ'ল আৰু নিজৰ হাত বাহিৰলৈ উলিয়াই ক'বলৈ ধৰিলে, "বিঘ্নেশ্বৰ, তুমি যদি সঁচাকৈয়ে তাত আছা তেন্তে তাত থকা ঝাড়ুটো মোৰ হাতত দি দিয়ানা ।"

- সুমতি



জেলীৰ সোৱাদ

শিখাই বেগটো চোফাখনত দলি মাৰি থৈ পাকঘৰলৈ গ'ল আৰু চিঞৰি উঠিল, ''মা, মোৰ ভোক লাগিছে।''

''প্ৰথমতে কাপোৰ সলাই মুখ-হাত ধুই লোৱা শিখা।'' মাকে এটা হাঁহি মাৰি কলে। শিখাই পাকঘৰৰ ভিতৰলৈ গৈ জেলীৰ জাৰটো নমাবলৈ বেঙা মেলিলে। মাকে তাইৰ হাতখন নমাই দিলে আৰু বাথৰুমৰ ফালে বাট দেখুৱাই দিলে, ''হাত-মুখ ধুই আহা। বৰ লেতেৰা ছোৱালী দেই।''

তাই যাও নাযাওকৈ বাথৰুমলৈ গ'ল আৰু ভৰি আৰু মুখত চাবোন লগালে। ইফালে মাকে চিঞৰিলে, ''সোনকালে আহা, কি কৰি আছা ইমান সময় বাথৰুমত? পানীৰ লগত খেলি নাথাকিবা দেই।''

শিখাই মাকৰ কথালৈ কাণ নিদি খেলিবলৈ ধৰিলে। অলপ সময়ৰ পিছত, তাই লৰালৰিকৈ মুখ হাত মচি পাকঘৰলৈ গৈ মাকক কলে, ''মা, মোৰ খোৱাবস্তু ক'ত?''

মাকে চাদৰৰ আগটোৰে শিখাৰ মুখখন মচি দি তাইক চকীত বহিবলৈ দিলে। তাৰপিছত তেওঁ এখন কাঁহীত ভাত, দাইল, আঞ্জা আৰু পাপৰ দিলে। লগতে শিখাৰ প্ৰিয় জেলীও দিলে। শিখাই প্ৰথমতে বাকীবিলাক বস্তু শেষ কৰি শেষত জেলীখিনি দুটা আঙুলিৰে লৈ মুখত পেলাই দিলে। তাই মাকে তৈয়াৰ কৰা জেলী খাই বৰ ভাল পায়।

সাধাৰণতে দেওবাৰে আবেলি সময়ত, যেতিয়া মাকে অলপ সময়ৰ বাবে শুই পৰে, তাই সদাই সেই জেলী থকা জাৰটো নমাবৰ বাবে পাকঘৰলৈ যায়। কেতিয়াবা তাই কাঠৰ টুল আৰু কেতিয়াবা প্লাষ্টিকৰ বাইচাইকেল ব্যৱহাৰ কৰে। সিঁহতৰ ঘৰৰ কুকুৰটোৱে শিখাৰ আঙুলিত লাগি থকা জেলীবিলাক চেলেকিবলৈ বৰ ভাল পায়। যেতিয়া মাকৰ গা বেয়া হয়, তেতিয়া তাই প্ৰায়েই কোনেও গম নোপোৱাকৈ জেলী চুৰ কৰি খায়।

বিজয় কান্দপাল

হস্পিতেলত আছে। মই তোমাক অহা দেওবাৰে তেওঁৰ ওচৰলৈ লৈ যাম। ঠিক আছে? কিন্তু তুমি কান্দি আহিছা কিয়? কিবা হ'ল নেকি?''

''মই দুখ পালো।'' শিখাই চকুপানী মচি মচি কলে।

''হয় নেকি? ক'ৰবাত পৰিলা নেকি? আহা।'' তাৰপিছত দেউতাকে তাইক বাথৰুমলৈ লৈ গ'ল আৰু হাত ভৰি ধোৱাই দিলে। তাৰপিছত তেওঁ আঠুৰ আঘাট পোৱা অংশত মলম লগাই কাপোৰেৰে বান্ধি দিলে।

''মা কেতিয়া আহিব?'' শিখাই সুধিলে।

''এই ধৰা ১০ দিন।'' ইতিমধ্যেই কিবা কামত ব্যস্ত হৈ পৰা দেউতাকে কলে। ''এতিয়া তুমি ভাত খাই লোৱা।'' তাৰপিছত তেওঁ নিজৰ কামত মগ্ন হ'ল।

শিখাই পাকঘৰলৈ গৈ দেখিলে যে এখন কাঁহীত ভাত, দাইল, আঞ্জা আৰু জেলী দি থোৱা আছে। লগতে এগিলাচ গাখীৰো। তাই আজি প্ৰথমবাৰৰ বাবে জেলীৰ সোৱাদ উপভোগ কৰিব নোৱাৰিলে। তাইৰ মনটোৱে কিবা এটাৰ অভাৱ অনুভৱ কৰিলে। মনটো বেয়া লাগি আহিল।

'মই মাৰ কেতিয়াও যত্ন নলও। তেওঁৰ কথা মানি নচলো। যদি তেওঁ ঘূৰি নাহে, তেন্তে কি হব?' নানান চিন্তাই শিখাৰ মনটো আগুৰি ধৰিলে। তাই সেইদিনা ৰাতি ভালকৈ শুব নোৱাৰিলে। কেৱল চিন্তা কৰি থাকিল।

পিছদিনাখন, স্কুললৈ যোৱাৰ বাবে কাপোৰ পিন্ধাত শিখাক দেউতাকে সহায় কৰি দিলে। দেউতাকে সদায় মাকৰ খবৰ

মাকে তাইক কেতিয়াবা এগিলাছ পানী আনিবলৈ কয়, তেতিয়া তাই সদায় উত্তৰ দিয়ে যে তাই পঢ়াত ব্যস্ত হৈ আছে আৰু সেইবাবে মাকে নিজেই পানী আনি লোৱা উচিত। মাকে সদায়েই তাইৰ কথা মানি লয়। কেতিয়াবা তাই বিচনাৰ তলত লুকাই থাকে আৰু মাকে গোটেই ঘৰটোত বিচাৰি চলাথ কৰে।

এদিনাখন, তাই স্কুলৰ পৰা ঘৰলৈ উভতি আহিল। সেইদিনা তাই কেনেবাকৈ ভৰিৰ আঠুত দুখ পালে। তাৰ পৰা তেজো ওলাইছিল আৰু বিষাই আছিল। তাই দুৱাৰখন খুলি চিঞৰিলে, ''মা, মই দুখ পালো।'' কোনো উত্তৰ নাহিল। তাই পুণৰ চিঞৰিলে। কিন্তু সেইবাৰো কোনো উত্তৰ নাহিল।

''শিখা, আহিলানে?'' দেউতাকে কলে। ''মা এটা অপাৰেচনৰ বাবে

লৈছিল। তেওঁ কলে যে মাকে সদায় শিখাৰ কথা সোধে। শিখাই মাকৰ অবিহনে একো বস্তুতেই মন বহুৱাব পৰা নাছিল। পুতলা, সাধু কিতাপ আদিও তাইৰ ভাল নলগা হ'ল। আনকি প্ৰিয় জেলীও সোৱাদহীন হৈ পৰিল। তাইক জেলী খোৱাত বাধা দিবলৈ মাক নাছিল, কিন্তু তথাপিও তাই এবাৰো সেই জাৰটো ওপৰৰ পৰা নমাবলৈ চেষ্টা নকৰিলে।

দেওবাৰে শিখাই দেউতাকৰ লগত মাকৰ খবৰ লবলৈ হস্পিতেললৈ গ'ল। মাকৰ শেতা মুখখন তাইক দেখাৰ লগে লগে উজ্জ্বল হৈ উঠিল। তাইৰ দুগালত চুমা খাই মাকে তাইক সাৱতি ধৰিলে।

"তোমাৰ ভালনে শিখা?" মাকে সুধিলে। শিখাই মুখৰ পৰা কোনো উত্তৰ নোলাল। তাই কেৱল মূৰ দুপিয়ালে।

"মই এইবাৰ তোমাৰ বাবে বেলেগ ধৰণৰ জেলী তৈয়াৰ কৰিম।" মাকে হাঁহি এটা মাৰি কলে। শিখাই পুণৰ মূৰ দুপিয়ালে।

ঘৰলৈ আহি শিখাই উচুপিবলৈ ধৰিলে। দেউতাকে দেখি তাইক সাৱতি ধৰি কলে, "যোৱা শিখা, এতিয়া শুই থাকাগৈ। মা সোনকালেই ঘৰলৈ উভতি আহিব। মন বেয়া কৰি নাথাকিবা দেই।"

এদিনাখন শিখাই খুৰীয়েকৰ লগত ঘৰত কথা পাতি আছিল। তেনেতে দুৱাৰত টোকৰ পৰিল। তাই গৈ দুৱাৰখন খুলি দিয়াৰ লগে লগে তাইৰ মুখত আনন্দৰ হাঁহি এটা খেলি গ'ল। সেয়া আছিল তাইৰ মাক। তেওঁ হস্পিতেলৰ পৰা ভাল হৈ ঘূৰি আহিল। মাকে হাঁহি মাৰি শিখাক সাৱতি ধৰিলে।

প্ৰথমবাৰৰ বাবে শিখাই মাকক এগিলাচ পানী আনি খাবলৈ দিলে। তাকে দেখি মাকৰ ওঁঠত এটা হাঁহি বিৰিঙি উঠিল। মাকে তাইৰ দুগালত চুমা খাই পানী গিলাচ খালে।

"মোৰ শিখা বৰ ভাল ছোৱালী। সকলোৰে যত্ন লয়।" মাকে হাঁহি মাৰি কলে। শিখাৰ দুচকুৰ পৰা চকুপানী ওলাই আহিল। তাই আৰু বৈ থাকিব নোৱাৰিলে। মাকৰ কোলাত উঠি আনন্দত মাজত হেৰাই গ'ল।

সততাৰ শুদ্ধ সংজ্ঞা

এজন ৰজা আছিল । তেওঁ সৌভাগ্যই লগ দিলে মানুহে কেনেদৰে তাৰ সুযোগ গ্ৰহণ কৰে তাক জানিবলৈ আগ্ৰহী আছিল । এদিন তেওঁ ৰাজপৰিয়ালৰ ৰান্ধনিজনক দুখন সুন্দৰ ৰুটী তৈয়াৰ কৰিবলৈ ক'লে । এখন হ'ব লাগিব ডাঙৰ আৰু কোমল আনখনত থাকিব লাগিব হীৰা-মুকুতা ।

এজন বৃদ্ধ সভাসদে সপ্তাহত এদিন ৰাতিপুৱা ভিক্ষা বিতৰণ কৰিছিল । ৰজাই তেওঁক বিশ্বাস কৰি সেই বিশেষ ৰুটী দুখনৰ কথা ক'লে । "বন্ধু, এইখন এজন উপযুক্ত মানুহক দিবা আৰু আনখন তোমাৰ ওচৰত ভিক্ষা খুজিবলৈ অহা আন যিকোনো মানুহকে তুমি দিব পাৰা ।"

পিছদিনাখন পুৱা দুজন মানুহ সভাসদজনৰ ওচৰলৈ আহিল । এজনক দীঘল দাড়ি আৰু এটা বিশেষ ৰঙৰ কাপোৰেৰে এজন ধাৰ্মিক মানুহৰ দৰে লাগিছিল । আনজন এজন সাধাৰণ ভিখাৰী আছিল । সভাসদজনে মণি-মুক্তা থকা ৰুটীখন ধাৰ্মিক মানুহ জনক দিলে আৰু আনখন ভিখাৰী মানুহ জনক দিলে।

প্ৰাসাদৰ বাৰাণ্ডাৰপৰা ৰজাই এই কথা লক্ষ্য কৰি আছিল যে ধাৰ্মিক মানুহজনে ৰুটীখন গধুৰ পাই এখন হাতৰ পৰা আনখন হাতলৈ লৈছে । তেওঁ ভালকৈ গম পালে যে ৰুটীখন ভালকৈ সেকা নহ'ল ।

"বন্ধু, ৰুটীখন গধুৰ যেন লাগিছে । ইয়াৰ ভিতৰত তোমাৰ খনতকৈ বেছি বস্তু থকা যেন লাগিছে । মোৰ সিমান ভোক লগা নাই। আমি ৰুটীখন সলনি কৰি নলও কিয় ?" তেওঁ সুধিলে। ভিখাৰীজনে এটাও শব্দ নোকোৱাকৈ ধাৰ্মিক মানুহজনৰ লগত ৰুটীখন সলাই ল'লে।

ৰজাই নিজকে ক'লে, "ভগৱানে এই ধাৰ্মিক মানুহজনক মণি-মুক্তাৰে লালায়িত কৰিব খোজা নাই । তেওঁ এই মানুহজনক ধনী কৰিব খোজা নাই ।" ঘটনাটোৰ এইদৰে নিজাকৈ এটা ব্যাখ্যা কৰি ৰজা সন্তুষ্ট হ'ল । কিন্তু ৰজাই ধাৰ্মিক মানুহজনৰ মুখত এটা ধূৰ্ত্ত হাঁহি দেখা পালে । নিসন্দেহে তেওঁ আনজন

আফগানিস্তানৰ এটা লোককাহিনী

মানুহক এখন আধা সিজা ৰুটী দি ঠগিলো বুলি ভাবিছিল ।

এই কথাই ৰজাক উৎসুক কৰি তুলিলে। তৎক্ষণাৎ তেওঁ দুজন চোৰাংচোৱাক এই মানুহ দুজনক অনুসৰণ কৰিবলৈ ক'লে আৰু ৰুটী দুখনেৰে মানুহ দুজনে কি কৰে ৰজাক জনাবলৈ ক'লে । সন্ধিয়ালৈ তেওঁ এই বিষয়ে বাতৰি পালে। ধাৰ্মিক যেন লগা মানুহজন নিজৰ পঁজালৈ গ'ল। তেওঁ কাপোৰকানি আৰু আনকি নিজৰ দাড়িকোচাও খুলি পেলালে আৰু ৰুটীখন আৰু তেওঁ সংগ্ৰহ কৰা অন্যান্য বস্তু খালে ।

আনহাতে ভিখাৰীজনে ঘৰ গৈ পায়েই ৰুটীখন কাটিলে আৰু ভিতৰত মণি মুক্তাবোৰ দেখি বিস্মিত হ'ল । তেওঁৰ পত্নী আনন্দত জঁপিয়াই উঠিল আৰু নিজৰ বাবে এডাল হাৰ গঢ়াব খুজিলে । কিন্তু মানুহজনে ক'লে, "এজন ৰাজবিষয়াৰ যোগেদি এজন ধাৰ্মিক মানুহে এইডাল পাইছিল আৰু সেই ধাৰ্মিক মানুহজনে মোক এইডাল দিছিল । প্ৰথমতে মই সেই ৰাজবিষয়া জনৰ ওচৰলৈ যাব লাগিব আৰু এই মণি মুক্তাবোৰ ভুলতে ৰুটীখনৰ ভিতৰত ভৰাই দিয়া হৈছিল নেকি জানি ল'ব লাগিব । বিষয়াজনৰ ঘৰৰ পৰা সেয়া চুৰ কৰাও হ'ব পাৰে আৰু হয়তো চোৰটোৱে সেইখিনি ৰুটীখনৰ ভিতৰত ভৰাই দিলে । কিন্তু যদিহে ৰাজবিষয়া জনে জানি বুজিয়েই ধাৰ্মিক মানুহজনক সেয়া দিব খুজিছিল তেন্তে এইখিনি তেওঁ পোৱা উচিত। অন্যথা এইখিনি আধা আমি আৰু আধা আমাৰ দৰিদ্ৰ চুবুৰীয়াৰ মাজত ভগাই ল'ম ।"

আৰু সোনকালেই মানুহজনে মণি মুক্তাখিনি লৈ ৰাজবিষয়া জনক লগ ধৰিলে । ৰজাই তেওঁক মাতি পঠিয়ালে আৰু তেওঁৰ সততাৰ বাবে তেওঁক বঁটাও দিলে ।

"নিজকে ধাৰ্মিক বুলি জাহিৰ কৰা মানুহজনৰ পৰা ভগৱানে সেয়া কাঢ়ি নিলে । কিন্তু মই এটা শিক্ষা পালোঁ। মই যদি ৰুটীখনৰ বিনিময়ৰ বিষয়ে মোৰ নিজৰ ব্যাখ্যাতেই সন্তুষ্ট থাকিলোহেঁতেন তেতিয়াহ'লে মই সঁচা কথাটো নাজানিলোহেঁতেন। অন্য কথাত সঁচা কথাটো জানো বুলি মিছা ধাৰণা এটা কোনেও লৈ থাকিব নালাগে ।" জ্ঞানী ৰজাজনে সেই বিষয়াজন আৰু বাকী সভাসদসকলক ক'লে। ৰজাই বুজিলে যে সৌভাগ্যই লগ দিলেও সৎ ব্যক্তি পথভ্ৰষ্ট নহয়।

Log onto www.chandamama.com

YOUR CHANDAMAMA IS AVAILABLE IN MANY AVATARS!





Junior Chandamama
(4+ age group):
A magazine for the little ones peppered with activities, pictures, and stories that will grip their imagination !

Regional Chandamama
Read your favourite stories in your own language! Chandamama takes you closer home even as your imagination soars!





Chandamama English
(9+ age group)
A children's magazine that has adapted itself to the changing needs of children across decades, Chandamama English offers you a delectable mix of the classic and the contemporary in 70 pages that value fun!

Revamped Relevant
Redesigned Read it!

YOUR LANGUAGE, YOUR CHANDAMAMA.

Available in 11 languages:
Telugu, Hindi, Marathi, Oriya, Kannada, Bengali, Tamil, Malayalam, Gujarati, Assamese, Sanskrit.

মই কি হ'ব পাৰো?

তোমালোকে 'ক্লাউন ডাক্তৰ'ৰ নাম শুনিছানে? নামটো শুনিবলৈ বৰ হাঁহি উঠা হব পাৰে, কিন্তু তেওঁলোকৰ কাম অতি গুৰুত্বপূৰ্ণ। ক্লাউন ডাক্তৰসকল হ'ল পেশাদাৰী প্ৰদৰ্শক। তেওঁলোক চিকিৎসা শাস্ত্ৰ বা পৰম্পৰাগত ঔষধৰ লগত সম্পৰ্কিত ডাক্তৰ নহয়। তেওঁলোকে কেৱল হাঁহি আৰু আনন্দৰ ঔষধ দিয়ে। তেওঁলোকে বিশ্বাস কৰে যে হাঁহি আৰু আনন্দতকৈ অধিক শক্তিশালী ঔষধ আৰু একো নাই। ১৯৮৬ চনৰ পৰা 'বিগ এপল ছাৰ্কাছ ক্লাউন কেয়াৰ ইউনিট' নামৰ এটা কাৰ্যসূচীৰ অধীনত ক্লাউন ডাক্তৰসকলে চিকিৎসালয়ত কাম কৰা আৰম্ভ কৰে। এই পদক্ষেপৰ সূচনা কৰে নিউয়ৰ্কত মাইকেল ক্ৰিষ্টেনছেনে। ক্লাউন ডাক্তৰৰ জনপ্ৰিয়তা ভাৰতত দিনক দিনে বৃদ্ধি পাইছে। এই নতুন ধৰণৰ চিকিৎসাৰ বিষয়ে ভাৰতত প্ৰচাৰ কৰে ফ্ৰান্সৰ পৰা বাংগালোৰলৈ অহা এদল ক্লাউন ডাক্তৰে। তেওঁলোকে বাংগালোৰত কেইবাখনো কৰ্মশালা অনুষ্ঠিত কৰে। ক্লাউন ডাক্তৰৰ মূল কাম হ'ল বিষ সম্পৰ্কে থকা মানুহৰ সাম্যক ধাৰণা সলনি কৰি পেলোৱা। তেওঁলোকে এই কাম কৰিবৰ বাবে নানা ধৰণৰ কলা, শিল্প আদিৰ জ্ঞান অৰ্জন কৰিবলগীয়া হয়। সেইবিলাকৰ ভিতৰত হ'ল, নানাধৰণৰ কলা, সংগীত, অভিনয় ইত্যাদি। যদি তুমি কোনো কলাত পৰদৰ্শী তেন্তে তুমিও এজন ক্লাউন ডাক্তৰ হব পাৰা। চিন্তাৰ অভিনৱত্ব, সৃজনীশীলতা থকা যিকোনো লোকেই ক্লাউন ডাক্তৰ হব পাৰে।



তেওঁলোকে ৰোগীক যিকোনো সময়তে হহুৱাব পাৰিব লাগিব। তেওঁলোকে হাঁহি এটা ঔষধৰ দৰে ব্যৱহাৰ কৰে আৰু তাৰ সহায়ত ৰোগীক ৰোগৰ পৰা উপশম পোৱাত সহায় কৰে। হাঁহি আৰু আনন্দই ৰোগীক মানসিক চিন্তাৰ পৰা দূৰত ৰাখি নিৰোগী কৰি তোলে। বিদেশত ক্লাউন ডাক্তৰে ভাল সুবিধা লাভ কৰে যদিও ভাৰতত ই পেশা হিচাপে এতিয়াও জনপ্ৰিয় হোৱা নাই। ভাৰতত বহুতে স্বেচ্ছাসেৱা হিচাপে সেৱা আগবঢ়াই আছে। যদি তুমি মানুহক ৰোগৰ পৰা উপশম হোৱাত সহায় কৰিব বিচাৰা, তেন্তে ইয়াক এটা অতিৰিক্ত কাম হিচাপে গ্ৰহণ কৰিব পাৰা। অষ্ট্ৰেলিয়াত ইয়াৰ বাবে গঠিত কৰা এটা অনুষ্ঠান পৃথিৱী বিখ্যাত। সেইটো হ'ল – 'The Humour foundation'(http://clowndoctors.org.au/home.html)

– *ছাই*

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪৬

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা – ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪৬ লিখা।

৪) তোমাৰ উত্তৰ ৩১ ডিচেম্বৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১৩ চনৰ ফেব্ৰুৱাৰী মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

কাগজৰ বিষয়ে

১. কাগজৰ আৱিষ্কাৰৰ আগতে লিখিবলৈ ব্যৱহাৰ কৰা সামগ্ৰীবিধ কি আছিল?

২. প্ৰথমখন ইংৰাজী বাতৰি কাকতৰ নাম কি?

৩. ভাৰতত প্ৰকাশিত হোৱা প্ৰথমখন বাতৰি কাকতৰ নাম কোৱা।

৪. বিশ্বৰ ভিতৰতে সৰ্বাধিক পৰিমাণৰ কাগজ উৎপাদন কৰা দেশখনৰ নাম কি?

৫. 'অৰিগামি' কি?

৬. কাগজৰ 'জি এছ এম' মানে কি?

৭. কেতিয়া এবাৰ ব্যৱহাৰ কৰি পেলাই দিব পৰা কাগজৰ কাপ বা পিয়লা আৱিষ্কাৰ কৰা হৈছিল?

৮. কাগজ ক'ত আৰু কেতিয়া আৱিষ্কাৰ কৰা হৈছিল?

৯. ভাৰতৰ কোন ঠাইত প্ৰথমটো কাগজৰ কল স্থাপন কৰা হৈছিল?

১০. ভাৰতত কোনে কাগজৰ টকাৰ প্ৰচলন আৰম্ভ কৰে?

১১. 'মিলব্ৰ'ক' কি?

১২. 'ডিইংকিং' নামৰ পদ্ধতিটো কোনে আৱিষ্কাৰ কৰে?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৪৩, আগষ্ট ২০১২ চনৰ উত্তৰ:

১. কেশৰী, ২. ভাৰত ত্যাগ আন্দোলন, ৩. যতীন মুখাৰ্জী, ৪. চিংগাপুৰত, ১৯৪৩ চনত, ৫. জি ভি মাভলানকাৰ, ৬. উচ্চতম ন্যায়ালয়ৰ মুখ্য বিচাৰপতি, ৭. ইনকিলাব জিন্দাবাদ, ৮. ছাইমন কমিছন, ৯. মালদা ১০. বাল গংগাধৰ তিলক.

August'12 Winners: 1. Krithika, Chennai. 2. P. Venkatalakshmi, Kovilpatti. 3. B. Saisuvarchala Neharika, Chilakalapudi.

কৌতুক



এখন হেলিকপ্তৰত এডাল ৰচীত ১১ জন মানুহ ওলমি আছিল আৰু তেওঁলোকক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ লৈ গৈ থকা হৈছিল। তাৰে ভিতৰত ১০ পুৰুষ আৰু এগৰাকী মহিলা আছিল। তেওঁলোকে ভাৱিলে ৰচীডালে ১১ জন মানুহৰ ভাৰ লব পৰা নাই, গতিকে এজনে বাকীসকলৰ বাবে জীৱন উচৰ্গা কৰিব লাগিব। কিন্তু সেইজন কোন হব সেই কথাৰ সিদ্ধান্ত কৰিব পৰা নাছিল। শেষত, মহিলাগৰাকীয়ে এটা সুন্দৰ বক্তৃতা দিলে। তেওঁ কলে যে মহিলাই সাধাৰণতে স্বামী আৰু সন্তানৰ বাবে নিজৰ জীৱন উচৰ্গা কৰে, সেয়ে তেওঁ বাকীসকলৰ বাবে জীৱন উচৰ্গা কৰিব। তাকে শুনি বাকীসকলে আনন্দতে হাতচাপৰি বজালে।

এজন লোকে তিনিটা মাছ ধৰি তাৰে ডাঙৰ দুটা পানীলৈ পুণৰ দলিয়াই দিলে। এজন বৃদ্ধই সেই ঘটনা দেখি আছিল। ‘‘তুমি ডাঙৰ দুটা কিয় পানীলৈ পুণৰ দলিয়াই দি সৰুটো ৰাখিলা?’’ বৃদ্ধই সুধিলে। ‘‘কিয়নো মোৰ ওচৰত এখন সৰু ‘ফ্ৰায়িং পেন’হে আছে। আনজনে উত্তৰ দিলে।

গ্ৰাহক: ৱেইটাৰ, তুমি কিমান দিন ধৰি ইয়াত কাম কৰি আছা বাৰু?

ৱেইটাৰ: প্ৰায় দুমাহমান হব ছাৰ।

গ্ৰাহক: তেন্তে মোৰ খোৱাৰ অৰ্ডাৰ লোৱাজন তুমি নহয় ছাগে।

কাৰাবন্দী: ডাক্তৰ, এইফালে চাওক। আপুনি ইতিমধ্যেই মোৰ পিত্ত, টনচিল আৰু এটা কিডনী উলিয়াই পেলাইছে। মই জানিব খোজো যে আপুনি মোক জেলৰ পৰা উলিয়াই নিব পাৰিবনে?

ডাক্তৰ: পাৰিম, এইদৰেই এটুকুৰাৰ পিছত এটুকুৰাকৈ।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	I didn't understand	You study well.
Assamese	মই বুজি পোৱা নাছিলো।	তুমি ভালকৈ অধ্যয়ন কৰা।
Telugu	నాకు అర్థం కాలేదు. নাকু অৰ্থম কালেধু.	నీవు బాగా అధ్యయనం చేస్తావు. নীভূ বাগা অধ্যায়নম ছেষ্টভূ.
Tamil	எனக்குப் புரியவில்லை. নাক্কু পুৰিয়ভিল্লাই.	நீ நன்றாக படிக்கிறாய். নি নানৰাগ পডিক্কিৰাই.
Bengali	আমি বুঝতে পারিনি। আমি বুঝতে পাৰিনি।	তুমি ভাল করে পড়। তুমি ভালো কৰে পঢ়।
Marathi	मला समजत नाहीये. মল সমজত নহিয়ে.	चांगला अभ्यास कर. চংগল অভ্যাস কৰ.
Kannada	ನನಗೆ ಅರ್ಥವಾಗಲಿಲ್ಲ. ননগে অৰ্থভাগলিল্লা.	ನೀವು ಚೆನ್ನಾಗಿ ಓದಿ. নীভু চেন্‌নাগি উদি.
Odia	ମୁଁ ବୁଝିପାରି ନଥିଲି। মুন বুঝিপাৰি নাথিলি।	ତୁମେ ଭଲ ଭାବରେ ପଢ଼। তুমি ভাল ভাৱেৰে পঢ়া।
Gujarati	મને સમજાયું નહીં মনে সমজায়ুম নাহী.	તમે બરાબર અભ્યાસ કરો তমে বৰাবৰ অভ্যাস কৰো.
Hindi	मैं नहीं समझा/समझी মে নেহি সমঝা/সমঝি.	तुम अच्छे से पढ़ो। তুম অচ্ছে সে পঢ়ো.
Malayalam	എനിക്ക് മനസ്സിലായില്ല. ইনিক্কু মনসিলায়িল্লা.	നീ നന്നായി പഠിക്കൂ. নি নান্‌নায়ি পদিক্কু.
Sanskrit	न मया अवगतम् । ন ময় অৱগতম।	सम्यक् अध्ययनं करोतु। সম্যক অধ্যয়নম কৰোতু।

English	I have started.	What is the result?
Assamese	মই আৰম্ভ কৰিলো।	ফলাফল কি?
Telugu	నేను మొదలు పెట్టాను. নীনু মধলুপেট্টানু.	ఫలితం ఏమిటి? ফলিথাম এমিটি?
Tamil	நான் ஆரம்பித்து விட்டேன். নান আৰম্বিথু ভিট্টয়েন.	முடிவு என்ன? মুডিভু ইনা?
Bengali	আমি আরম্ভ করে দিয়েছি। আমি আৰম্ভ কৰে দিয়েছি।	ফলটা কি হয়েছে? ফল টা কি হয়েছে?
Marathi	मी सुरू केला आहे. মি চুৰু কেল অহে.	निकाल काय लागला आहे? নিকাল কে লগলা আহে?
Kannada	ನಾನು ಪ್ರಾರಂಭಿಸಿದ್ದೇನೆ. নানু প্ৰাৰম্ভিসিড্ডেনে.	ಫಲಿತಾಂಶ ಏನು? ফলিটামশ্বা ইনু?
Odia	ମୁଁ ଆରମ୍ଭ କରି ଦେଇଛି। মুন আৰম্ভ কৰি দিয়েছি।	ଫଳ କଣ ହୋଇଛି? ফল কণ হয়েছি?
Gujarati	મેં શરૂઆત કરી. মি চুৰুৰাত কৰি.	પરિણામ શું છે? পৰিণাম শুন ছে?
Hindi	मैंने शुरू कर दिया है। মেইনে চুৰু কৰ দিয়া হে.	परिणाम क्या है? পৰিণাম ক্যা হে?
Malayalam	ഞാൻ തുടങ്ങിക്കഴിഞ്ഞു. অনজন থুদনগিক্কঝিনজু.	ഫലം എന്താണ്? ফলম এনথানু?
Sanskrit	मया पूर्वमेव आरब्धम्। ময়া পূৰ্ভমেৱ আৰব্ধম।	क: फलितांश:। কহ ফলিতানশহ?

ধুতি হৈ পৰিল অধিবক্তাৰ সাজ

ধূতি হ'ল ভাৰতৰ এটা পৰম্পৰাগত সাজ। এতিয়া ইয়াক কোনো অধিবক্তাই আদালতত পৰিধান কৰিব পাৰিব। ৰাজস্থান উচ্চ ন্যায়ালয়ৰ এজন বিচাৰকে দিয়া এখন ২৫ পৃষ্ঠৰ আদেশনামা অনুসৰি এই কাম সম্ভৱ হৈ উঠিছে।

ঘটনাটো আৰম্ভ হ'ল বেদ পাল শাস্ত্ৰী নাম এজন অধিবক্তাৰ পৰা। তেওঁ এদিন নিয়ম মাফিক বগা পেন্টৰ সলনি ধুতি পিন্ধি আদালতলৈ আহিল। তেওঁতকৈ জ্যেষ্ঠসকলে এই কথাৰ বিৰোধিতা কৰিলে কিয়নো তেওঁলোকে ভাৰিলে যে ই নিয়মৰ পৰিপন্থী আৰু এই কথা শেষত গৈ আদালতৰ মজিয়া পালেগৈ। শাস্ত্ৰীয়ে যুক্তি দিলে যে ১৯৬১ চনৰ বাৰ কাউঞ্চিল অৱ ইণ্ডিয়াৰ নিয়ম মতে ধুতি অধিবক্তাৰ সাজসমূহৰ ভিতৰত এবিধ। ৬ ঘন্টা ধৰি দুয়োপক্ষৰ তৰ্ক বিতৰ্ক চলাৰ পিছত ধুতিৰ সপক্ষে বিচাৰৰ ৰায় দিয়া হ'ল।

ধুতি বহু পুৰণি পৰম্পৰাগত সাজৰ ভিতৰত পৰে আৰু ইয়াক এক সন্মানীয় পোছাক বুলি গণ্য কৰা হয়।

বাঘৰ লগত যুদ্ধ কৰা কুকুৰ

পিন্টু নামৰ এটা সাহসী কুকুৰে অৰণ্যৰ মাজত এটা বাঘক আক্ৰমণ কৰি নিজৰ গৰাকী আৰু তেওঁৰ পুত্ৰক ৰক্ষা কৰিলে। এই ঘটনাটো ঘটে অলপ দিনৰ আগতে কৰ্ণাটক–অন্ধ্ৰপ্ৰদেশৰ সীমাৰ চিৰচি, য়েলপুৰৰ ছালেহোন্দা অৰণ্যত।

নায়ক আৰু তেওঁৰ পুত্ৰ মধুকেশৱ অৰণ্যলৈ গৈছিল শুকান খৰি বিচাৰিবলৈ। তেওঁলোকৰ লগত গৈছিল পিন্টু। হঠাতে তেওঁলোকক এটা বাঘে আক্ৰমণ কৰিলে। সেই আক্ৰমণত নায়ক আঘাটপ্ৰাপ্ত হ'ল আৰু বৰ্তমানেও চিকিৎসা গ্ৰহণ কৰি আছে। তেওঁ কোৱা মতে বাঘে আক্ৰমণ কৰাত পিন্টু বাঘৰ ওপৰত জপিয়াই পৰিল আৰু সি বাঘক কেইবাবাৰো কামুৰি আঘাটপ্ৰাপ্ত কৰিলে।

নায়কে আঘাটপ্ৰাপ্ত বাঘটোক ঘৰলৈ লৈ আহিল আৰু বনবিভাগৰ লোকক খবৰ দিলে। কিন্তু দূৰ্ভাগ্যবশত বাঘটোৰ মৃত্যু হ'ল। বাঘ হ'ল এবিধ বিলুপ্তপ্ৰায় প্ৰাণী।

CHANDAMAMA'S

Ramayana

An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

ৰসিক মানুহ বীৰবল
আকবৰ আৰু তেওঁৰ নাতি ল'ৰা
১. এদিনাখন বীৰবলে এটা কাহিনী কৈ আছিল। সেইটো হ'ল বিষ্ণুয়ে তেওঁৰ ভক্ত গজেন্দ্ৰৰ প্ৰাৰ্থনা শুনি তাক ৰক্ষা কৰিবলৈ কেনেকৈ এই পৃথিৱীলৈ নামি আহিছিল।
২. সম্ৰাট এই কথা ভাৱি আচৰিত হ'ল যে ভগৱানে কিয় তেওঁৰ কোনো অনুচৰক প্ৰেৰণ নকৰিলে। তেওঁ বীৰবলক সোধাত বীৰবলে পিছত সম্ৰাটক সেইবিষয়ে ভাঙি-পাতি কব বুলি কথা দিলে।
৩. পিছদিনাখন, বীৰবল ৰাজউদ্যানলৈ গ'ল। তেওঁ আকবৰৰ নাতিয়েকৰ লগত ধাইজনীক দেখা পালে। তেওঁ তাইক কিবা কথা কৈ এটা মমৰ পুতলাৰ লগত শিশুটো সলাই পেলালে।
৪. ধাইগৰাকীয়ে বিহ্বল হোৱাৰ অভিনয় কৰি পুখুৰীটোত জাপ মাৰি দিলে। তাই চিঞৰ মাৰি দিলে, ''বচোৱা, কোনোবাই, ৰাজকুমাৰক বচোৱা। ৰক্ষা কৰা।''
৫. পুখুৰীটোৰ আনটো পাৰত থকা সম্ৰাটে তাইৰ চিঞৰ শুনা পালে। তেওঁ ঘটনাটো অনুমান কৰি ''মোৰ নাতি'' তেওঁ চিংকাৰ মাৰি পুখুৰীটোত জপিয়াই পৰিল।



৬. আকবৰে শিশুটো ধৰি পাৰলৈ তুলি আনি উপলব্ধি কৰিলে যে সেইটো এটা মমৰ পুতলাহে। ''ৰাজকুমাৰ ক'ত?'' তেওঁ সুধিলে। ''তেওঁ সুৰক্ষিত আছে শ্বাহেনশ্বাহ।'' বীৰবলে কলে।

৭. সম্রাটৰ খং উঠিল, ''তুমি মোৰ লগত এইদৰে ধেমালি কৰিবলৈ সাহস ক'ৰ পৰা পালা?'' বীৰবলে হাঁহি এটা মাৰি কলে, ''শ্বাহেনশ্বাহ, বিষ্ণু কিয় নিজেই পৃথিৱীলৈ আহিছিল এতিয়া বুজি পালেনে?''

৮. সম্রাটে আচৰিত হৈ বীৰবললৈ চাই সুধিলে, ''তুমি কি বুজাব বিচাৰিছা?'' বীৰবলে কলে, ''আপুনি আপোনাৰ পালি-পহৰীয়াৰ বাবে অপেক্ষা কৰি নাথাকি নিজেই পুখুৰীটোত জাপ দিলে কিয়?''



৯. বীৰবলে কৈ গ'ল, ''আপোনাৰ নাতিৰ প্ৰতি থকা মৰমৰ বাবেই আপুনি তেনে কৰিলে। ভগৱানে তেওঁৰ ভক্তক বৰ ভাল পায় আৰু সেইবাবে তেওঁ নিজেই আহি হাতীটোক ৰক্ষা কৰিছিল।''

ক্লনিঙৰ বিষয়ে চমুকৈ...

ডলী নামটো চিনাকি চিনাকি লাগিছেনে বাৰু? মই কোৱা এই ডলী হ'ল এজনী ভেৰা। তাই হ'ল পৃথিৱী বিখ্যাত। তাই হ'ল পৃথিৱীৰ প্ৰথম ক্লন কৰি জন্ম দিয়া জন্তু। মাকৰ সৈতে বয়সৰ পাৰ্থক্য ছবছৰ হোৱা সত্ত্বেও তাই মাকৰ লগত হুবহু একে। তাৰোপৰি তাইৰ কোনো দেউতাক নাই।

আমাৰ দেহ কোষেৰে গঠিত। সেই কোষৰ ভিতৰত ডি এন এ নামৰ এটা অংশ থাকে যি নানা ধৰণৰ তথ্য বহন কৰে। ইয়াক 'কোড' বুলিও কোৱা হয়। প্ৰতিটো জীৱই আধা তথ্য মাকৰ পৰা আৰু বাকী আধা তথ্য দেউতাকৰ পৰা লাভ কৰে।

ক্লনিং কৰোতে, বিজ্ঞানীসকলে জন্তুৰ দেহৰ কোষৰ পৰা ডি এন এ সংগ্ৰহ কৰে আৰু আনটো জন্তুৰ পৰা সংগ্ৰহ কৰা ডিম্বত সুমুৱাই দিয়ে। ইয়াক কৰাৰ আগতে গ্ৰাহক কোষৰ পৰা ডি এন এ আতৰাই পেলোৱা হয়। ডলীকো এইদৰেই সৃষ্টি কৰা হৈছিল।

গুপ্তধনৰ বাকচ

এই মাহত আমি কেইটামান পেশাৰ ওপৰত আধাৰিত চিত্ৰৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।

Chandamama

Art Book

Chandamama Art Book is a treasure house of art that all Indians should be proud of. The illustrations in the book make us feel as if those celestial beings have come down to earth to greet us. We are carried away by a feeling of rapture and devotion. The illustrations of artists Chitra, Vapa, Sankar and M.T.V. Acharya are captivating and full of life. By owning a copy of Chandamama Art Book, we will pay a tribute to our culture. The price of Art Book is very little compared to the joy it brings us.

N. Lalitha, Hyderabad

Order Now

2 Volumes



Log on to: **www.chandamama.com** or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) November 2012 Registrar of Newspapers of India No. MAHASS/2010/35906

Published on first of every month. Licensed to post regd. No. MH/MR/N/134/MBI/10-12